ভিতৰৰ পৃষ্ঠাত

আঞ্চলিক পৃষ্ঠা ৩
স্বৰ্গলৈ ঢেঁকী পৃষ্ঠা ৫
জীৱন দৰ্শন পৃষ্ঠা ৬
অবাঞ্চিত পৃষ্ঠা ৮
জীৱনৰ অদ্ভুত ৰহস্য পৃষ্ঠা ৯



RNI No. ASSASS/2014/56974
Postal Registration No. GH-164/2021-2023
www.asombhumi.com ত উপলব্ধ

# অসম ভূমি

জাতীয় স্বাৰ্থত দায়বদ্ধ

■Vol :10 ■Issue :48 ■Guwahati ■Wednesday ■ 19 July, 2023 ■ Rs. 5 ■বছৰ - ১০ ■সংখ্যা -৪৮ ■গুৱাহাটী ■ বুধবাৰ ■ ২ শাওণ, ১৯৪৫ শক ■মূল্য ঃ ৫ টকা


হিমন্ত বিশ্ব শৰ্মা-ভৱেশ কলিতাৰ নেতৃত্বতে লোকসভাৰ নিৰ্বাচন খেলাৰ অংক গেৰুৱা দলৰ

# নিৰ্বাচনলৈ সলনি নহয় সভাপতি-মুখ্যমন্ত্ৰী

**ষ্টাফ ৰিপ'ৰ্টাৰঃ** অহা ২০২৪ চনত অনুষ্ঠিত হ'বলগা লোকসভা নিৰ্বাচনৰ পূৰ্বে অসমত সলনি নহয় বিজেপিৰ ৰাজ্যিক সভাপতিৰ লগতে মুখ্যমন্ত্ৰী। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ শেহতীয়া দিল্লী ভ্ৰমণৰ পাছতে নিশ্চিত হৈ পৰিছে এই কথা। উল্লেখ্য যে সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণ, দলৰ সাংগঠনিক ভেটি দুৰ্বল, মূল্যবৃদ্ধিকে ধৰি বিভিন্ন সমস্যাই ৰাজ্যখনত গা কৰি উঠাৰ পৰিণতিত ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ লগতে বিজেপিৰো ৰাজ্যিক সভাপতিগৰাকী সাল-সলনি হ'ব পাৰে বুলি ৰাজ্যত চৰ্চা আৰম্ভ হৈছিল যদিও মুখ্যমন্ত্ৰীগৰাকীৰ শেহতীয়া দিল্লী ভ্ৰমণৰ পাছত এই চৰ্চা অমুলক বুলি পৰিগণিত হৈছে। এক সূত্ৰৰ তথ্য অনুসৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপিৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতাৰ নেতৃত্বতে গেৰুৱা দলটোৱে অসমত আগত লোকসভা নিৰ্বাচনত অৱতীৰ্ণ হ'ব। দলৰ হাইকমাণ্ডে গ্ৰহণ কৰিছে এই সিদ্ধান্ত। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যখনত বিভিন্ন ক্ষেত্ৰত হৈ থকা উন্নয়নমূলক কাম-কাজ, প্ৰতিশ্ৰুতি অনুসৰি ১ লাখ লোকক চৰকাৰী চাকৰি ২ পৃষ্ঠাত

## আমিনগাঁৱত মুখ্যমন্ত্ৰী অসমীয়াৰ কৰ্ম সংস্কৃতি ওভতাই আনিব লাগিব

**ষ্টাফ ৰিপ'ৰ্টাৰঃ** অসমীয়া মানুহে কৰ্ম-সংস্কৃতি ওভতাই আনিব লাগিব। কিয়নো কৰ্ম-সংস্কৃতি অবিহনে এটা জাতি উজ্বলি উঠিব নোৱাৰে। এই মন্তব্য অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ। যোৱা ১৬ জুলাইৰ নিশা জালুকবাৰী সমষ্টিৰ অন্তৰ্গত আমিনগাঁৱত লোকনিৰ্মাণ বিভাগৰ পৰিদৰ্শন বঙলাত বিজেপিৰ নেতা-কৰ্মীৰ সৈতে টিফিন বৈঠকত অংশগ্ৰহণ কৰি সংবাদমাধ্যমৰ আগত মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে কয়। তেওঁ কয় যে বজাৰত উপলব্ধ বিষাক্ত পাচলিৰ পৰা ৰক্ষা পাবলৈ প্ৰতিটো অসমীয়া পৰিয়ালে পাচলিৰ খেতি কৰিব লাগিব। কোনেও মোৰ কথামতে সামগ্ৰীৰ দাম কমাই নিদিয়ে বুলি কৈ মুখ্যমন্ত্ৰীগৰাকীয়ে কৰ্ম-সংস্কৃতিৰ গঢ়ি তোলাৰ ক্ষেত্ৰত বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান, মন্দিৰ-মছজিদ সমিতিসমূহকো সজাগতা সৃষ্টি কৰিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীৰ ২ পৃষ্ঠাত




সাহায্য মঞ্জুৰি বিতৰণ কৰি মুখ্যমন্ত্ৰীৰ ঘোষণা

## খিলঞ্জীয়া জনগোষ্ঠীৰ অধিকাৰ-স্বাৰ্থ সুৰক্ষিত কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ

**ষ্টাফ ৰিপ'ৰ্টাৰঃ** খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস তথা সংস্কৃতিৰ সুৰক্ষা, প্ৰসাৰ আৰু সংৰক্ষণৰ দিশত এক বিশেষ পদক্ষেপ হিচাপে যোৱা ১৬ জুলাইত খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি সঞ্চালকালয়ৰ উদ্যোগত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত সাহায্য মঞ্জুৰি বিতৰণ উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। অনুষ্ঠানত ১৮ টা খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সাংস্কৃতিক অনুষ্ঠানলৈ ১০ লাখ টকাকৈ, ৭৩ খন খিলঞ্জীয়া তথা জনজাতীয় বিশ্বাস উপাসনাথলীলৈ ৫ লাখ টকাকৈ আৰু দুলাৰাই বাথৌ গৌথুম (সদৌ বাথৌ মহাসভা, গড়চুক, গুৱাহাটী) লৈ ২ কোটি টকা সাহায্য মঞ্জুৰি প্ৰদান কৰা হয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ খিলঞ্জীয়া আৰু জনজাতীয় গোষ্ঠীসমূহৰ বিশ্বাস আৰু সংস্কৃতিৰ প্ৰসাৰ আৰু সংৰক্ষণৰ দিশত আজি এক বিশেষ দিন। অসমৰ বৰ্ণিল সংস্কৃতি চহকী কৰি অহা খিলঞ্জীয়া জনগোষ্ঠীসকলৰ অধিকাৰ আৰু স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি মন্তব্য কৰি তেওঁ কয় যে এই প্ৰতিশ্ৰুতি পূৰণৰ অংশ হিচাপে ৰাজ্যৰ বিভিন্ন খিলঞ্জীয়া জনগোষ্ঠীয় অনুষ্ঠান আৰু উপাসনাথলীলৈ আৰ্থিক সাহায্য প্ৰদানৰ পদক্ষেপ লোৱা হৈছে। ৰাজ্য চৰকাৰে অসমৰ খিলঞ্জীয়া আৰু জনজাতীয় ২ পৃষ্ঠাত

মন্ত্ৰী ৰঞ্জিত দাসৰ মন্তব্য

## মোক দলত এলাগী কৰিব পৰা মানুহৰ জন্মই হোৱা নাই

**ষ্টাফ ৰিপ'ৰ্টাৰঃ** ৰাজ্যত অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ অভাৱনীয় মূল্যবৃদ্ধিৰ বিৰুদ্ধে বিভিন্ন দল-সংগঠনে প্ৰতিবাদ অব্যাহত ৰখাৰ সময়তে খাদ্য সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ সন্দৰ্ভত গা এৰা দিয়া মন্তব্য কৰিছে ৰাজ্যৰ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে। মন্ত্ৰীগৰাকী সামগ্ৰীৰ মূল্যবৃদ্ধিৰ বিষয়টো জিলা প্ৰশাসনে চোৱাচিতা কৰা বুলি দাবী কৰি কয় যে খাদ্য সামগ্ৰীৰ মূল্যবৃদ্ধি হোৱা বাবে ৰাইজে মোক গালি পাৰিলে একো কামত নাহে। উন্নয়নশীল দেশত মূল্যবৃদ্ধি হবই বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে মূল্যবৃদ্ধি ৰোধৰ বাবে সকলোকে খেতি-বাতিত জড়িত হ'বলৈও আহ্বান জনায়। উৎপাদন কম হোৱা বাবে শাক-পাচলিৰ মূল্যবৃদ্ধি হোৱা বুলি দাবী কৰি মন্ত্ৰীগৰাকীয়ে ২ পৃষ্ঠাত

## সোলা মুখৰ হাঁহি

নুৰুল ইছলাম




আজি কিছুদিনৰ পৰা চলিবলৈ বৰ মুস্কিল হৈছে। শাক-পাচলিৰ কথা নক'লোৱেই যেনিবা। ভাতকেইটা যোগাৰ কৰাই টান হৈ পৰিছে। ২ পৃষ্ঠাত

বাল্টি নৈৰ বুকুৰেদি বিপদসংকুল যাত্ৰা ঃ গুৰুত্ব নাই জনপ্ৰতিনিধিৰ

## ভাৰত-ভুটান সীমান্তত যাতায়াতত যমৰ যাতনা

**অসম ভূমি সেৱা, তামুলপুৰ ঃ** তামুলপুৰ মহকুমাৰ অন্তৰ্গত ভাৰত-ভূটান সীমান্তবৰ্তী ১নং ডোঙাৰগাঁৱৰ অধীনৰ চহৰপুৰ, সোণাপুৰ, দুৰ্গাপুৰ, ৰামপুৰ, মঞ্জুৰগাঁও, কুসুমজুলি, গজেনপুৰি, ধূপগুৰি, ওৰংচুপা, ফিটকাজন, গাৰালাইন, পশ্চিম মঞ্জুৰ গাঁৱত আজিৰ দিনতো ৰাইজে যাতায়াতৰ নামত জীয়াতু ভুগি অহাৰ উপৰি বিভিন্ন সমস্যাত হাবু-ডুবু খাই আহিছে। অসম চৰকাৰ তথা বিটিআৰ চৰকাৰে উন্নয়নৰ নামত ঢাকঢোল বজোৱাৰ ২ পৃষ্ঠাত



১ পৃষ্ঠাৰ পৰা

# মোক দলত এলাগী

অৱশ্যে কয় যে মিঞাই খেতি নকৰিলে অসমীয়াই খাবলৈ পোৱাটো অসম্ভৱ। আমাৰ অসমীয়া লোকসকলে আজি-কালি খেতি কৰিবলৈ বাদ দিয়া বাবেই বজাৰত শাক-পাচলিৰ মূল্যবৃদ্ধি হোৱা বুলিও দাবী কৰে মন্ত্ৰীগৰাকীয়ে। আনহাতে বিজেপি দল আৰু চৰকাৰত মন্ত্ৰীগৰাকী ক্ৰমাৎ এলাগী হৈছে নেকি বুলি সাংবাদিকে কৰা এক প্ৰশ্নৰ উত্তৰত তেওঁ কয়- মোক দলত এলাগী কৰিব পৰা মানুহৰ জন্মই হোৱা নাই। ১৯৯১ চনত বিজেপিত যোগদান কৰাৰ পাছৰে পৰা দলৰ বিভিন্ন দায়িত্ব পালন কৰি আহিছো। তেনে ক্ষেত্ৰত দলত এলাগী হোৱা বুলি একাংশই কৰা মন্তব্য অপপ্ৰচাৰহে মাথোন। উল্লেখ্য যে যোৱা ১৬ জুলাইত নলবাৰীত টিফিন বৈঠকত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত এই মন্তব্য কৰে।

# অসমীয়াৰ কৰ্ম সংস্কৃতি

সৈতে এই টিফিন বৈঠকত সাংসদ পবিত্ৰ মাৰ্ঘেৰিটা, কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, জালুকবাৰী সমষ্টিৰ বিজেপি নেতা-কৰ্মীসকলো উপস্থিত আছিল। এই বৈঠকত আগন্তুক লোকসভা নিৰ্বাচন সন্দৰ্ভত আলোচনা কৰা হয়। বৈঠকৰ অন্তত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীগৰাকীয়ে সাংসদ অজিত কুমাৰ ভূঞাক চোকা সমালোচনা কৰে। তেওঁ কয় যে অজিত কুমাৰ ভূঞাৰ জাতিৰ স্বাৰ্থত কোনো কাৰণতে আপোচ কৰিব নালাগে। মোৰ সহায় অবিহনে ভূঞা সাংসদ হিচাপে নিৰ্বাচিত হ'ব নোৱাৰিলেহেঁতেন বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে।

# সোলা মুখৰ হাঁহি

চাউলৰ দাম একেবাৰে হোৰাহোৰে উঠিছে। খেতি-বাতি থাকিলে কথা বেলেগ আছিল। কিন্তু লোকৰ ঘৰত কাম কৰি পৰিয়াল পোহপাল দিয়াটো সহজ হৈ থকা নাই। আচল কথা ক'বলৈ হ'লে এইকেইদিন আলহী-অতিথিৰ আগমন নঘটিলেই ভাল পোৱা হৈছো। কাৰণ আলহী বুলিলে কণী এটা হ'লেও লাগিবই দিয়কচোন। পিছে ঘৰৰজনীয়েহে এইবোৰ নুবুজে। মাহেকত মাকৰ ঘৰৰ পৰা তিনি-চাৰিটা প্ৰাণীৰ আগমন নঘটিলে এলাৰ্জী উঠে। গতিকে কিনো ক'ম। মহাৰাণীক সন্তুষ্ট কৰোতে কৰোতে অমুকাৰ কেৰেলাতকৈ গুটি দীঘল অৱস্থা হৈছে। পিছে এইহেন দিনত সিদিনা আহি ওলালহিয়েই নহয় মাকৰ ঘৰৰ পৰা কেইজনীমান। ডাঙৰ বৌৰেক, মাজু বৌৰেকহঁত। লগত আকৌ কাষৰে সম্বন্ধীয় খুৰাকৰ ছোৱালী তিনিজনী। আহিয়েই বৌৰেকহঁতে ক'বলৈ ধৰিলে। আহিম আহিম বুলি কেইটা তাৰিখ বাতিল হ'ল জানানে। গতিকে এইবাৰ এসপ্তাহমান থাকিম বুলি ঘৰত কৈয়েই আহিছো। সিহঁতৰ কথা শুনি দাদৰ এক্সপ্ৰেছ ৰে'লগাড়ীখন মোৰ সোঁ কাণেৰে সোমাই বাওঁ কাণেৰে পাৰ হৈ যোৱা যেন লাগিল। তদুপৰি দুপৰীয়া সিহঁত আহি পোৱাৰ পিছৰে পৰা এজমা হোৱা মানুহৰ দৰে উশাহতো খৰ হ'বলৈ ধৰিলে। তাতেই মানুহজনীও আকৌ অসুবিধা হোৱা এদিন। গতিকে ৰন্ধা-বঢ়াকে ধৰি সকলোখিনি চম্ভালিব লগাত পৰিছো অমুকাই। তাতেই আকৌ এই জাকটো। মুঠতে 'এনেই মৰিছো ঋষিৰ শাপত, তাতেই দিছে আকৌ ধানৰ ভাপত' বোলাৰ দৰেই হৈছে। আনকি মায়েও একো এটা কৰিব নোৱাৰে। লাখুটিডালত ধৰি কিবাকৈ চলি আছে। তাতেই যদি ইহঁত এসপ্তাহমান থাকে হৈছেই আৰু। জো হোগা দেখা যায়েগা বোলাৰ দৰে থাকিলো। সন্ধিয়া কানুৰ দোকানৰ পৰা কণী আনিলো। গাইপতি এটাকৈ। লগতে মচুৰ আৰু আলু, চয়াবিন আৰু চাহপাত, চেনিকে ধৰি কিবাকিবি। মোটামুটি তিনিশমান টকাৰ বজাৰ। কণীৰো সেই আগৰ দৰ নাই। বহুত বাঢ়িল। অলপ সোনকালেই ৰন্ধা-বঢ়াত লাগিলো। সিহঁতমখাৰ দুজনীয়ে ম'বাইলত গান বজাই বিছনাত পৰি আছে। বাকীকেইজনীয়ে ফেচবুক, গেম আদিত ব্যস্ত হৈ আছে হাঁহি-খিকিন্দালি কৰি আছে। অৱশেষত চৌকাত ফুৰাই ফুৰাই ভাত-তৰকাৰী সিজালো। ভাত বাঢ়ি দিয়াৰ পিছত সিহঁতৰ থালকেইখন যেনিবা নিজে নিজেই ডাঙি নিলে। মানুহজনীৰ থালখন দি আহি মাৰ স'তে অমুকাই খোৱাপাতত বহিলো। খোৱা-বোৱা শেষ কৰি বাচন-বৰ্তনবোৰ চিজিল লগাই শোৱাপাটীত পৰিলোঁগৈ। সিহঁতো শোৱাপাটীত পৰিল। পিছে ৰাতিপুৱা বিছনাৰ পৰা উঠি চাহকাপ মুখত দিয়েই সিহঁত যাবলৈ ওলাল। মা আৰু মানুহজনী হতভম্ব। এসপ্তাহমান থাকিম বুলি অহা কেইজনীয়ে এনেকৈ ওলালা যে। নাই কোনোপধ্যে নাথাকে হেনো সিহঁত। ইতিমধ্যে মাত-বোল কৰি চোতাল এৰি পদুলিমুখ পালেই। অৱশেষত আগবঢ়াই দিবলৈ বুলি পিছে পিছে আমাৰজনীও গ'ল। ঠিক পদুলিমুখ পাইছে আৰু এনে সময়তে মায়ে অমুকাৰ ফালে চাই ক'লে— কিবা বেয়া-চেয়া পালে নেকি অ' সিহঁতে...?

মিচিকিয়া হাঁহি এটি মাৰি ফুচফুচাই ক'লো— নহয় অ' দৰবে কামত দিছে বুজিছা। নহ'লে এইহেন টানৰ দিনত ইমানসোপা পুহি থাকিব পাৰোনে। অমুকাৰ কথা শুনি মায়ে তামোলৰ পিকখিনি পিৰিকৈ পেলাই দি আচৰিত হৈ অমুকাৰ ফালে চাই লাহেকৈ ক'লে— কিনো কথাবোৰ কৈছা হয়নে।

সঁচাকৈয়ে। মানে ৰাতি সিহঁতৰ তৰকাৰীৰ বাটিবোৰত সৰহকৈ নিমখ দিয়াৰ উপৰি গোটাচেৰেক ভোট জলকীয়া পিটিকি দিছিলো বুজিছানে। গতিকে সেইটোৱে কামত দিলে। অমুকাৰ এনেকুৱা ৰন্ধা খাব লাগিলে দেহা আধ্যা পৰিব বুলি অনুমান কৰি বেচেৰীহঁতে বাট নলৈ নোৱাৰিলে...। অমুকাৰ কথাখিনি শেষ হ'বলৈহে পালে মুহূৰ্ততে মায়ে সোলা মুখখন ডাঙৰকৈ মেলি সাং সাংকৈ হাঁহিবলৈ ধৰিলে।

# নিৰ্বাচনলৈ সলনি নহয় সভাপতি

প্ৰদানৰ বিষয়টোকে মূল ইছ্যু হিচাপে লৈ গেৰুৱা দলটোৱে অসমত আগত নিৰ্বাচনত অৱতীৰ্ণ হ'ব বুলিও জানিব পৰা গৈছে। অসমত নতুন আৰু পুৰণি বিজেপি কৰ্মীৰ মাজত আৰম্ভ হোৱা মনোমালিন্য দূৰ কৰিবলৈ দলটোৱে ইতিমধ্যে জনসম্পৰ্ক অভিযান আৰম্ভ কৰিছে। এই অভিযানতে ন পুৰণি বিজেপিৰ সংঘাতৰ অৱসান ঘটিব বুলি আশা কৰিছে দলটোৰ নেতৃত্বই। ইয়াৰ মাজতে অৱশ্যে কেইখনমান জিলাত বিজেপিৰ দলীয় নেত-কৰ্মীৰ মাজত হোৱা মনোমালিন্যৰ বহিঃ প্ৰকাশ ঘটাত দলটোৰ ৰাজ্যিক সভাপতিগৰাকী সলনি হ'ব বুলি এচামে প্ৰচাৰ চলাইছিল যদিও এই সম্ভাৱনাকো নাকচ কৰিছে দলৰ নতুন দিল্লীৰ এটা সূত্ৰই। এই সূত্ৰটোৱে সদৰী কৰা অনুসৰি নতুন আৰু পুৰণি দুয়োটা চামে বিজেপিৰ বৰ্তমানৰ ৰাজ্যিক সভাপতিগৰাকীক মানি চলে। তদুপৰি বৰ্তমানৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতাই দলটোক শক্তিশালী কৰি ৰাখিবলৈ চেষ্টা অব্যাহত ৰাখিছে। তেনে ক্ষেত্ৰত ভৱেশ কলিতাক সভাপতি পদৰ পৰা আতৰালে দলীয় নেতা-কৰ্মীসকলৰ মাজত অসন্তুষ্টিহে বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। এই দিশটোৰ প্ৰতি লক্ষ্য ৰাখিয়ে আগত লোকসভা নিৰ্বাচন পৰ্যন্ত ভৱেশ কলিতাক বিজেপিৰ ৰাজ্যিক সভাপতি পদৰ পৰা আতৰোৱাৰ সিদ্ধান্ত কেন্দ্ৰীয় নেতৃত্বই গ্ৰহণ গ্ৰহণ নকৰে বুলি জানিব পৰা গৈছে।

# ভাৰত-ভুটান সীমান্তত যাতায়াতত যমৰ

পিছটো আজিলৈকে উন্নয়ৰ কোনো পোহৰ নপৰাত গাঁওকেইখনত বসবাস কৰা জনসাধাৰণে যমৰ যাতনা ভুগি আহিছে। গাঁওকেইখনৰে বলেন বসুমতাৰী, বিজয় বসুমতাৰী, চবিত চৰেন আৰু ছলেমান মুৰ্মুৱে গাঁওকেইখনৰ বিভিন্ন সমস্যাৰ বিষয়ে বৰ্ণনা কৰি কয় যে তামুলপুৰ ৰাজহ চক্ৰৰ অন্তৰ্ভুক্ত এই গাঁওসমূহত আজিলৈকে কোনো ধৰণৰ পকী বাট-পথ, চিকিৎসা ব্যৱস্থা, চৰকাৰী বিদ্যালয় নাই। এই বৃহৎ অঞ্চলটোৰ পৰা প্ৰায় ২০ কিলোমিটাৰ দূৰতহে আছে চিকিৎসালয় আৰু বিদ্যালয়। চিকিৎসালয় অথবা বিদ্যালয়লৈ ছাত্ৰ-ছাত্ৰীসকলে যাবলৈ ব্যৱহাৰ কৰা একমাত্ৰ মুখ্য পথটোৰ মাজত আছে বাল্টি নদী। এই নৈখনৰ ওপৰত আজিলৈকে নিৰ্মাণ নহ'ল এখন পকী দলং। খৰস্ৰোতা বাল্টি নৈৰ ওপৰত আজিলৈ এখন পকী দলং নিৰ্মাণ নোহোৱাত নৈৰ বুকুৰে বছৰ বছৰ ধৰি অহা-যোৱা কৰিছে ৰাইজৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে। নৈখনৰ পানী বৃদ্ধি হ'লে গাঁওকেইখনত বসবাস কৰা পৰিয়ালৰ লোকৰ বেমাৰ-আজাৰ হ'লে ভাৰ বান্ধি কান্ধত পাৰ কৰিব লাগে ৰোগীসকলক। গাঁওকেইখনত বসবাস কৰা প্ৰায় ৪০০ টাৰো অধিক পৰিয়ালৰ মাজত কেইবাহেজাৰ লোকে বিগত বছৰ বছৰ ধৰি সন্মুখীন হৈ আহিছে এই বৃহৎ সমস্যাৰ। বাৰিষাৰ সময়ছোৱাত নৈৰ পানী বৃদ্ধি পালে প্ৰায়ে এমাহ পৰ্যন্ত বন্ধ হৈ পৰে যাতায়াত ব্যৱস্থা। ফলস্বৰূপে সময়ত উচিত চিকিৎসা নাপাই ইতিমধ্যে বহু ৰোগীৰ মৃত্যুও হৈছে। ইফালে নৈৰ পানী বৃদ্ধি পালে উপযুক্ত শিক্ষা ব্যৱস্থাৰ পৰা বঞ্চিত হৈ পৰীক্ষাতো বহিব নোৱাৰে বহু শিক্ষাৰ্থীয়ে। গাঁওবাসীয়ে জানিবলৈ দিয়া মতে বিগত দিনত বিপদসংকুলভাৱে নৈ পাৰ হ'ব লওঁতে পানীত উটি গৈ কেইবাজনো লোক মৃত্যুমুখতো পৰিব লগা হৈছে। বাট-পথৰ অৱস্থা অতি শোচনীয় হোৱা বাবে এইসমূহ গাঁৱত নাহে কোনো এম্বুলেন্স অথবা বাছ। অঞ্চলসমূহৰ লোকে চৰকাৰ অথবা বিভাগীয় লোকক বাৰম্বাৰ কাকুতি-মিনতি কৰিও পোৱা নাই কোনো ধৰণৰ সুব্যৱস্থা। অভিযোগ অনুসৰি নিৰ্বাচনৰ সময়তে ভোট ভিক্ষা কৰিব অহা নেতাসকলেও পিছলৈ পাহৰি যায় অঞ্চলবাসীক দিয়া সকলো প্ৰতিশ্ৰুতি। স্থানীয় বিধায়ক জলেন দৈমাৰী আৰু মাত্ৰ কিছু কিলোমিটাৰ দূৰত্বত বাস কৰা বিটিচিৰ দায়িত্বশীল এগৰাকী কাৰ্যবাহী সদস্য তথা স্থানীয় জনপ্ৰতিনিধি ধৰ্মনাৰায়ণ দাসেও এইসকল লোকৰ কোনো ধৰণৰ খবৰ নোলোৱাৰ অভিযোগ উত্থাপন কৰিছে গাঁওবাসীয়ে। বৰ্তমান চৰকাৰে বিভিন্ন সময়ত বহু অভিলাষী আঁচনি গ্ৰহণ কৰা সত্বেও এইসমূহ গাঁৱত আজিও ৰাইজে আঁচনিৰ পৰা বঞ্চিত হৈ আহিছে। সেয়েহে ৰাইজে সময় থাকোতে ভাৰত-ভুটান সীমান্তত অৱস্থিত গাঁওকেইখনৰ উন্নয়নৰ দিশত চকু দিবলৈ অসম চৰকাৰ তথা বিটিআৰ চৰকাৰক দাবী জনাইছে।

# খিলঞ্জীয়া জনগোষ্ঠীৰ অধিকাৰ-স্বাৰ্থ

গোষ্ঠীৰ ভাষা, কলা-সংস্কৃতি, ধৰ্মীয় বিশ্বাস আদি সংৰক্ষণৰ বাবে নিৰন্তৰ প্ৰয়াস অব্যাহত ৰাখিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে নতুনকৈ গঠন কৰা খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগে বিভিন্ন জনগোষ্ঠীৰ ভাষা, কলা-সংস্কৃতি, ধৰ্মীয় বিশ্বাস আদি সংৰক্ষণৰ দিশত পদক্ষেপ লৈছে। ইয়াৰ অংশ হিচাপে আজিৰ এই অনুষ্ঠানৰ জৰিয়তে অসমৰ ২২ খন জিলাৰ ১৮ টা অনুষ্ঠানলৈ ১০ লাখ টকাকৈ সৰ্বমুঠ ১.৮০ কোটি টকা আৰু ৭৩ খন উপসনাথলীলৈ ৫ লাখ টকা আগবঢ়োৱা হৈছে বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে ব্যক্তিয়ে যি ধৰ্মক বিশ্বাস কৰে সেই ধৰ্মতে উপাসনা কৰিব পাৰে বুলি ভাৰতৰ সংবিধানৰ ২৫ অনুচ্ছেদত উল্লেখ আছে। ব্যক্তিৰ ধৰ্ম, বিশ্বাস আৰু সংস্কৃতি সুৰক্ষাৰ বাবে সংবিধান প্ৰণেতাসকলে এক ইতিবাচক অনুচ্ছেদ এটা সন্নিৱিষ্ট কৰিছে বুলি উল্লেখ কৰে। তেওঁ কয় যে প্ৰলোভন বা আন কিবা উপায়েৰে বা আন মাধ্যমেৰে ধৰ্ম সলনি কৰাৰ ক্ষেত্ৰত প্ৰেৰণা যোগোৱাটো উচিত নহয়। অনাদি কালৰে পৰা প্ৰকৃতিৰ সৈতে যুঁজ দি জনজাতীয় সমাজখনে নিজস্ব বিশ্বাসৰ সৈতে হাজাৰ হাজাৰ বছৰ ধৰি জীৱননিৰ্বাহ কৰি আহিছে বুলি মন্তব্য কৰি তেওঁ কয় যে অসমীয়া জনজাতীয় সমাজখন ৫০০ বছৰৰ ভিতৰত সৃষ্টি হোৱা সমাজ নহয়। হাজাৰ হাজাৰ বছৰ ধৰি এই সমাজ বৰ্তি আছে। তেওঁ কয় যে বিভিন্ন জনজাতীয় লোকসকলে তেওঁলোকৰ নিজস্ব ৰীতি-নীতিৰে ধৰ্মীয় বিশ্বাস মানি আহিছে। শক্তিত বিশ্বাস আছে বাবেই আমাৰ জনগোষ্ঠীসমূহ হাজাৰ হাজাৰ বছৰ ধৰি জীয়াই আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আধুনিকতাৰ সৈতে প্ৰতিযোগিতা কৰিব নোৱাৰা বাবে বহু ধৰ্মীয় বিশ্বাসৰ বিলুপ্তি হ'বলৈ আৰম্ভ কৰিছে। তেওঁ লগতে কয় যে উত্তৰ পূৰ্বাঞ্চলৰ বহু ধৰ্মীয় বিশ্বাস আজি বিলুপ্ত হৈ গৈছে। ধৰ্মীয় বিশ্বাসসমূহ পৃথিৱীৰ পৰম্পৰা বুলি মন্তব্য কৰি তেওঁ কয় যে বহু হাজাৰ বছৰীয়া পৰম্পৰা আৰ্থিক দিশেৰে গণ্য কৰি জলাঞ্জলি দিয়াটো কাৰো বাবে কাম্য হ'ব নোৱাৰে। তেওঁ কয় যে বহু জনজাতীয় লোকে আজি বিভিন্ন সংস্কৃতি গ্ৰহণ কৰিছে। ভাষা লুপ্ত হ'লে পৃথিৱীৰ পৰম্পৰা লুপ্ত হয় বুলি উল্লেখ কৰি তেওঁ কয় যে ধৰ্ম এটা বিলুপ্ত হ'লে চহকী পৰম্পৰা এটাও নোহোৱা হৈ যায়। হাজাৰ হাজাৰ বছৰীয়া পৰম্পৰা বিলুপ্তি হ'বলৈ দিয়া উচিত নহয় বুলিও মুখ্যমন্ত্ৰীয়ে কয়। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ধৰ্মৰ পৰাহে সংস্কৃতিৰ সৃষ্টি হৈছে। নৃত্য-গীত নেদেখা জনক সন্তুষ্ট কৰাৰ বাবে সৃষ্টি হৈছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কালক্ৰমত ইয়ে সংস্কৃতিলৈ ৰূপান্তৰিত হয়। জনজাতীয় সমাজখনৰ ধৰ্ম, সংস্কৃতি আৰু বিশ্বাসক সন্মান জনালে সমাজখন সুন্দৰ হৈ থাকিব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গুৱাহাটীত জনজাতীয় লোকসকলৰ ধৰ্ম আৰু বিশ্বাসক প্ৰতিফলিত কৰিব পৰাকৈ এক ধৰ্মীয় মহোৎসৱৰ আয়োজন কৰা হ'ব। তেওঁ লগতে কয় যে জনজাতীয় আধ্যাত্মিক থলীলৈ ৰাজ্য চৰকাৰে সহায় আগবঢ়াব। খিলঞ্জীয়া খেলসমূহক আগুৱাই নিয়াৰ বাবে ক্ৰীড়া মহোৎসৱৰ আয়োজন কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই অনুষ্ঠানত ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম, শক্তি মন্ত্ৰী নন্দিতা গৰ্লোচা, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহল, মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব তথা সাংসদ পবিত্ৰ মাৰ্ঘেৰিটা, কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, বিধায়ক মানৱ ডেকা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

# কামৰূপ মহানগৰত গ্ৰীষ্মকালীন কৰ্মশালা

## পলাশবাৰীৰ নহিৰা গোধাপাৰাত বিনামূলীয়া চিকিৎসা শিবিৰ

**অসম ভূমি সেৱা, আজাৰাঃ** পলাশবাৰী সমষ্টিৰ নহিৰা গোধাপাৰা বেডমিণ্টন ক্লাবৰ উদ্যোগত আৰু শোভা মেডিক'জ বিজয়নগৰৰ সৌজন্যত নহিৰা গোধাপাৰাৰ শ্ৰীশ্ৰীবুঢ়া ভাঙৰা গোসাঁই ঘৰ প্ৰাংগণত যোৱা ১৬ জুলাইত এটি বিনামূলীয়া স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। শিবিৰত মেডিচিন বিভাগৰ অভিজ্ঞ চিকিৎসক ডাঃ জয়ন্ত দাস, প্ৰসূতি বিভাগৰ ডাঃ গায়িত্ৰী শৰ্মা আৰু দাঁতৰ চিকিৎসক আস্থা আগৰৱালে



অঞ্চলটোৰ দুই শতাধিক লোকক বিভিন্ন ৰোগৰ চিকিৎসা সেৱা প্ৰদান কৰাৰ লগতে বিনামূলীয়া ঔষধ বিতৰণ কৰে। উক্ত শিবিৰত শোভা মেডিক'জৰ স্বত্বাধিকাৰী যুগল নাথ, নহিৰা গোধাপাৰা শ্ৰীশ্ৰীবুঢ়া ভাঙৰা গোসাঁই ঘৰৰ সভাপতি জ্যোতিষ ভাগৱতী, সম্পাদক কমলেশ্বৰ শৰ্মা, নহিৰা গোধাপাৰা বেডমিণ্টন ক্লাবৰ সভাপতি মুনীন্দ্ৰ দাসৰ লগতে বহুকেইজন বিশিষ্ট লোক উপস্থিত থাকে। স্বাস্থ্য শিবিৰত জুতিকা ঠাকুৰীয়া, গোপাল দাস আৰু শচীন্দ্ৰ দাসে বিশেষভাৱে সহযোগিতা আগবঢ়ায়। উক্ত বিনামূলীয়া স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰাৰ বাবে অঞ্চলটোৰ ৰাইজে উদ্যোক্তাসকলক ভূয়সী প্ৰশংসা কৰিছে।


সাপ্তাহিক অসম ভূমিলৈ বা-বাতৰি, লেখা প্ৰেৰণৰ বাবে যোগাযোগ নম্বৰ-
৯৮৫৯১-৯৪৫৩৫
৯৮৬৪৫-২৮৫২৩
ই-মেইল ঃ
ssplghy@gmail.com

## শিক্ষাৰ্থীৰ বৌদ্ধিক, মানসিক বিকাশৰ লক্ষ্য

**গুৱাহাটী ঃ** অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু কামৰূপ (মহানগৰ) জিলা প্ৰশাসনৰ সহযোগত ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক আৰু মানসিক বিকাশৰ উদ্দেশ্যৰে জিলাখনৰ চাৰিওটা বিধানসভা সমষ্টিত গ্ৰীষ্মকালীন কৰ্মশালাৰ আয়োজন কৰা হৈছে। দহদিনীয়াকৈ ষষ্ঠ শ্ৰেণীৰ পৰা স্নাতক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আয়োজন কৰা কৰ্মশালা দিছপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত সোণাপুৰৰ হহৰা হাইস্কুলত আৰম্ভ হৈছে। এই কৰ্মশালাত ছাত্ৰ-ছাত্ৰীসকলক কাৰ্বি আৰু তিৱা লোকনৃত্য শিকোৱা হ'ব। দিছপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত হেঙেৰাবাৰীত থকা প্ৰীতিৰেখা কলা আৰু সংস্কৃতি বিদ্যালয়ত ১৭ জুলাইৰ পৰা টোকাৰী গীত আৰু দিহানামৰ কৰ্মশালা আৰম্ভ হয়। ১৭ জুলাইৰ পৰা পশ্চিম গুৱাহাটী বিধানসভা সমষ্টিৰ সাওকুছি তিনিআলিত থকা বেটকুছি হাইস্কুলত নাটক আৰু পামহিত থকা পাৰিজাত একাডেমীত সত্ৰীয়া নৃত্যৰ কৰ্মশালা আৰম্ভ হয়। একেদৰে জালুকবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত কামাখ্যা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১৭ জুলাইৰ পৰা নাটকৰ কৰ্মশালা আৰম্ভ হয়। পূব গুৱাহাটী বিধানসভা সমষ্টিৰ উজানবজাৰৰ বাৰোৱাৰীত থকা প্ৰগতি শিল্পী সংঘত আবৃত্তিৰ আৰু চানমাৰিস্থিত গুৱাহাটী কমাৰ্চ কলেজত কামৰূপীয়া লোকগীত আৰু নিচুকনি গীতৰ কৰ্মশালা ১৮ জুলাইৰ পৰা আৰম্ভ হয়। কৰ্মশালাত ছাত্ৰ-ছাত্ৰীসকলক বিশেষজ্ঞৰ দ্বাৰা নাটক, কবিতা আবৃত্তি, সত্ৰীয়া নৃত্য, লোকগীত, লোকনৃত্য ইত্যাদিৰ প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।







অসম ভূমি ১৯ জুলাই, ২০২৩

সম্পাদকৰ মেজৰ পৰা ...

# উমৈহতীয়া ভাষানীতি

ভাষা এটা শুদ্ধভাৱে আয়ত্ত কৰিবলৈ, লিখিবলৈ হ'লে বানান, ব্যাকৰণো জানিব লাগিব। বানান, ব্যাকৰণৰ জ্ঞান নাথাকিলে আমি কোৱা বিশেষকৈ লিখা বাক্য-শব্দবোৰৰ বহুক্ষেত্ৰত অৰ্থই অন্য ধৰণৰ হৈ পৰিব। এই কথাত কাৰো দ্বিমত নাই যে সংবাদ মাধ্যমৰ প্ৰচাৰ মাধ্যমৰ ভাষাই সাধাৰণ মানুহক বাৰুকৈয়ে প্ৰভাৱিত কৰে। অসমত প্ৰতিদিনে কেই বাখনো বাতৰি কাকত প্ৰকাশ পায়। সাপ্তাহিক, মাহেকীয়া কাকত-আলোচনীৰ সংখ্যাও কম নহয়। কিন্তু এই বাতৰি কাকতসমূহত প্ৰকাশিত কিছুমান শব্দৰে বানান এখন কাকতৰ লগত আন এখনৰ নিমিলে। অৰ্থাৎ ভাষা ৰীতি সুকীয়া। ইয়াৰ ফলত পাঠক সমাজৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি হয়। কোন শব্দৰ বানান শুদ্ধ বুলি গ্ৰহণ কৰিব। ইয়াৰ কাৰণ হৈছে অভিধান। বৰ্তমান বজাৰত সহজলক্ষ্য বহু লেখকৰ অভিধান। সংবাদ মাধ্যমেও এনে অভিধান অনুসৰণ কৰিয়েই চলে। কিন্তু দেখা গৈছে একাংশ অভিধানৰ শব্দৰ বানান আন এখনৰ লগত নিমিলে। ক'ৰবাত যদি 'ি' দিয়া আছে ক'ৰবাত আকৌ 'ী' আছে। বাতৰি কাকতসমূহে যিহেতু প্ৰত্যেকেই বেলেগ বেলেগ অভিধান ব্যৱহাৰ কৰে তেনেক্ষেত্ৰত শব্দৰ বানানো কিছুমানৰ ক্ষেত্ৰত ভিন ভিন হ'ব পাৰে। অৱশ্যে এনে শব্দৰ সংখ্যা তাকৰ হ'লেও নথকা নহয়। ফলত স্বাভাৱিকতে বিভ্ৰান্ত হৈ পৰে পাঠক ৰাইজ। কোনটোক শুদ্ধভাৱে গ্ৰহণ কৰিব। এনে সময়তে উমৈহতীয়া ভাষানীতিৰ প্ৰসংগ উত্থাপন কৰিছে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক, ভাষাবিদ ড° উপেন ৰাভা হাকাচামে। যোৱা ১৫ আৰু ১৬ জুলাইত গুৱাহাটী প্ৰেছ একাডেমীয়ে লক্ষ্মীৰাম বৰুৱা সদনত অনুষ্ঠিত কৰিছিল এখন সাংবাদিক কৰ্মশালা। এই কৰ্মশালাৰ দ্বিতীয় দিনা 'প্ৰচাৰ মাধ্যমৰ ভাষা' শীৰ্ষক আলোচনাত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি অধ্যাপক ড° উপেন ৰাভা হাকাচামে অসমৰ প্ৰচাৰ-সংবাদ মাধ্যমক সুকীয়া ভাষাৰীতি, বানান নীতি গ্ৰহণৰ পৰিৱৰ্তে উমৈহতীয়া ভাষাৰীতি গ্ৰহণৰ আহ্বান জনায়। ড° হাকাচামৰ এই আহ্বান সময়োচিত হিচাপে বিবেচিত হৈছে। অসমৰ সংবাদ মাধ্যমে যদি বিজ্ঞানসন্মত অভিধান ব্যৱহাৰ কৰি উমৈহতীয়া ভাষাৰীতি আৰু বানান নীতি গ্ৰহণ কৰে, তেন্তে ইয়াৰ পৰা অসমীয়া ভাষাটোৰ ব্যৱহাৰ শুদ্ধ হোৱাৰ লগতে নতুন প্ৰজন্মও বিশেষভাৱে উপকৃত হ'ব।



# পশ্চিম গুৱাহাটী অঞ্চলৰ সামাজিক পটভূমি

**লীলাধৰ হাজৰিকা**

পশ্চিম গুৱাহাটী বুলি কওঁতে ভৰলু নদীৰ পৰা ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে পলাশবাৰী বিধানসভা সমষ্টিয়ে সামৰি লোৱা আগচিয়ালৈ অন্তৰ্ভুক্ত কৰিব পাৰি। ব্ৰহ্মপুত্ৰ নদীৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ গড়চুক হৈ মইনাখোৰোঙেদি ৰাণীলৈ আৰু তাৰ পৰা ধাৰাপুৰৰ পশ্চিমফালে থকা গড়ল, ভট্টাপাৰা, মাজিৰগাঁও আদিক সামৰি পশ্চিম গুৱাহাটী অঞ্চলৰ সামাজিক পটভূমিৰ কথা এই নিবন্ধত আলোচনা কৰিবলৈ চেষ্টা কৰিম। আমাৰ এই আলোচনাত কোনো চৰকাৰী তথ্যৰ আলমত অঞ্চলটোৰ সামাজিক পটভূমিৰ বিচাৰ কৰিবলৈ লোৱা নাই। পশ্চিম গুৱাহাটী ছাত্ৰ সন্থাৰ অন্তৰ্গত অঞ্চল হিচাপেও এই আলোচনা কৰা নাই। পূৰ্বতে এই অঞ্চলটো ৰামচাৰণি, আজাৰা আৰু ৰাণী মৌজাই আগুৰি আছিল। বৰ্তমানে গুৱাহাটী মহানগৰখন বৰ্ধিত হৈ এই অঞ্চলত ভালেকেইটা ৱাৰ্ডৰ সৃষ্টি হৈছে। পশ্চিম গুৱাহাটীৰ বিস্তৰ অংশ বৰ্তমানে জালুকবাৰী মৌজাই আগুৰি আছে। জালুকবাৰী নামটোৰে আজিকালি গুৱাহাটী বিশ্ববিদ্যালয়ত অৱস্থিত ঠাইখিনিকেই বুজায় যদিও জালুকবাৰী মৌজাই পশ্চিম গুৱাহাটীৰ সৰহ অংশই আগুৰি আছে। গুৱাহাটী পৌৰ নিগম হোৱাৰ পাছৰে পৰা শাসনৰ সুবিধাৰ বাবে ৰামচাৰণি মৌজাৰ এটা অংশ কাটি আনি জালুকবাৰী মৌজাৰ অন্তৰ্ভুক্ত কৰে। বৰ্তমানৰ পশ্চিম গুৱাহাটী অঞ্চলটো জালুকবাৰী, ৰামচাৰণি, আজাৰা আৰু ৰাণী মৌজাই আগুৰি আছে।

জালুকবাৰী মৌজাৰ গাঁওসমূহক প্ৰকৃত অৰ্থত গাঁও বুলিবলৈ টান। এই মৌজাখনে ২৪ খন গাঁও আগুৰি আছে। চৰকাৰী নথি-পত্ৰত ২৪ খন গাঁৱৰ নাম আছে যদিও প্ৰকৃত অৰ্থত আৰু এঘাৰখনমান গাঁৱৰ নাম বাদ পৰি গৈছে। চৰকাৰী নথি-পত্ৰত থকা গাঁওকেইখন হ'ল— দেহান গাড়ীগাঁও, কছাৰী গাড়ীগাঁও, পশ্চিম জালুকবাৰী, মালিগাঁও, মালিগাঁও ননকে, কামাখ্যা, দুৰ্গা সৰোবৰ, দুৰ্গা সৰোবৰ ননকে, গোটানগৰ, গোটানগৰ ননকে, ফটাশিল ননকে, ভৰলুমুখ, ভৰলুমুখ ননকে, তেতেলীয়া, তেতেলীয়া ননকে, পূব বৰগাঁও ননকে, পূব বৰগাঁও, পশ্চিম বৰাগাঁও, পশ্চিম বৰগাঁও ননকে। ইয়াৰ উপৰি পদুমবৰী, সুন্দৰবৰী, মালিগাঁও, বৰিপাৰা, পাণ্ডুনাথ, কটাহবাৰী, দোৱাপাৰা, গোশালা, গণেশপাৰা, ধীৰেনপাৰা, নীলাচলপুৰ, বেজবৰুৱা নগৰ, শান্তিপুৰ, আদিংগিৰি, সদিলাপুৰ আদিৰ নাম উল্লেখ নাই। বৰ্তমান জালুকবাৰী মৌজাৰ পূব দিশৰ সীমা হৈছে ভৰলু নদীৰ পৰা আমবাৰী ফটাশিলৰ পৰা গড়চুক হৈ ৩৭ নং ৰাষ্ট্ৰীয় পথেৰে পশ্চিমলৈ আহি বৰাগাঁও তেতেলীয়া হৈ পশ্চিমে খনাজান নদীলৈকে। উত্তৰে ব্ৰহ্মপুত্ৰ নদ, দক্ষিণে দীপৰ বিল। বৰ্তমান জালুকবাৰী মৌজাই গুৱাহাটী পৌৰ নিগমৰ ১ নং, ২ নং, ৩ নং, ৫ নং, ১০ নং, ১১ নং, ১৩ নং ৱাৰ্ড আগুৰি আছে। জালুকবাৰীৰ ইতিহাস চৰ্চাৰ লগত জালুকবাৰী মৌজাৰ ইতিহাসৰ কথাটো জড়িত হৈ আছে। এই মৌজাৰ অন্তৰ্গত গাঁওসমূহৰ মুঠ জনসংখ্যা গুৱাহাটী পৌৰ নিগমৰ এক ষষ্ঠাংশৰ সমানুপাতিক হ'ব।

পশ্চিম গুৱাহাটীৰ আন এটা মৌজা হৈছে ৰামচাৰণি। এই মৌজাই খনাজান নদীৰ পশ্চিম দিশত থকা খনামুখ জঙৰাবৰি, বৰিপাৰা, ধাৰাপুৰ, ধোপৰতল, গড়ল, কেন্দুকুছি, ভট্টাপাৰা, মজুলি, মাজিৰগাঁও আদি আৱৰি আছে। আনহাতে আকৌ আজাৰাৰ ওচৰৰ বঙৰা ৰায়বৰি, বৰঝাৰ, কাঁহিকুছি, আল্লিৰল্লি কেওটপাৰা, ভিআইপি, পাটগাঁও, চকৰ্দো, দেওছটাল, মাঘপাৰা, মইনাখোৰোং, ছাটাৰ গাঁও আদি অঞ্চল আজাৰা মৌজাই আৱৰি আছে। ৰাণী অঞ্চলো পশ্চিম গুৱাহাটীৰ অন্তৰ্ভুক্ত কৰিব পাৰি। ৰাণীৰ ঐতিহাসিক কীৰ্তি পোৱা যায় এই ৰাজ্যৰ ৰজা আৰু অসমৰ সৰ্ববৃহৎ বিমানঘাটীটোও আছে। পশ্চিম গুৱাহাটীৰ ভালেমান ঠাই পাহাৰে আৱৰি আছে। পাহাৰে আৱৰি থকা ঠাইসমূহ হৈছে ফটাশিল পাহাৰ, আদিংগিৰ পাহাৰ, দুৰ্গা সৰোবৰৰ দাঁতিৰ পাহাৰ, নীলাচল পাহাৰ, খাজদি পাহাৰ, চক্ৰশিলা পাহাৰ, গোশালা পাহাৰ, গোটানগৰ পাহাৰ, কটাহবাৰী, গণেশপাৰা, গড়চুক, দোৱাপাৰা, জালুকবাৰীৰ লংকেশ্বৰ পাহাৰ, চকৰ্দো, দেওছটাল, মইনাখোৰোং, পামহি, ছাটাৰগাঁও, ৰাণী আদি। পশ্চিম গুৱাহাটী অঞ্চলতেই অৱস্থিত ৰাষ্ট্ৰীয় পৰ্যায়ত বহু চৰ্চিত আৰ্দ্ৰভূমি তথা পক্ষী অভয়াৰণ্য দীপৰ বিল আৰু বৰহোলা বিল। ইয়াৰ উপৰি আৰু অসংখ্য সৰু-বৰ বিল আছে। পাহাৰবোৰত নেপালী, গোৰো, বড়ো, কাৰ্বি, ৰাভা আদিৰ উপৰি বঙালী, বিহাৰী, পাঞ্জাবী লোকেও বসবাস কৰিবলৈ লৈছে। পাহাৰুৱা অঞ্চলত বসবাস কৰা লোকসকলে অঞ্চলটোৰ শিক্ষা-দীক্ষাত কিছু বাধাৰ সৃষ্টি কৰিছে।

সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত পশ্চিম গুৱাহাটী অঞ্চলটোৰ কেইখনমান ঠাই যেনেকৈ আগবঢ়া সেই অনুপাতে কিছুমান গাঁও অতি পিছপৰা। সাহিত্য-সংস্কৃতিমূলক নানান অনুষ্ঠান-প্ৰতিষ্ঠান এই অঞ্চলটোত আছে। সাহিত্য-সংস্কৃতিমূলক অনুষ্ঠানবোৰৰ ভিতৰত জালুকবাৰী সাহিত্য সভা, বহ্নিমান সাহিত্য সমাজ, পশ্চিম গুৱাহাটী সাহিত্য সভা, *১২ পৃষ্ঠাত*

# কিশোৰ কুমাৰ কলিতাৰ সৃষ্টি আৰু কৃতী



অসমীয়া সাহিত্যৰ বহল পথাৰখনৰ এটা পৰিচিত নাম কিশোৰ কুমাৰ কলিতা। দক্ষিণ কামৰূপৰ নৈপৰীয়া দখলা গাঁৱত ১৯৮২ চনৰ ২৯ ছেপ্টেম্বৰত জন্মলাভ কৰা কবি, ঔপন্যাসিক, গল্পকাৰ, প্ৰবন্ধকাৰ,

**সুনীল দাস**

গীতিকাৰ কিশোৰ কুমাৰ কলিতাই অসমীয়া সাহিত্যৰ জগতখনত নিজকে সুন্দৰ ৰূপত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। আদৰ্শ পিতৃ স্বৰ্গীয় ললিত চন্দ্ৰ কলিতা আৰু মাতৃ পুতলী কলিতাৰ তৃতীয় সন্তান কিশোৰ কুমাৰ কলিতাই নৈপৰীয়া পৰিৱেশৰ মাজত ডাঙৰ-দীঘল হৈ চহা জীৱনটোক একপ্ৰকাৰ উদ্‌যাপন কৰিবলৈ প্ৰয়াস কৰিছে।

দীৰ্ঘদিন ধৰি ধাৰাবাহিকভাৱে সাহিত্য চৰ্চা কৰি অহা কিশোৰ কুমাৰ কলিতাই অসমীয়া সাহিত্যৰ ভঁৰাললৈ কেইবাখনো গ্ৰন্থ উপহাৰ হিচাপে দিবলৈ সক্ষম হৈছে। তেওঁ ৰচনা কৰা পাঁচখন উপন্যাস ক্ৰমে কালধুমুহা, কৃষ্ণচূড়াৰ ৰং, কল্লোলিনীৰ কল্লোল, কেঁচাসোণ আৰু কাদম্বৰী। মনোৰম চানডুবিৰ ক্ষেত্ৰভিত্তিক অধ্যয়নেৰে ইতিহাস আৰু কিংম্বদন্তি সামৰি ৰচনা কৰা 'কেঁচাসোণ' উপন্যাসৰ বাবে তেওঁক অসম সাহিত্য সভাই ২০০৪ বৰ্ষত ছিপাঝাৰ অধিৱেশনত 'গিৰিধৰ শৰ্মা বঁটা' আগবঢ়াইছিল। তেওঁৰ কবিতা পুথি ক্ৰমে 'কবিতা নুবুজা ছোৱালীজনী', 'কবিতা এটাৰ দৰেই হ'ব ব'হাগ' আৰু হৃদয়ৰ অনন্যা (যুটীয়া)। একমাত্ৰ প্ৰবন্ধ সংকলন 'কুকি'। ইতিমধ্যে কেইবাখনো মূল্যৱান গ্ৰন্থ, কাকত, আলোচনী আদিও সম্পাদনা কৰি আহিছে। পেছাগতভাৱে সাবাদিকতা কৰা কলিতাই কলেজীয়া দিনৰে পৰা দীৰ্ঘদিন ধৰি সাহিত্য চৰ্চা কৰি আহিছে। সাম্প্ৰতিক সময়ত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰকাশ হৈ অহা আগশাৰীৰ কাকত, আলোচনী, গ্ৰন্থ আদিত কলিতাৰ গল্প, কবিতা, প্ৰবন্ধ আদি ধাৰাবাহিকভাৱে প্ৰকাশ পাই আহিছে। অসমীয়া সাহিত্যত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা কলিতাই মহাবাহু ব্ৰহ্মপুত্ৰৰ বালিচৰত খেতি কৰিও অন্য এক নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হৈছে।

নিজৰ সৃষ্টিশীল প্ৰতিভাৰে সাহিত্য আৰু সাংবাদিকতাৰ ক্ষেত্ৰখনত নিষ্ঠাৰে বৰঙণি আগবঢ়োৱা বাবে তেওঁ ইতিমধ্যে বিভিন্ন দল-সংগঠনৰ পৰা আদৰ পাবলৈও সক্ষম হৈছে। 'কেঁচাসোণ' উপন্যাসৰ বাবে অসম সাহিত্য সভাই ২০০৪ বৰ্ষত ছিপাঝাৰ অধিৱেশনত 'গিৰিধৰ শৰ্মা বঁটা' আগবঢ়োৱাৰ লগতে ২০০৬ চনত কবি কল্পদ্রুম বঁটা, ২০১৩ বৰ্ষত ডিৰাই ৩৬৫ ৰ পৰা শ্ৰেষ্ঠ সাংবাদিকতাৰ বঁটা, ২০২১ বৰ্ষত 'শাশ্বত সাহিত্য বঁটা' আৰু আৰোহণ সাহিত্য বঁটা'ৰে বিভূষিত হৈছে। ২০২২ বৰ্ষত 'বৰলুইত বঁটা'ও লাভ কৰিছে। অসম চৰকাৰৰ পৰা লেখক সম্বৰ্ধনাও লাভ কৰিছে। ইতিমধ্যে নিষ্ঠাসহকাৰে ছপা আৰু বৈদ্যুতিন দুয়োটা মাধ্যমতে সাংবাদিকতা কৰি অহাৰ বাবেও বিভিন্ন ক্ষেত্ৰৰ পৰা সন্মান লাভ কৰিছে। গীত ৰচনাৰ ক্ষেত্ৰতো কলিতাই পিছ পৰি ৰোৱা নাই।

সাহিত্য চৰ্চাৰ সমান্তৰালভাৱে সাংবাদিকতা আৰু সামাজিক কাম-কাজতো সদায়েই নিয়োজিত হৈ আহিছে। নিজৰ ওপজা ঠাই নৈপৰীয়া দখলা বণিয়াপাৰাত সংঘ নিৰ্মাণ, গাঁওৰক্ষী বাহিনী গঠন আদি বিভিন্ন ক্ষেত্ৰত আগভাগ লৈ আহিছে। যিবোৰে তেওঁৰ সামাজিক দায়বদ্ধতাৰ নিদৰ্শন দাঙি ধৰিছে। নিজৰ সৃষ্টিশীল মন আৰু স্বকীয় প্ৰতিভাৰে অসমীয়া সমাজ জীৱনলৈ দি যাওক অলেখ উপহাৰ। তেওঁ দীৰ্ঘ জীৱন লাভ কৰাৰ কামনা কৰিলো।

# স্বৰ্গলৈ ঢেঁকী



অসমীয়া সমাজ জীৱনত এক বিশেষ স্থান তথা ঐতিহ্য বহন কৰা সঁজুলি হ'ল ঢেঁকী। অসমীয়া জনজীৱনৰ বিশেষকৈ গাঁও অঞ্চলত ঢেঁকীৰ জনপ্ৰিয়তা অধিক। ঢেঁকী আছিল ভগৱানৰ পৰম ভক্ত, ব্ৰহ্মদেৱৰ মানস পুত্ৰ দেৱৰ্ষি নাৰদৰ বাহন। গৱেষকসকলৰ মতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ অতীজৰ বাসিন্দাসকলৰ অৱদান আছিল ঢেঁকী। অসমৰ বাহিৰেও বাংলাদেশ, পশ্চিমবংগ আদি ঠাইতো ঢেঁকীয়ে এক বিশেষ সমাদৰ লাভ কৰিছিল।

অসমীয়া সমাজ ব্যৱস্থাত ঢেঁকী এক অভেদ্য অংগ বুলি ক'লেও ভুল কোৱা নহ'ব। বিশেষকৈ বিহুৰ সময়ত ইয়াৰ সমাদৰ লেখত ল'বলগীয়া আছিল। ব্যৱহাৰৰ ফালৰ পৰা চাবলৈ গ'লে কৃষিৰ লগত সম্বন্ধ থকা এবিধ সঁজুলি হ'ল ঢেঁকী। অসমীয়া বিহুগীতটো ইয়াৰ স্থান সুকীয়া লগতে লক্ষ্মীনাথ বেজবৰুৱাৰ তেজীমলা সাধুত ইয়াৰ এক উল্লেখ পোৱা যায়।

**জিন্টু চাংমাই**

প্ৰায় পাঁচ হাতমান দীঘল অৰ্থাৎ ৭ ফুটৰ পৰা ৯ ফুটমান দৈৰ্ঘ্যৰ আয়তাকাৰ কাঠৰ টুকুৰাৰ আগলৈ ফুটা কৰি তাত দীঘলীয়া কাঠৰ টুকুৰা এডাল লগোৱা হয় তাক সাধাৰণ অৰ্থত ঢেঁকীথোৱা বুলি কোৱা হয়। ইয়াৰ দৈৰ্ঘ্য প্ৰায় ছফুট। থোৱাটোৰ মূৰত লো বা লোহাৰ এটুকুৰা লগোৱা হয় তাক গুল বুলি কয়। থোৱাটোৰ সহায়ত খুন্দিবলৈ ব্যৱহাৰ কৰা অংশক খুবলি বুলি কোৱা হয়। ঢেঁকী দিবলৈ ভৰি ব্যৱহাৰ কৰা একেবাৰে পিছৰ অংশক ঢেঁকী নেজ বোলে। সেইখিনিৰ পৰাই অলপ আঁতৰতে এডাল শলাৰে ঢেঁকীৰ ভাৰসাম্য ৰক্ষা কৰা হয় যাক আখল শলা বা মলুৱা বাৰি বুলি কোৱা হয়। এই শলাডাল দুয়োফালে দুযোৰ ওৱাই (Y) আকৃতিৰ সৰু কাঠৰ বা বাঁহৰ খলি কটা খুঁটাত বহুৱাই ৰখা হয়। এই খুঁটাযোৰক কঁতৰা বুলি জনা যায়। ইয়াৰ উপৰি গুৰি কৰি থকা অংশখিনি খুবলিত ওলোৱা-সোমোৱা কৰিবলৈ এডাল দীঘল মাৰি অকলশৰীয়া ঢেঁকী দিওঁতাজনে ব্যৱহাৰ কৰে, যাক বঢ়নী মাৰি বোলে। ঢেঁকী নেজৰ সৈতে বন্ধা চালিৰ জৰীডালক ঢেঁকী জৰী বোলে। ঢেঁকী দিওঁতে ভাৰসাম্য ৰাখিবলৈ হাতেৰে ধৰা জৰীডালক সতিনী জৰী বোলা হয়।

যিটো ঘৰত ঢেঁকী পতা হয় তাক ঢেঁকীশাল বুলি জনা যায়। ঘৰটো সাধাৰণতে খেৰৰ চালি দি তৈয়াৰ কৰা হয়। অসমৰ দৰে ঢেঁকীৰ ব্যৱহাৰ পৃথিৱীৰ কোনো ঠাইতে কৰা নহয়। এসময়ত ঢেঁকী আছিল ধান বানিবলৈ ব্যৱহাৰ কৰা প্ৰধান আহিলা। লগতে ঢেঁকীৰ দ্বাৰাই চিৰা, পিঠাগুড়ি, সান্দহগুড়ি, উখুৱা চাউল, কোমল চাউল, হালধি আদি মছলাজাতীয় বস্তু খুন্দা হৈছিল।

ওচৰ-চুবুৰীয়াৰ লগতে ঘৰৰ জীয়ৰী-বোৱাৰী লগ হৈ ৰাতি বহু পৰলৈ ঢেঁকী দিয়াৰ কথাটো এতিয়া বিৰল দৃশ্য। কাৰণ সময়ৰ লগে লগে আধুনিক ব্যৱস্থাই আমাৰ জীৱন ধাৰণৰ প্ৰণালী সলনি কৰি পেলাইছে। আগতে এখন সংস্কৃতিৱান ঘৰৰ ক্ষেত্ৰত সকলোৰে উপৰি এটা ঢেঁকীশাল থকাটো অপৰিহাৰ্য আছিল। ঢেঁকীয়ে অসমীয়া সংস্কৃতিত এক মৰ্যাদাসম্পন্ন স্থান লাভ কৰিছিল। প্ৰবাদ, প্ৰবচন, পটন্তৰ, সাঁথৰ আৰু ফকৰা যোজনাৰ মাজটো ঢেঁকীৰ অস্তিত্ব পোৱা যায়।

পৰিৱৰ্তনৰ ধামখুমীয়াত বৰ্তমান সময়ত ঢেঁকী অসমীয়া সমাজৰ পৰা হেৰাই যোৱাৰ উপক্ৰম হৈছে, আধুনিকতাৰ সাজ পিন্ধি আমি পাহৰি পেলাইছো, আমাৰ সাহিত্য, সংস্কৃতি, সমাজ, পৰম্পৰা, ঐতিহ্য। ঠিক সেইদৰে এতিয়াৰ সময়ত ঢেঁকীৰ অস্তিত্ব বুলি ক'বলৈ গ'লে এপাচি শাকত এটা জালুকৰ লেখীয়া হৈছে। ক্ৰমাৎ গাঁওসমূহৰ পৰাও ঢেঁকী বোলা কথাটো, বিহুৰ সময়ত ৰাতি এপৰলৈকে শুনা গুমগুমনিৰ শব্দ আৰু ব্যস্ততাবোৰ আজি ঔষধত দিবলৈকো পাবলৈ নাই। এনেকৈ হ'লে এদিন ঢেঁকী পৃথিৱীৰ পৰা নাইকিয়া হ'বলৈ আৰু বেছিদিন নাই, সেই যে এষাৰ কথা মানুহৰ মুখে মুখে চলি আহিছিল যে ঢেঁকী স্বৰ্গলৈ গ'লেও ধান বানে। সেই কথা এতিয়া বাস্তৱ সপোন সপোন লগা কথাৰ দৰেই স্বৰ্গৰ ঢেঁকী সময়ৰ খোজত আকৌ যেন স্বৰ্গলৈ বাট লৈছে, নাৰদৰ বাহন হৈ জী ৰ'বলৈ।

# জীৱন দৰ্শন

হাঁহি আৰু কান্দোনেই মানৱ জীৱন

সঁচাকৈ মানৱ জীৱনটো হাঁহি আৰু কান্দোনৰ সমাহাৰ।

যিহেতু হাঁহি আৰু কান্দোনেই মানৱ জীৱন। সেয়েহে জীৱনটো হাঁহিৰেই ওপচাই পেলাব লাগে। কিয়নো হাঁহি হ'ল মানুহৰ জীয়াই

**নিজৰা বৰ্মন ডেকা**

থকাৰ মহৌষধ। ঔষধ ব্যৱহাৰ কৰি যিদৰে অসুস্থ মানুহক সুস্থ কৰিব পাৰি, ঠিক তেনেদৰে অসুস্থ মানুহ এজনক হাঁহিৰে কিছুদিন জীয়াই ৰাখিব পাৰি। গতিকে জীৱনটো সুন্দৰকৈ উপভোগ কৰিবলৈ হ'লে সুখ-দুখ সকলোখিনিকে হাঁহিৰে আদৰি ল'ব লাগিব।

আমি জানো যে দুখ অবিহনে সুখৰ সংজ্ঞা নিৰূপণ কৰিব নোৱাৰি। জীৱনত দুখ থাকিবই। কিন্তু দুখক বুকুৰ মাজত বৰপীৰাখন পাৰি দিয়াতকৈ দুখৰ মাজতেই সুখৰ সংজ্ঞা বিচাৰিলেহে হয়তো জীৱনত সুখী হ'ব পাৰি। জীৱনটো এখন দীঘলীয়া নাটকসদৃশ। য'ত বিভিন্ন ধৰণৰ ভাও দিব লাগিছে। কেতিয়াবা হাঁহিছো, কেতিয়াবা কান্দিছো, কেতিয়াবা নাচিছো, কেতিয়াবা গাইছো।

কেৱল মায়া-মোহত বন্দী হৈ নিজকে পাহৰি থাকো। এই পৃথিৱীত মানৱ হৈছে জীৱন নাটৰ ভাৱৰীয়া মাত্ৰ। এদিন ভাওনা শেষ হ'লে মাটিৰ পুতলাৰ দৰে মাটিৰ লগত মিলি যাব মানৱ জীৱন? ক্ষন্তেকীয়া মানৱ জীৱনৰ শোভাযাত্ৰাত মাথোঁ ৰোমন্থন হয় অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ সোণসেৰীয়া দিনৰ বেদনাসিক্ত এক অসমাপ্ত পাণ্ডুলিপি। লগতে এই যাত্ৰা পথত বিভিন্ন সময়ত পৰিস্থিতিৰ সৈতে আমি গৈ থাকো। যেনে— সুখ-দুখ, ভাল-বেয়া, হাঁহি-কান্দোন আদি বিভিন্ন সময়ত বিভিন্ন পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হয়। কিন্তু সূক্ষ্ম বিশ্লেষণেৰে পৰিস্থিতিক নিয়ন্ত্ৰণলৈ আনিব জানিলে আমি কেতিয়াও নিৰাশাত ভুগিব নালাগে। জীৱনত সন্মুখীন হোৱা আৱেগ, অনুভূতি, সফলতা, বিফলতা আদিৰ চাবিকাঠী আমাৰ নিজৰ নিয়ন্ত্ৰণত থাকে। সেয়ে আমি প্ৰত্যেকে আমাৰ নিজৰ জীৱনত তিনিটা কথা লক্ষ্য ৰাখি আগবাঢ়ি যাব লাগে। সেই তিনিটা কথা হ'ল— যোগাত্মক চিন্তা, একাগ্ৰতা আৰু সফলতা। এই তিনিওটা শব্দতে আমাৰ জীৱন-দৰ্শন প্ৰতিফলিত হোৱা দেখা যায়। লগতে জীৱন ধাৰণৰ সুন্দৰ সংজ্ঞা বিচাৰি পাওঁ। যোগাত্মক চিন্তা হ'ল মনৰ মাজত নিহিত হৈ থকা প্ৰবল অনুকূলমুখী ইচ্ছাশক্তি আৰু আত্মোৎকৰ্ষৰ সাধন। যোগাত্মক চিন্তাই আমাক জীয়াই থকাৰ কলা আয়ত্ত কৰাত সহায় কৰে। আৰু যোগাত্মক চিন্তাৰে আগবাঢ়িব পাৰিলে জীৱন অৰ্থপূৰ্ণ আৰু উপভোগ্য কৰি তুলিব পাৰি। যোগাত্মক চিন্তাই মনত সাহসৰ প্ৰসাৰতা বঢ়ায়, সাহসে চিন্তাশক্তি বৃদ্ধি কৰে। এতেকে চিন্তাশক্তিৰে জীৱনৰ পথত আগুৱাই গ'লে মনত ইতিবাচক সঁহাৰি পোৱা যায়। সেয়ে আমি সদায়ে যি কৰ্ম নকৰো কিয় সেই সকলো কৰ্ম কৰাৰ আগতে আমি সদায় যোগাত্মক চিন্তা-চৰ্চাৰে আগবাঢ়ি যাব লাগে।

দ্বিতীয়টো হৈছে একাগ্ৰতা। এই একাগ্ৰতা হৈছে মানৱ জীৱনৰ উন্নতিৰ ঘাইমন্ত্ৰ। জীৱনৰ প্ৰকৃত উদ্দেশ্য সফল কৰিবলৈ হ'লে একাগ্ৰতাৰ অতি প্ৰয়োজন। একাগ্ৰতাৰে জ্ঞান অৰ্জন কৰাত ব্ৰতী হ'লে যিকোনো কামত সফলতা লাভ কৰিব পাৰি। ছাত্ৰ ছাত্ৰীৰ বাবে এই একাগ্ৰতা অতি প্ৰয়োজন। এই সময়ত ছাত্ৰই একমুখী চিন্তাৰে আগবাঢ়িলে মনৰ চিন্তাশক্তি বৃদ্ধি পায়। একাগ্ৰতা চিত্তেৰে নিজৰ কাম কৰিলে জীৱনত কৃতকাৰ্যতা অনিবাৰ্য। নিজ লক্ষ্যত উপনীত হ'বলৈ হ'লে যিকোনো কামত একাগ্ৰতা থাকিব লাগিব।

কোনো কাম একাগ্ৰতাৰে কৰিলে সেই কামৰ প্ৰতি আগ্ৰহ বাঢ়ে আৰু কোনো কামৰ বাবে আগ্ৰহ বাঢ়িলে বুদ্ধি বাঢ়ে। আমি জানো যে বলেৰে নোৱৰা কাম মানুহে নিজৰ বুদ্ধিৰে সমাধা কৰিব পাৰে। একাগ্ৰতাৰে কৰা কামে মনত নিষ্ঠা বঢ়ায়, নিষ্ঠা থাকিলে মনত সততা বাঢ়ে আৰু সততাই দুৰন্ত অভিলাষ আৰু স্থিতপ্ৰজ্ঞ কৰি তোলে। জীৱন যাত্ৰাৰ পথত একাগ্ৰতা অবিহনে সফলতা অসম্ভৱ। একাগ্ৰতাৰ বাবেই মানুহে চন্দ্ৰত পদাৰ্পণ কৰিবলৈ সক্ষম হৈছে। এভাৰেষ্ট আৰোহণ কৰিব পাৰিছে। আকাশত বিচৰণ কৰিব পাৰিছে।

তৃতীয়তে হৈছে সফলতা। যোগাত্মক চিন্তা, একাগ্ৰতা আৰু অধ্যৱসায়ৰ ফলত জীৱনত সফলতা লাভ কৰিব পাৰি। একাগ্ৰতা হ'ল সফলতাৰ মাপকাঠী। মনৰ দৃঢ়তা আৰু একাগ্ৰতাৰে জীৱন যাত্ৰাৰ পথত আগবাঢ়ি গ'লে নিশ্চয় এদিন সফলতাৰ মুখ দেখিবলৈ সক্ষম হ'ব।

সেয়ে আমাক জীৱনকালত উন্নতিৰ জখলাত বগাবলৈ একাগ্ৰতা, যোগাত্মক চিন্তাৰ অতীৱ প্ৰয়োজনীয়। যাৰ ফলত সফলতা লাভ কৰিব সক্ষম হ'ব পৰা যায়।

মুঠৰ ওপৰত জীৱনৰ দীঘলীয়া শোভাযাত্ৰাত উন্নতিৰ ওখ টিঙত বগাবলৈ হ'লে যোগাত্মক চিন্তাৰে একাগ্ৰতা চিত্তেৰে কাম কৰি গ'লহে সফলতাৰ সুবাস বিয়পি পৰিব। আনহাতে আমাৰ জীৱন নাটৰ মূল নায়কজন যিহেতুকে আমি নিজে। সেয়েহে সদায়ে নিজক ভাল পাবলৈ শিকিব লাগে। সুখৰ পিছত দৌৰি ফুৰিব নালাগে। দুখৰ বিস্তীৰ্ণ পথাৰত হাবু-ডুবু খাই নুফুৰি সৰু সৰু কথাৰ মাজতে সুখৰ সন্ধান কৰিবলৈ সক্ষম হ'ব লাগে। কিয়নো পৃথিৱীৰ ভিতৰত একমাত্ৰ মানুহেহে এনেকুৱা প্ৰাণী যিয়ে নিজৰ বিবেক প্ৰয়োগ কৰি দক্ষতা আৰু পাৰদৰ্শিতাৰে চিন্তা-চৰ্চাৰ অনুপম সমল যোগাই নিজকে জীৱশ্ৰেষ্ঠ বুলি প্ৰতিপন্ন কৰিব পাৰিছে। প্ৰতিজন মানুহেই ব্যক্তি আৰু সমাজৰ মংগলৰ অৰ্থে ব্যথিত হোৱা উচিত। বিখ্যাত লেখক ৰাস্কিনে কৈছিল— প্ৰতিটো সূৰ্যোদয় জীৱনৰ আৰম্ভণি, প্ৰতিটো সূৰ্যাস্ত জীৱনৰ শেষ। এই কম সময়ৰ ভিতৰত প্ৰতিজন ব্যক্তিয়ে নিজৰ বাবে জ্ঞান আৰু শক্তি আহৰণ কৰাৰ উপৰি পৰোপকাৰী কামৰ খতিয়ান ৰাখি যাব লাগিব। যিহেতু জীৱনটো বৰ বিচিত্ৰময়। হাঁহে যেনেকৈ বোকাৰ পৰা গাখীৰখিনি গ্ৰহণ কৰে ঠিক তেনেকৈ আমিও বেয়া কাম বাদ দি ভালখিনি গ্ৰহণ কৰি নিজৰ মাজতেই দুখক কাটি কৰি থৈ আনন্দময় স্বপ্নবিলাসী মন এটি লৈ অনাগত দিনলৈ অগ্ৰসৰ হ'ব লাগে।

# পুৰণি বনাম আধুনিক পৰিৱেশ

**জ্যোতিৰ্ময়ী শৰ্ম্মা**

শৈশৱৰ সোণালী দিনবোৰৰ মধুৰ স্মৃতিবোৰৰ কথা আওৰাই ভাল লাগে। এই মিঠা অনুভৱখিনিয়ে জীৱনটো ভাল লগাই ৰাখে। এই সুমধুৰ দিনবোৰ আকৌ ঘূৰাই আনিব পৰা হ'লে। পুৰণি দিনৰ সময়বোৰলৈ ঘূৰি চালে আজিৰ দিনবোৰৰ লগত সম্পূৰ্ণ পাৰ্থক্য দেখা যায়। তেতিয়াৰ দিনত আমি যিখিনি স্বাধীনতা পাইছিলো আজিৰ ল'ৰা-ছোৱালীয়ে সেইখিনি পোৱা নাই। আমি গৰমৰ বন্ধ বা বছৰেকীয়া পৰীক্ষা হৈ যোৱাৰ পিছত প্ৰায় এমাহ সময় বিদ্যালয় বন্ধ পাইছিলো। তেতিয়া ককা-আইতাৰ ঘৰখনলৈ প্ৰায়ে গৈছিলো। তদুপৰি মাহী, পেহীৰ ঘৰসমূহতো গৈছিলো। এতিয়াৰ ল'ৰা-ছোৱালীয়ে প্ৰতিযোগিতামূলক সময়ৰ লগত খাপ খাই চলিব লগা হোৱা বাবে সময়ৰ অভাৱ হোৱা দেখা গৈছে। এটা শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষা শেষ হোৱাৰ লগে লগে উত্তীৰ্ণ হ'ব লগা শ্ৰেণীৰ টিউচন আৰম্ভ হয়। মেট্ৰিক দিয়া ল'ৰা-ছোৱালীসকলৰো পৰীক্ষা শেষ হোৱাৰ লগে লগে একাদশ শ্ৰেণীৰ নামভৰ্তি, পাঠদান আৰম্ভ হয়। ফলত ফুৰা-চকা, খেলা-ধূলাবোৰ বাদ পৰি যায়। এনেদৰে আমি কিহৰ পিছত দৌৰি ফুৰিছো বুলি কেতিয়াবা নিজকে প্ৰশ্ন কৰো। যাৰ ফলত সন্তানসকলে এটা সোণালী শৈশৱ হেৰুৱাবলগীয়া হৈছে।

সৰুতে আমি সমনীয়াৰ লগ হৈ বিভিন্ন ধৰণৰ খেল খেলিছিলো। চাৰিটা খুঁটা ধৰি খেলা খেল-খুঁটা-ধৰা, তদুপৰি মাটিত ভঙাকলহৰ টুকুৰাৰে আঁচ টানি আঠটা ঘৰ আঁকি এটা ভৰিৰে এঘৰ এঘৰকৈ জঁপিয়াই কাটাঘোঁৱা খেলিছিলো। নাৰিকলৰ কোৰোকাত ইটাগুটি, মাটিত সৰি পৰি থকা ডালিমৰ কলি, ফুল, বনৰীয়া গছ-পাতেদি ভাত, তৰকাৰি ৰন্ধা আৰু বালি মাটিৰে পাহাৰ সাজি খেলিছিলো। দীঘলীয়া পদূলিটোত হায়ৰে মোৰ তগৰ, চুগুদু, ধৰা গুদু, বুঢ়ী গুদু, লুকা-চুৰি, ৰুমাল চুৰি, কাউৰী পকা কঁঠাল খাহি, এদিম চেদিম গ ইত্যাদি খেলবোৰ খেলি আনন্দ পাইছিলো। তদুপৰি গৰুগাড়ীত উঠা, খেলা আদিয়ে আনন্দ দিছিল।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে সকলো সালসলনি হ'ল। আজিকালি ল'ৰা-ছোৱালীৰ সময়ৰ নাটনি, খেলা-ধূলাৰ মুকলি পৰিৱেশৰ অভাৱৰ বাবেও আগৰ খেলবোৰ এইদৰে লুপ্ত প্ৰায় অৱস্থা হৈছে। আজিকালি আজৰি সময়ত প্ৰায়বোৰ ল'ৰা-ছোৱালীয়ে ম'বাইল ফোন, ভিডিঅ' গেম, কম্পিউটাৰত ব্যস্ত থাকে। আজিকালি যৌথ পৰিয়াল খুব কম হোৱা বাবে ল'ৰা-ছোৱালীয়ে সম্বন্ধবোৰো বুজি নাপায়। মাহী, পেহী, খুৰা, খুৰী শব্দবোৰৰ সলনি আণ্টী-আংকল হ'ল। বিশেষকৈ আমৈ-তাৰৈ এই শব্দ দুটাৰ একেবাৰে বিলুপ্তি ঘটিল। পুৰণি সেই আহল-বহল পদূলি, চোতাল থকা ঘৰবোৰ নাইকিয়া হ'ল। মানুহৰ মনবোৰো সংকীৰ্ণ হৈ আহিল। সেই ৰামো নাই, সেই অযোধ্যাও নাই নিচিনা কথা হ'ল। এতিয়া কোনোবাই কাৰোবাক ভাল উপদেশ এটা আগবঢ়ালে সেইটো ভালভাৱে গ্ৰহণ কৰাৰ সলনি নকৰাত্মক চিন্তাটোহে কৰে। আগতে ল'ৰা-ছোৱালীক পৰিয়ালৰ সকলোৱে শাসন কৰিছিল। কোনোৱেই সেইটো বেয়া ভাবি লোৱা নাছিল কিন্তু আজিকালি শাসন কৰা দূৰৈৰ কথা এইটো কৰিছিলা নেকি বুলি যদি সুধিবলৈ যায় তেতিয়া সন্তানৰ লগতে মাক-দেউতাকেও সমানে গা পাতি লয়। মাক-দেউতাকৰ পৰা ল'ৰা-ছোৱালীয়েও সেইখিনিকে অনুকৰণ কৰি মানুহক দুৰ্ব্যৱহাৰ কৰিবলৈ চিন্তা নকৰে বৰং সাহহে পায়।

আগৰ ল'ৰা-ছোৱালীয়ে খেলা-ধূলাৰ মাজেৰে পোৱা আমোদ-প্ৰমোদ, লগৰীয়াৰ লগত মিলা-প্ৰীতি আজিকালিৰ ল'ৰা-ছোৱালীয়ে অনুভৱ কৰিব নোৱাৰে। আজিকালি আধুনিকতা আৰু বস্তুবাদিকতাই মানুহৰ মন স্পৰ্শ কৰে। আধুনিকতা আৰু বস্তুবাদিকতাই মানুহৰ চিন্তাধাৰাত ঘুণে ধৰিছে। আমি যিমানেই আধুনিক নহওঁ কিয় মনটো যদি পবিত্ৰ নহয় সেই আধুনিকতা বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী স্বৰূপ হ'ব। মাক-দেউতাকে শাসন-অনুশাসনৰ যোগেদি ভুলটো আঙুলিয়াই দি ল'ৰা-ছোৱালীক শুদ্ধ পথ দেখুৱাব লাগে। ল'ৰা-ছোৱালীৰ ভুল দেখিলেও চকু মুদা কুলিৰ ভাও জুৰিলে এদিন সেই ভুলেই খুলি খুলি খাব।

আজিকালি বেছিভাগ পৰিয়ালেই একক পৰিয়াল। মাক-দেউতাক দুয়োজনেই চাকৰিয়াল হ'লে ল'ৰা-ছোৱালীক সময় কম দিবলগীয়া হয়। সিহঁতে মাক-দেউতাকৰ অনুপস্থিতিত নিজকে অকলশৰীয়া অনুভৱ কৰে। তেতিয়া টেলিভিছন বা ম'বাইল ফোন ব্যৱহাৰ কৰে। ম'বাইল বা আন সামাজিক মাধ্যমত কম সময়ৰ ভিডিঅ'বোৰ (ৰীল) উপভোগ কৰে। ৰীলবোৰ ওলোৱাৰ পৰা দীঘল ভিডিঅ' চাবলৈ আমনি পায়। দীঘল ভিডিঅ'বোৰে কিবা এটা হ'লেও শিক্ষাৰ জ্ঞান দিয়ে। কিন্তু তাৰ পৰিৱৰ্তে ৰীলবোৰত তেনেকুৱা একো জ্ঞান অৰ্জন নহয়। ল'ৰা-ছোৱালীৰ ধৈৰ্যশক্তি ক্ৰমাৎ কমি যোৱা দেখা গৈছে। দিনবোৰ ক্ৰমে আধুনিকৰ পৰা বেছি আধুনিকতাৰ ফালে আগবাঢ়ি গৈ থকাত ইয়াৰ প্ৰভাৱ ল'ৰা-ছোৱালীৰ গাত পৰিছে। আধুনিকতাই বাৰু আমাৰ ক্ষতি কৰিবলৈ গৈ থকা নাইনে? পুৰণি খেলসমূহৰ পৰিৱৰ্তে ম'বাইল ফোনত পোৱা ৰং-বিৰঙৰ খেলাবোৰৰ প্ৰতি আকৰ্ষিত হয়। কিছুমান ম'বাইল ফোনৰ গেমে স্মৃতিশক্তিৰ হ্ৰাস কৰিব পাৰে। এই সকলোবোৰৰ ক্ষেত্ৰত আমি ল'ৰা-ছোৱালীক দোষাৰোপ কৰিব নোৱাৰো। সময়ৰ পৰিৱৰ্তনৰ প্ৰভাৱ সকলোৰে গাত পৰে। আমি পৰিস্থিতিৰ দাস। অভিভাৱক বা মাক-দেউতাকসকলে কেনেকৈ সন্তানক চন্তালিব পাৰিব বা পাৰিছে সেইটোহে নিৰ্ভৰ কৰে। সন্তানৰ আজৰি সময় বা বন্ধৰ সময়খিনি সন্তানক কেনেকৈ ব্যৱহাৰ কৰোৱাইছে সেইটোহে গুৰুত্বপূৰ্ণ বিষয়। এইখিনিতেই এটা কথা মন কৰিবলগীয়া যে অভিভাৱকে সন্তানক প্ৰকৃতিক ভাল পাবলৈ শিকাব লাগে। প্ৰকৃতিৰ লগত একাত্ম হ'বলৈ জ্ঞান দিব লাগে। প্ৰকৃতিৰ মুকলি পৰিৱেশত মুক্ত হৈ লগত থাকি সপ্তাহত এটা দিন হ'লেও পাৰ কৰিব লাগে। গছ ৰোৱা, সাধুকথা কোৱাৰ উপৰি তেনে ধৰণৰ কিতাপ কিনি দি কিতাপ পঢ়াৰ প্ৰতি আগ্ৰহান্বিত কৰিব লাগে।

আজিকালি ল'ৰা বা ছোৱালী কোনোৱেই মুক্ত মনে চলা-ফুৰা কৰিব নোৱাৰে। শিশু নিৰ্যাতন, ধৰ্ষণ, হত্যা, অপৰাধজনিত ঘটনাবোৰ বাঢ়ি বলৈ লৈছে। সন্তানসকল নিজৰ ঠাই বা ঘৰখনতে সুৰক্ষিত নোহোৱা হৈছে। অভিভাৱকসকলেও সন্তানসকলক অকলে ক'লৈকো চলা-ফুৰা কৰিবলৈ দিব নোৱাৰা হ'ল। সন্তানসকলৰ কাৰণে এটা মুকলি পৰিৱেশৰ অভাৱ হ'ল। এইখিনিতে আমি ছোৱালী আৰু ল'ৰা সন্তান উভয়কে কিছুমান শিক্ষা দিব লাগে যাতে তেওঁলোকে আগন্তুক তেনেকুৱা পৰিস্থিতিৰ সন্মুখীন হ'লে সাৰি আহিব পাৰে। ছোৱালীজনীক ভালকৈ বহা বা চলা-ফুৰা কৰিবলৈ শিক্ষা দিওঁতে ল'ৰা সন্তানটোকো ছোৱালীক যাতে ভাল ব্যৱহাৰ কৰে, বেয়া চকুৰে নাচাই এইখিনি শিক্ষা দিব লাগিব। প্ৰত্যেক পৰিয়ালে সৰুৰে পৰাই ল'ৰা-ছোৱালীক এনেকৈ শিক্ষা দি আহিলে আগত দিনত সমাজত হৈ থকা অপৰাধজনিত ঘটনাবোৰ নিশ্চয় কমি আহিব। ফলত এখন নিকা আৰু শান্তিৰ সমাজ গঢ় লৈ উঠিব।

# সমষ্টি পুনৰ নিৰ্ধাৰণ প্ৰসংগ

দেৱৰ্ষি গৌতম

ভাৰতৰ নিৰ্বাচন আয়োগে ইতিমধ্যে সমষ্টি পুনৰ নিৰ্ধাৰণৰ খচৰা ৰাজহুৱা কৰিছে। এই খচৰাক লৈ সকলো ৰাজনৈতিক আৰু অৰাজনৈতিক লোকৰ মাজত এক মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কোনোৱে যদি কৈছে এয়া খিলঞ্জীয়া লোকৰ বাবে এক সঠিক সিদ্ধান্ত আকৌ কোনোবাই ইয়াৰ বিপৰীতে মত পোষণ কৰি কৈছে যে এই খচৰাৰ বাবে খিলঞ্জীয়া লোকৰ কোনো ধৰণৰ লাভ নহয়। ২০০১ চনৰ লোকপিয়লৰ ওপৰত ভিত্তি কৰি এই খচৰা প্ৰস্তুত কৰা হৈছে। ইয়াৰ উপৰি এই খচৰাত কেৱল সমষ্টিসমূহৰ নতুন সীমা নিৰ্ধাৰণ কৰা হ'ব ইয়াৰ ফলত কোনো নতুন সমষ্টিৰ সৃষ্টি নহয়। পূৰ্বতে যিমান সমষ্টি আছিল সমষ্টিৰ সংখ্যা সিমানেই থাকিব। বহুতো সমষ্টিৰ ৰূপৰেখা সলনি হোৱাৰ পৰিপ্ৰেক্ষিতত কিন্তু বহুতো ভোটাৰ ৰাইজ অনাগত নিৰ্বাচনত কিছু বিমোৰত যে পৰিব সেয়া নিশ্চিত। এইখিনিতে সকলোৱে মনত উত্থাপন হোৱা এটা প্ৰশ্ন হ'ল এই সমষ্টি পুনৰ নিৰ্ধাৰণ প্ৰক্ৰিয়া কোনোবা নিৰ্দিষ্ট ৰাজনৈতিক দলৰ ব্যক্তিগত লাভালাভৰ বাবে কৰা হৈছে নেকি ? যদি কাৰো লাভালাভৰ কথা আগত ৰাখি এই পদক্ষেপ গ্ৰহণ কৰা হোৱা নাই তেনেহ'লে ভিত্তিবৰ্ষ ২০০১ কিয় নিৰ্ধাৰণ কৰা হ'ল ? এই সকলোবোৰ প্ৰশ্নৰ অৱতাৰণা এই কাৰণে হৈছে যে ২০০১ চনৰ লোকপিয়লৰ তুলনাত বৰ্তমান অসমৰ জনসংখ্যা বহুত বৃদ্ধি পাইছে। এই বৰ্ধিত জনসংখ্যাৰ গাঁথনিক আওকাণ কৰি পূৰ্বৰ লোকপিয়লক ভিত্তি কৰি সমষ্টি পুনৰ নিৰ্ধাৰণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। যদি সঁচাকৈ খিলঞ্জীয়া লোকৰ অধিকাৰ অটুট ৰাখিবলৈ এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে তেনেহ'লে বৰ্তমান যি জনগাঁথনি তাৰ ওপৰত ভিত্তি কৰি এই পদক্ষেপ গ্ৰহণ কৰা হ'লে অধিক ফলপ্ৰসূ হ'লহেঁতেন। এই পদক্ষেপৰ ফলত মুষ্টিমেয় কিছু সমষ্টিত খিলঞ্জীয়া লোকৰ ভোটৰ জৰিয়তে তেওঁলোক নিৰ্ণায়কৰ ভূমিকা পালন কৰিব যদিও অধিকাংশ সমষ্টিত কিন্তু খিলঞ্জীয়া লোকসকল এই সুবিধাৰ পৰা বঞ্চিত হ'ব বুলি অভিযোগ উত্থাপন হোৱা পৰিলক্ষিত হৈছে। যিহেতু সমষ্টি পুনৰ নিৰ্ধাৰণ প্ৰক্ৰিয়া পূৰ্বৰ লোকপিয়লৰ ভিত্তিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে গতিকে এই পদক্ষেপৰ জৰিয়তে যি খিলঞ্জীয়াৰ অধিকাৰ সুনিশ্চিত কৰাৰ কথা কৈ থকা হৈছে সেয়া হয়তো কাৰ্যক্ষেত্ৰত প্ৰতিফলিত হোৱা আমি দেখিবলৈ নাপাম। অসমত যাতে প্ৰতিগৰাকী অসমীয়াই গৰ্বেৰে জীয়াই থাকিব পাৰে সেয়া প্ৰতিগৰাকী অসমীয়া লোকে বিচাৰে। সমষ্টিভেদে যদি খিলঞ্জীয়া লোকসকল সংখ্যালঘু হিচাপে পৰিগণিত হয় তেনেহ'লে অতি সোনকালে অসমত অসমীয়া লোকৰ অস্তিত্ব নাইকিয়া হৈ যাব। চৰকাৰ প্ৰশাসনে লোৱা প্ৰতিটো পদক্ষেপ যাতে খিলঞ্জীয়া লোকসকলৰ সপক্ষে হয় সেয়া প্ৰতিগৰাকী সচেতন অসমীয়া লোকৰে কাম্য। সমষ্টি পুনৰ নিৰ্ধাৰণ প্ৰক্ৰিয়াই যাতে অনাগত ভৱিষ্যৎ খিলঞ্জীয়া অসমীয়া লোকসকলৰ অস্তিত্ব অসমতে বিলুপ্ত নকৰক তাকে প্ৰতিগৰাকী খিলঞ্জীয়া লোকে কামনা কৰিছে। কেৱল ৰাজনৈতিক উদ্দেশ্য আগত ৰাখি লোৱা সিদ্ধান্ত যে অসমীয়া জাতিৰ বাবে ক্ষতিকাৰক সেয়া সৰ্বজনবিদিত। অসমখন সদায় খিলঞ্জীয়া অসমীয়া লোকৰ বাবে সুৰক্ষিত হৈ থাকক সেয়া প্ৰতিগৰাকী অসমীয়া লোকে হৃদয়ৰ পৰা কামনা কৰিছে।

# ভাওনা সংস্কৃতিত অৱহেলিত 'দূত'

আকাশ প্ৰতীম শেনচোৱা

অসমীয়া সমাজ জীৱনৰ লোককৃষ্টিৰ সৰ্বকালৰ অনুপম তথা লোক প্ৰসিদ্ধ সমলসমূহৰ ভিতৰত শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ সৃষ্টি 'ভাওনা' এক উল্লেখযোগ্য অৱদান। গুৰুজনাই একশৰণ ধৰ্মপ্ৰচাৰ তথা সমাজ উন্নতিৰ বাবে লোক সংগ্ৰহ তথা স্থিতি আৰু লোকৰঞ্জন এই দুটি বিষয়ত বিশেষভাৱে গুৰুত্ব দিছিল। তাৰে লোকৰঞ্জন ভাগটো তেওঁক যুগনায়ক কৰি তোলাৰ লগতে কৃষ্ণভক্তিৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰাত বিশেষভাৱে সহায় হৈছিল, যাৰ বাবে আমাৰ গুৰুজনাৰ সংস্কৃতিত লোকৰঞ্জনৰ প্ৰভাৱ অপৰিসীম। তুলনামূলকভাৱে বৰ্তমানতকৈ প্ৰচুৰ পৰিমাণে নিৰক্ষৰ সেই সময়ৰ জনসাধাৰণে ধৰ্মৰ কথা হৃদয়ংগম কৰি কৃষ্ণভক্তিত লীন যোৱাত সহায় হ'বলৈ গুৰুজনাই নাটসমূহৰ সৃষ্টি কৰিছিল। কাৰণ 'কাব্যেসু নাটকৰ্ম ৰম্যমঞ্জ', কাব্যতকৈ নাটক অধিক ৰমণীয় এয়া সকলোৱে জানে। শব্দ, ধ্বনি, ৰং-ৰূপ আদিৰ সমাবেশ ঘটা নাটক হৈছে চাৰুকলাৰ এক নান্দনিক ৰূপ। শ্ৰীমন্ত শংকৰদেৱৰ জন্মৰ আগতে অসমীয়া সমাজত দেৱদাসী নৃত্য, পুতলা নাচ, ওজাপালিকে ধৰি অন্যান্য সামাজিক মনোৰঞ্জনাত্মক কলা আছিল যদিও শংকৰ গুৰুৰ ভাওনা সংস্কৃতিয়ে অসমীয়া সমাজত অধিক প্ৰভাৱ পেলাবলৈ সক্ষম হৈ আহিছে বুলি আমাৰ ধাৰণা হয়। গুৰুজনাৰ জন্মৰ প্ৰায় ১৯ বছৰৰ পিছত অৰ্থাৎ ১৪৬৮ চনত প্ৰথম ভাওনা (সংলাপবিহীন) চিহ্নযাত্ৰা শংকৰ গুৰুৰ তত্ত্বাৱধানত অনুষ্ঠিত হ'ল আৰু যাৰ ফলত অসমীয়া সমাজলৈ সংস্কৃতিৰ এখনি বৰ দুৱাৰ মেল খালে।

এতিয়া মূল আলোচ্য বিষয়লৈ আহো। ভাওনাত হাস্যৰসিক অভিনয় আমি সৰুৰে পৰা দেখি আহিছো তথা অগ্ৰজসকলৰ মুখত শুনি আহিছো। গুৰুজনাৰ ৰুক্মিণী হৰণ অংকীয়া নাটতে দূতৰ অভিনয়ে প্ৰাধান্য পাইছে। অৱশ্যে আমি যি দূতৰ কথা কৈছো এয়া হাস্যৰসৰ বিপুল ভাণ্ডাৰ, প্ৰচুৰ মনোৰঞ্জন তথা আমোদৰ আধাৰ দূতৰ চৰিত্ৰহে। যিহেতু কাব্য অথবা নাটত হৃদয়ানুভূতিত স্থায়ী ৰসোদ্ভৱৰ কাৰণ হ'ল— বিভাৱ, অনুভাৱ আৰু ব্যভিচাৰী (সঞ্চাৰী) ভাবৰ অপূৰ্ব সমষ্টিৰ আস্বাদনীয় অৱস্থালৈ অনা কাৰ্য আৰু এই ৰসকে ভাগ কৰা হৈছে শৃংগাৰ, কৰুণ, বীৰ আদি নটা বিভাগত (নাট্য শাস্ত্ৰৰ প্ৰণেতা ভৰত মুনিৰ মতানুসৰি আঠটা)। এই নৱৰসৰ অন্যতম হৈছে 'হাস্যৰস'। আৰু সৰ্বজনস্বীকৃত কথা যে 'ভাওনা'ৰ দৰে এটি গুৰু-গম্ভীৰ অনুষ্ঠানৰ নাট হাস্যৰসক কেন্দ্ৰ কৰি সৃষ্টি হোৱা অসম্ভৱ। কাৰণ এখন ভাওনাৰ মূল বিষয় বস্তুৱেই হৈছে ঈশ্বৰৰ প্ৰতি ভক্তিৰ উদ্ভাৱন, যি কাৰ্য হাস্যৰসৰ দ্বাৰা সম্ভৱ হোৱাৰ দৃষ্টান্ত নাই। এইবাবেই ৰাইজে হাস্যৰসৰ খাতিৰত কিছু বিশেষ চৰিত্ৰ সৃষ্টি কৰি লয়। অসুৰৰ তপস্যা ভংগৰ বাবে অপেস্বৰাই কঁকাল ভাঙি কৰা নৃত্য, দৈত্য আৰু ৰমণীৰ মাজত দৌৰাদৌৰিকৈ মৃদংগত বজা খেমটা তালৰ হাস্য দৃশ্যই দৰ্শকক আমোদ দিয়ে যদিও এইক্ষেত্ৰত দূতৰ অভিনয় বিশেষতকৈও বিশেষ। এই দূত চৰিত্ৰটি ভাওনাৰ বহুৱা চৰিত্ৰৰ সমসাময়িক। দূতৰ পৰিধানত সাধাৰণতে ফটা চুৰিয়া, মলিয়ন, লেতেৰা কাপোৰ, পেটত কাপোৰ সুমুৱাই পেটুৱা কৰি লোৱা চোলা ইত্যাদি থাকে। অৱশ্যে বহু ঠাইত ফটা লংপেন্ট, টুপী, ঢকুৱাৰ বা বাঁহৰ গাঁঠিৰে ফুটুৱাই লোৱা চছমা আদিও পৰিধান কৰিছিল, যি দৃষ্টিকটু তথা ভাওনাৰ সন্মানত আঘাত হনা পোছাক। হাতত কাঠৰ দা, বেঁকাবেঁকি লাঠি, ওখোন আদিৰ সৈতে দেখিলেই হাঁহি উঠা আহাৰ্য আদিৰে দূতে যেতিয়া বেহু মঞ্চত প্ৰৱেশ কৰে, দৰ্শকৰ মাজত হাঁহিৰ জোৱাৰ উঠে। স্বাভাৱিকতে বেহুৰ বহু দূৰৰ পৰাই দূতৰ প্ৰৱেশ হয়, বায়নে খোল অথবা মৃদংগত হাঁহি উঠা বিশেষ ছেও বজায়, দূতজনে বাতুলসদৃশ নৃত্যৰে নাচি নাচি বেহুত প্ৰৱেশ কৰে। ভাওনাৰ নাটত দূত চৰিত্ৰৰ বাবে বৰ বিশেষ বচন নাথাকে, থাকিলেও সেয়া খুবেই কমকৈ থাকে আৰু তেনে নাটো বৰকৈয়ে সেৰেঙা। নাটৰ পৰিৱেশ পৰিস্থিতি অনুযায়ী দূতে খাপ খোৱাকৈ বচন প্ৰক্ষেপন কৰিব পৰা স্বাধীনতা দিয়া হয়। হাঁহিৰ পকনীয়াত খাপ খাই পৰাকৈ আৰু হাস্যৰসৰ সৃষ্টি কৰিব পৰাকৈ নিক্ষেপ কৰা বচনবোৰতেই দূতৰ যশস্যা। ৰজাকে আদি কৰি অন্যান্য গণ্য-মান্য চৰিত্ৰই দূতক ভৃত্যৰ দৰে আদেশ দিয়ে, যেনে— 'হেৰৌ দূত তুৰন্তে এই পত্ৰ লৈ অমুক দেশৰ ৰাজসভালৈ যা।' দূতক দুৰবীৰ দৰেও ব্যৱহাৰ হয় আৰু আদেশ লৈ দূতে ভাল মহাৰাজ বুলি লৰ ধৰে। এই দূতৰ প্ৰতি ৰজা অথবা সেনাপতিসকলে তুচ্ছাৰ্থত সম্বোধন, নিম্নখাপৰ ব্যৱহাৰ অতিকে সুলভ দৃশ্য। ৰাইজেও এয়া আদৰি লয় আৰু ভাল লগা মাদকতা অনুভৱ কৰে। কেতিয়াবা দূতে ভাওনা মঞ্চত, যুদ্ধত মৃতকৰ অভিনয় কৰা অভিনেতাসকলক বেহুৰ পৰা উলিয়াই নিয়ে, কেতিয়াবা ভাওনাৰ মাজতে আহি বাতুল নাচ আৰু খুহুতীয়া কথাকৈ আমোদ-প্ৰমোদ প্ৰদান কৰে। মাজে মাজে দূতে আহি অভিনয়ৰ মাজেদিয়েই, গায়ন-বায়নক চাহ-তামোল, পানী আদিৰো যোগান ধৰে। অত্যন্ত বাকপটুতা আৰু প্ৰত্যুৎপন্নমতি গুণযুক্ত দূতসকলে যিদৰে কথা-কাণ্ডৰ সহায়ত ৰাইজক মনোৰঞ্জন প্ৰদান কৰে সেয়া সঁচাই খুবেই বিৰল প্ৰতিভা।

বিশাল অৰ্থত দূত হ'ল ৰাষ্ট্ৰ অথবা ৰাজপ্ৰতিনিধি। ৰাষ্ট্ৰৰ নিয়মানুসাৰে এই দূত অৱধ্য আৰু বিশেষ সন্মানৰ পাত্ৰ। দূতক পাঁচনি, টেকেলা, বাৰ্তা নিওঁতা, কটকী অভিধাৰে সূচোৱা হয়। সহজ অৰ্থত দূৰৰ বাতৰি দিওঁতাজনেই হ'ল দূত। এই দূতেই হৈছে ৰাষ্ট্ৰ এখনৰ Deplomate leader। ৰাষ্ট্ৰৰ কূটনৈতিক (diplomacy) আলোচনাত ভাগ লয় বাবে কূটনীতিয়েই হৈছে এতিয়া দূতৰ নীতিস্বৰূপ। আমাৰ শাস্ত্ৰানুসৰি ৰামায়ণত হনুমন্তই, মহাভাৰতত স্বয়ং ঈশ্বৰ কৃষ্ণই দূতৰ ভূমিকাত প্ৰতিষ্ঠিত হৈছিল। জগতৰ কল্যাণাৰ্থে নাৰদ মুনিয়ো দূত হয়, ক্ষিপ্ৰ গতিৰ অধিকাৰী বুধ গ্ৰহ দেৱ সমাজৰ দূত, লগতে বিষ্ণু তথা যমদূতৰ কথাও আখ্যানসমূহত আছে। ৰামায়ণত দূতৰ লক্ষণো স্বয়ং ৰামচন্দ্ৰৰ দ্বাৰা বৰ্ণিত হৈছে— 'দূতে অনেক কোৱাৰ পিছতো ভাষণত ত্ৰুটি নাথাকে। অনেক বিস্তাৰকৈও নকয়, অসংদিগ্ধতাৰে কয়, ধীৰ গতি বা দ্ৰুত গতিৰে নকয়। হৃদয়ৰ পৰা কণ্ঠলৈকে অহা বাক্য মধ্যম স্বৰত হয়। এনে কল্যাণময়ী বাণী কয়, যি বাণীয়ে দুখী মন আৰু তৰোৱালেৰে সজ্জিত শত্ৰুৰো হৃদয় দ্ৰৱিত কৰে। কিন্তু দূতৰ এই লক্ষণ আমাৰ অসমীয়া ভাওনাত আগৰে পৰা ৰক্ষিত হোৱা নাই, এয়া সংস্কৃতিৰ স্বকীয়তাহে শাস্ত্ৰত আঘাত নহয়। এই দূতৰে আমাৰ হাঁহিৰ আধাৰ ভাওনাৰ দূতক সনাপোটকা কৰি ৰাইজক হাস্যৰসৰ পৰা বঞ্চিত কৰাটোহে ভাল কাম নহয়। আকাশৰ তৰা আৰু পিটনিৰ তৰা হ'বলা একেই আমাৰ ভাওনা সংস্কৃতিত লোকৰঞ্জনৰ বিশেষ প্ৰভাৱ আছে আৰু সেইবোৰ তেনেকৈয়ে থোৱাই ভাল হ'ব। উদাহৰণস্বৰূপে 'নাৰদ মুনি'ৰ চৰিত্ৰটি আন শাস্ত্ৰত আৰু ভাওনা সংস্কৃতিৰে এটি তুলনা কৰি চালেই, এই বিষয়টো বুজিব পৰা যাব। বৰ্তমান ভাওনা প্ৰথাত 'দূত' প্ৰায় লুপ্ত হৈ আহিছে, যি খুবেই পৰিতাপৰ কথা। অৱশ্যে দূতক ইমান অৱহেলা কৰাৰ কাৰণ অহৈতুক কৃত্ৰিম শালীনতাৰ ভাওনাৰ ওপৰত হোৱা প্ৰয়োগ বুলি আমি উল্লেখ কৰিম। সংস্কৃতিৰ বিকাশ এটাক এৰি আনটো কদাপি সম্ভৱ নহয়, হাস্যৰসো যিহেতু নৱৰসৰ শিৰোমণি এতেকে ভাওনা সংস্কৃতিত এই ৰসৰ ৰসালয় স্বৰূপ দূতসকলৰ চৰিত্ৰ পুনৰ জীৱিত হ'ব লাগে। এইক্ষেত্ৰত বৰ্তমান ভাওনা নাটৰ নাট্যকাৰসকল তথা ভাওনাৰ সৈতে জড়িতসকলে বিশেষ ভূমিকা লোৱা উচিত। ভাওনাৰ লগত দূত এৰাব নোৱৰা অংগ হৈ থাকক আগলৈকে, সেয়াই আমাৰ কাম্য।

# অবাঞ্চিত



**বীণা বৰুৱা**

কাহিলি পুৱাতেই উঠি ৰাজুৱে মুখখন ধুই দিনটোৰ ব্যস্ততাৰ বাবে সাজু হ'ল। সৰু ছিলভাৰৰ কাঁহী এখনত চৰুৰ পৰা দুটামান ভাত উলিয়াই ল'লে। অলপ ভাত মাকলৈও এৰিলে চৰুতে। এটা টেটৈৱা পৰা আধা শুকান আধা কেঁচা জলকীয়া লৈ ভাতকেইটাত অকণমান বেছিকৈ পানী দি নিমখ অকণেৰে মোহাৰি ল'লে। পিয়াঁজ এটা হোৱা হ'লে। ৰাজুৱে মনতে ভাবিলে। পিছে পিয়াঁজ বৰ্তমান ৰাজসিক খাদ্য লৈ পৰিৱৰ্তন হৈছে সিহঁতে ঢুকি পোৱাৰ বাহিৰত।



মিঠাতেলৰ বটলটো নিজৰি নিজৰি ল'লে। এটোপ নে দুটোপ কিবা পৰিল। খোলা মিঠাতেল কিনি আনিছিল পাঁচিশ গ্ৰাম। চাৰি দিন গ'ল। আজি মিঠাতেলো আনিব লাগিব। ভাতকেইটা ভালদৰে পিটিকি লৈ সি ভনীয়েক টিকুক প্ৰথমতে কেইটোপামান খুৱাই দিলে। তাই সদায় তাৰ লগে লগেই উঠে। আৰু উঠিয়েই ভোকতেই নেকি সি নাজানে ভে...এ কৈ মুখখন মেলে। তাই কান্দিলে মাকে সাৰ পাব বুলিয়েই ৰাজুৱে তাইক এপাক কোলাত লৈ ফুৰাই আনে সদায়। আৰু ৰাতিপুৱা এনেদৰে সি ভাত খোৱাৰ সময়ত তাইকো খুৱাই দিয়াটো তাৰ নিত্য নৈমত্তিক কাৰ্য। তাইৰ পেটটো ভৰি থাকিলে কিছু সময় অন্ততঃ মুখখন বন্ধ থাকিব আৰু মাকেও কিছুসময় শান্তিত শুব পাৰিব। তিনি বছৰীয়া টিকুইনো কি বুজি পায়? ঘৰত কিবা খাবলৈ আছে নে নাইছু নে মাকৰে কিবা বেমাৰ? পেটৰ ভোকে একো বুজি নাপায়। তাই কেৱল জানে যে তাই কান্দিলে তাইক কিবা খাবলৈ দিব সেয়া ভাতেই হওক বা মাকৰ শুকান গাখীৰেই হওক তাইৰ কান্দোন বন্ধ কৰিবলৈ তাইক চুপিবলৈ দিব। ৰাজুৱে তাইক ভাতকেইটেপা খুৱাই বাকী থকা ভাতকেইটা খাই ভাতৰ পানীখিনি পি খালে। ভাততকৈ পানীহে বেছি আছিল। তাৰ পেট ভৰি গ'ল। সি হাতখন ধুই তাৰ ফটা মলিয়ন পেণ্টটোতে মচি ল'লে।

সি মাকক মাতযাব দি মালিকৰ তালৈ বুলি বেগাবেগিকৈ ওলাই গ'ল, যাওঁতে মুখৰে এটা হিন্দী গান গুণগুণাই গ'ল। তাৰ যোৱাত পলম হ'লে হাৱাধনহঁতে তাক সুবিধাই নিদিব। বাকীবোৰ যে তাত কৈ কিছু ডাঙৰ সেয়ে তাক দমাই ৰাখিব খোজে। পিছে সিওতো কম নহয়। হাৰ নামানে সি। বাপেকৰ পৰিচয় নাজানে ৰাজুৱে। সি মাকক কোনোদিনে সোধাও নাই আৰু প্ৰয়োজনবোধো কৰা নাই। মাকৰ পেটৰ ভোকৰ তাড়নাৰ সি এই পৃথিৱীৰ অবাঞ্চিত আলহী। পিছৰবাৰ মাক আৰু তাৰ পেটৰ ভোক গুচাবলৈ ভনীয়েক টিকুৰ অবাঞ্চিত জন্ম আৰু এতিয়া সি তিনিটা পেটৰ ভোক গুচাবলৈ জীৱন যুদ্ধত অৱতীৰ্ণ। সি বেগাবেগিকৈ গৈ মালিকক লগ ধৰি তিনিচকীয়া বস্তু কঢ়িওৱা বাহনখন ল'লে। আৰু বাহনখনত সেৱা এটা জনাই গ'লে। হে প্ৰভু। আজিৰ দিনটোত যেন সফল হওঁ। আজি যেন দিনটোৰ উপাৰ্জন যেন ভাল হয়। কেতিয়াবা হাফ কেতিয়াবা ফুল পেদেল মাৰি সি ওলাই গ'ল। আৰু কিছুদুৰ গৈ সকলোৱে শুনাকৈ কবিতা মতাৰ দৰে সুৰ লগাই চিঞৰিলে— আছে নে কি কাৰোবাৰ... লোহা টিং, প্লাষ্টিক, বহী-কিতাপ, বটল?

দিনটো লোহা, টিং, প্লাষ্টিক, বহী-কিতাপ, বটল বুটলি, মানুহৰ ঘৰৰ পেলনীয়া সামগ্ৰীবোৰ কম দামত ক্ৰয় কৰি মালিকৰ কোম্পানীত দিয়ে। তাতেই তাৰ দুপইচা ওলায়। আৰু তাৰেই সি ঘৰ চলায়। বজাৰৰ পৰা চাউল, নিমখ, মিঠাতেল আৰু আলু কিনোতে তাৰ পইচা শেষ হৈ যায়। মালিকক গাড়ীখন গতাব আহোতে বাটত পৰি থকা কাৰ্টনৰ টুকুৰা বা কাঠৰ টুকুৰা, জেং আদি পালে বান্ধি লৈ আহে ঘৰলৈ। মাকে ভাত বনাবৰ বাবে খৰিৰো প্ৰয়োজন। ক'ত আৰু টিকুক লৈ মাকে ৰুগীয়া দেহাৰে খৰি বিচাৰিব? কেতিয়াবা বন্ধৰ বাৰত আজৰি সময়ত হাৱাধনহঁতে নিচা কৰে, বিৰিও টানে তাকো যাচে। জোৰো কৰে কেতিয়াবা দিনটোৰ ভাগৰবোৰ হেনো মৰে। এইবোৰ খালে টোপনিও আহে হেনো সোনকালে। গাৰ বিষো কমে হেনো। প্ৰথম অৱস্থাত তাৰ গা বিযাইছিল যদিও এতিয়া তাৰ অভ্যাস হৈ পৰিল। সি কিন্তু এতিয়ালৈকে এইবোৰ মুখত দি চোৱা নাই। এনেই দেখোন দিনটো গাড়ীখন টানি টানি চিঞৰি থাকোতেই ভাগৰ লাগে। নিশা ভাতকেইটা পেটত পৰাৰ লগে লগেই তাক টোপনিয়ে হেঁচি ধৰে। নিশা বৰষুণ দিলে তাৰ বৰ খং উঠে। তাৰ খং উঠে তেতিয়া যেতিয়া সি টোপনিটো ভালদৰে মাৰিব নোৱাৰে। বৰষুণ দিলে সিহঁত থকা ঘৰটোত পানী পৰে। মজিয়াত ঠায়েই নাথাকে। বিছনাখনো কোঁচাই থ'ব লগা হয়। আৰু টোপনিটো চিকুণ নহ'লে ৰাতিপুৱা সোনকালে উঠিব নোৱাৰে আৰু সোনকালে উঠিব নোৱাৰিলে সি ভগা-ছিগা বস্তু কঢ়িওৱা তিনিচকীয়া গাড়ীখনৰ পৰা বঞ্চিত হয়। আৰু তেতিয়া সি পলিথিন এটা পিঠিত কঢ়িয়াই ডাষ্টবিন বা বাটত পেলাই থোৱা বটল আদি বিচাৰিব লাগে। আৰু তাৰ উপাৰ্জনো সেইদিনা তেনেই তাকৰ হয়। প্ৰয়োজনীয় ৰেচনৰ বস্তুখিনি কিনিবলৈও তাৰ পইচা কমি যায়। সেয়ে সি গৰমৰ দিনত শোৱাৰ সময়ত সদায় ভগৱানক প্ৰাৰ্থনা জনায়। বৰষুণ নিদিবলৈ। আজিও দিনটো কষ্টৰ মূৰত সি মাকে বনাই দিয়া ভাতকেইটা খাই বিছনাত উঠিছিলহে আহিল হুৰহুৰকৈ এজাক ধাৰাসাৰ বৰষুণ। মাকে বিছনাখনৰ এটা মূৰ কোঁচাই থ'লে। মাজে মাজে তাৰ ভয় হয় ঘৰটো বাঁকবতাহে উৰুৱাই নিব নেকি? টিকুক শুৱাই থৈ সি আৰু মাক বিছনাখনৰ এটা কোণত বহি থাকে। আৰু মজিয়াখনৰ ঠায়ে ঠায়ে বাল্টি, চৰিয়া আদি পাতি দিলে। সি বহাতেই মাকৰ কোলাত মূৰটো থৈ টোপনিয়াই থাকিল। মাকে তাৰ মূৰত চুলিৰ মাজে মাজে আঙুলি বুলাই থাকিল। সি এক স্বৰ্গীয় সুখ অনুভৱ কৰিলে। তাৰ যে বৰ ভাগৰ লাগিছে। টোপনিয়ে হেঁচি ধৰিছে। সি মনতে সংকল্প ল'লে সি আৰু কষ্ট কৰিব লাগিব। তাক টকাকেইটামান সৰহকৈ লাগে। সি ঘৰটোৰ ওপৰত পাতল টিনপাট হ'লেও লগাব। উৰলি যোৱা বেৰাকেই খনো লগাব লাগিব। খুঁটাকেইটাও সলনি কৰিব লাগিব। সি অধিক কষ্ট কৰিবই লাগিব। বৰষুণজাক কিছুশাম কটাৰ পিছত ওচৰৰ দোকানখনৰ পৰা ৰিণি ৰিণি এটি গীত ভাহি আহিল...

কোনে জানে তোমাৰ সপোন
হ'বনে পূৰণ...
আকাশতে থকাজনে লিখে
কপালৰ লিখন
কোনে জানে...
জীৱনৰে ছবি আঁকি
কোনে সজাইদিব?
আকাশতে থকাজনে...



# জীৱনৰ অদ্ভুত ৰহস্য

অসমৰ জনপ্ৰিয় কথাশিল্পী প্ৰয়াত হোমেন বৰগোহাঞিদেৱে যেনেকৈ কিতাপৰ পাতত বিচাৰি ফুৰিছিল এজন গুৰু, যিজন গুৰুৱে তেওঁক শিকাইছিল the art of living অৰ্থাৎ জীৱন যাপনৰ কলাবিদ্যা। ময়ো ঠিক তেওঁৰ দৰেই জীৱন যাপনৰ কলাবিদ্যা আহৰণ বাবে কিতাপৰ পাতত বিচাৰি ফুৰো এজন গুৰু। অলপতে মই তেনে এজন গুৰুৰে সন্ধান লাভ কৰো 'গৌৰ গোপাল দাস'ৰ ৰূপত তেওঁৰ 'Life's amazing secret' (জীৱনৰ অদ্ভুত ৰহস্য) নামৰ কিতাপখন পঢ়ি। কিতাপখনে মোৰ জীৱনশৈলীত এক নতুন চিন্তাধাৰা আৰু কলা প্ৰদান কৰে। মোৰ দৃঢ় বিশ্বাস কিতাপখনে মোৰ দৰে প্ৰতিজন পাঠককে জীৱন যাপনৰ এক নতুন কলাবিদ্যা প্ৰদান কৰিব। জীৱনত যদি আপুনি আপোনাৰ সম্পৰ্কবোৰ শক্তিশালী, দৃঢ় আৰু স্থায়ী কৰিব বিচাৰে, আপোনাৰ বাস্তৱিক ক্ষমতাৰ সন্ধান কৰিব বিচাৰে, আপুনি বুজিব বিচাৰে আপোনাৰ কামবোৰক কেনেকৈ দক্ষতাৰে সম্পন্ন কৰিব পাৰি, আপোনাৰ সামাজিক দায়িত্ব আৰু কৰ্তব্যবোৰক কেনেকৈ পালন কৰিব পাৰি তেন্তে গৌৰ গোপাল দাসে তেওঁৰ জীৱনৰ অনুভৱৰ সৈতে আপোনাক জীৱনৰ এইক্ষেত্ৰবোৰত এক অবিশ্বাসযোগ্য যাত্ৰা এটাত লৈ যাব কিতাপখনৰ জৰিয়তে।

গৌৰ গোপাল দাসে পুনেৰ 'কলেজ অৱ্‌ ইঞ্জিনীয়াৰিঙৰ পৰা ইলেক্ট্ৰিকেল ইঞ্জিনীয়াৰিঙৰ অধ্যয়ন কৰে। কিছু সময়ৰ বাবে Hewlett Packard ত ইলেক্ট্ৰিকেল ইঞ্জিনীয়াৰ হিচাপে কাম কৰাৰ পিছত মুম্বাইৰ এটা আশ্ৰমৰ পৰা সন্ন্যাসীৰ জীৱন আৰম্ভ কৰাৰ নিৰ্ণয় গ্ৰহণ কৰে। তেওঁ তাত প্ৰাচীন দৰ্শনৰ পুৰাতত্ত্ব সমকালীন মনোবিজ্ঞানৰ আধুনিকতাৰ অধ্যয়ন কৰি ২২ বছৰ থাকে আৰু পিছত মুম্বাই চহৰৰ হাজাৰ মানুহৰ জীৱন প্ৰশিক্ষক হিচাপে কাম কৰে। তেওঁ ২০০৫ চনৰ পৰা সমগ্ৰ বিশ্বৰ কৰ্প'ৰেট এগজিকিউটিভ, বিশ্ববিদ্যালয় আৰু ধৰ্মীয় সংগঠনৰ লগত নিজৰ জ্ঞান বিতৰণ কৰিবলৈ ভ্ৰমণ কৰি আছে। ২০১৬ চনৰ পৰা তেওঁ যেতিয়া জীৱন সম্পৰ্কে নিজৰ সংবাদবোৰ বিভিন্ন সামাজিক মাধ্যমবোৰৰ দ্বাৰা অনলাইন লৈ আহে, তেওঁৰ লোকপ্ৰিয়তা দ্ৰুত গতিত বৃদ্ধি হয়। তেওঁ বৰ্তমান 'the ideal young spiritual Guru' নামৰে সমগ্ৰ বিশ্বত জনাজাত। তেওঁক এই সন্মান আই আই টি পুনেৰ 'ভাৰতীয় ছাত্ৰ সংসদে' প্ৰদান কৰে।

মুম্বাইৰ ব্যস্ত ট্ৰেফিক জামৰ মাজেৰে গৈ থাকোতে গৌৰ গোপাল দাস আৰু তেওঁৰ ধনী বন্ধু হেৰীয়ে কথোপকথনৰ জৰিয়তে মানুহৰ সাম্প্ৰতিক অৱস্থাৰ পৰা আৰম্ভ কৰি জীৱনৰ উদ্দেশ্য প্ৰাপ্ত কৰা আৰু স্থায়ী সুখৰ সন্ধান কৰাৰ দৰে বিষয়বোৰৰ ওপৰত আলোকপাত কৰে। লেখকৰ মতে গাড়ীৰ চকা চাৰিটাই যেনেকৈ গাড়ীখনক সন্তুলিত কৰে ঠিক তেনেকৈ আমাৰ জীৱনতো চাৰিটা চকা আছে যিবোৰে

মাণিক পাল

আমাৰ জীৱনক সন্তুলিত কৰে। সেই চকা চাৰিটা হ'ল— ১) ব্যক্তিগত জীৱন, ২) সম্বন্ধ, ৩) কাম-কাজ আৰু জীৱন, ৪) সামাজিক যোগদান। আমাৰ জীৱনৰ এই গাড়ীৰ 'ষ্টেইৰিং হুইল' হ'ল আধ্যাত্মিকতা।

আমি সদায় আমাৰ দুৰ্বল সম্পৰ্কবোৰৰ মাজতো ইতিবাচক দিশৰ সন্ধান কৰিব লাগে আৰু কৃতজ্ঞতাৰ সিদ্ধান্তৰ সৈতে জীৱন যাপন কৰিব লাগে। মস্তিষ্কৰ জৰিয়তে আমি বাহ্যিক জগতখনক অনুভৱ কৰো। আচলতে বস্তুৰ কোনো পৰিৱৰ্তন নহয় আমাৰ অনুভূতিৰহে পৰিৱৰ্তন হয়। পৰিস্থিতি পৰিৱৰ্তন হয় কেতিয়াবা আমাৰ ভালৰ বাবে আকৌ কেতিয়াবা আমাৰ বেয়াৰ বাবে, কিন্তু আমি কোন অনুভূতিৰ নিৰ্বাচন কৰো সেয়া নিৰ্ভৰ কৰিব নিজৰ ওপৰত। আমি যেতিয়া কেৱল নেতিবাচক বস্তুৰে আমাৰ মস্তিষ্কক পূৰ্ণ কৰো, তেতিয়া আমি আমাৰ চাৰিওফালে হৈ থকা সুন্দৰ বস্তুবোৰক দেখিবলৈ বন্ধ কৰি দিওঁ, বিভিন্ন সমস্যাৰ লগত যুদ্ধ কৰিব পৰা ক্ষমতাও হেৰুৱাই পেলাওঁ। সেয়ে আমি আমাৰ মস্তিষ্কক সদায় ইতিবাচক বস্তুৰ ওপৰত কেন্দ্ৰিত কৰি ৰাখিবলৈ প্ৰশিক্ষিত কৰিব লাগিব আৰু নেতিবাচক বস্তুৰ লগত যুঁজিবলৈ সমৃদ্ধ কৰিব লাগিব। এবাৰ লেখকৰ দাঁতত এটা জীৱা সুমাই যায়, যাক তেওঁ উলিয়াবলৈ নিজৰ জিভাৰে বহুবাৰ চেষ্টা কৰে। গতিকে দাঁতত কিবা এটা সুমুৱাই গ'লেই আমাৰ জিভাই যেনেকৈ তাক উলিয়াবলৈ ব্যাকুল হৈ পৰে, ঠিক তেনেকৈ আমাৰ মস্তিষ্কও কেৱল নেতিবাচক বস্তুত কেন্দ্ৰিত হ'বলৈ ব্যাকুল হৈ থাকে। তেওঁ তেওঁৰ এই অভিজ্ঞতাৰ পৰা বহু কথা শিকে আৰু ইয়াৰ ওপৰত 'ৰাধানাথ স্বামী আৰু জীৱাৰ বীজ' নামৰ এটা বক্তৃতাও প্ৰস্তুত কৰে। আচলতে আমাৰ মস্তিষ্ক আমাৰ জিভাৰ দৰে যিটোৱে আমাৰ নেতিবাচক দিশৰ প্ৰতি আকৰ্ষিত হয় আৰু আমাক ব্যাকুল আৰু অসহজ কৰি গঢ়ি তোলে। ই আমাৰ সেই সমস্যাবোৰক নিৰ্মূল কৰিব বিচাৰে যিবোৰে আমাক দুখ দিয়ে।

আমি সদায় কৃতজ্ঞতাৰ ওপৰত গুৰুত্ব দিব লাগে। কৃতজ্ঞতা কোনো অনুভূতি নহয়, ই মস্তিষ্কৰ সেই অৱস্থা যাক আমি বিকশিত কৰিব পাৰো। কৃতজ্ঞতাই আমাক অসীম ইতিবাচক শক্তি প্ৰদান কৰে। কৃতজ্ঞ হোৱা দুই ধৰণে সম্ভৱ। প্ৰথমে আমি এইটো অনুভৱ কৰিব লাগিব যে সংসাৰত ভাল বস্তু আছে আৰু এইবোৰ আমাৰ চাৰিওফালে বিৰাজমান। দ্বিতীয়তে এইটো জনা যে এই ভাল বস্তুবোৰ আমাৰ উপৰি আন ক'ৰবাৰ পৰা আহি আছে। আমাৰ চাৰিওফালে বহু বস্তু আছে যাৰ বাবে আমি কৃতজ্ঞ হ'ব পাৰো। কৃতজ্ঞতাৰ বিভিন্ন স্বৰূপ আছে। আমাৰ জীৱনত অকৃতজ্ঞতাৰ অৰ্থ হ'ল আশীৰ্বাদবোৰক পাহৰি যোৱা, সেই কামবোৰক পাহৰি যোৱা যিবোৰ আন মানুহে আমাৰ বাবে কৰিছে। আনহাতে যেতিয়া আমি কৃতজ্ঞতাক হৃদয়েৰে আঁকোৱালি ল'ম তেতিয়া আমি নিজে নিজে ইতিবাচক হৈ উঠিম। কৃতজ্ঞ হোৱাৰ আন আন সুবিধা বা লাভবোৰ হ'ল— ভাল টোপনি, অধিক কৃপালু হোৱা, অধিক জীৱন্ত হোৱাৰ অনুভৱ আৰু এক শক্তিশালী ৰোগ নিৰোধক প্ৰণালী ইত্যাদি। ইয়াৰ উপৰি আমাৰ জীৱনৰ কঠিন আৰু দুখৰ সময়তো আমি আন্তৰিক শক্তি অনুভৱ কৰো এই কৃতজ্ঞতাৰ বাবে। এনেকুৱা তেতিয়া হয় যেতিয়া আমি বন্ধু আৰু পৰিজনৰ সহায়তা আৰু সহযোগৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰো। ইয়াৰ উপৰি আমি শিকিব লাগিব বিৰাম বা বিশ্ৰাম কেনেকৈ ল'ব লাগে আৰু যাৰ প্ৰতি আমি কৃতজ্ঞ তাৰ বাবে চিন্তা কৰিব লাগিব। এইটো কোৱা উচিত নহয় যে আমি ইমান ব্যস্ত যে কৃতজ্ঞতাও জ্ঞাপন কৰিব নোৱাৰো। যদি আমি জীৱনত বিৰাম বা বিশ্ৰাম নলওঁ তেন্তে আমি আমাৰ জীৱনৰ বহু সুন্দৰ মুহূৰ্তক হেৰুৱাই পেলাওঁ। কৃতজ্ঞতা জীৱন জীয়াৰ এক মাধ্যম, যাক আমি শিকিব পাৰো আৰু অভ্যাস কৰিব পাৰো।

জীৱনত কিছুমান বস্তু আমাৰ নিয়ন্ত্ৰণৰ বাহিৰত। যেতিয়া আমি সেই পৰিস্থিতিত থাকো, তেতিয়া আমি সম্পূৰ্ণৰূপে পৰাজিত অনুভৱ কৰো, কাৰণ আমি আমাৰ সামৰ্থ্য অনুসৰি সকলো চেষ্টা কৰিছো ইতিমধ্যেই। কিন্তু সেইবোৰ ব্যৰ্থ প্ৰচেষ্টা। উদাহৰণস্বৰূপে সম্প্ৰতি জনপ্ৰিয় ম'বাইল এপ হোৱাটছএপৰ কথা উল্লেখ কৰে লেখকে। হোৱাটছ্এপৰ সংস্থাপকব্ৰায়ন এক্টনে প্ৰথমে যেতিয়া টুইটাৰ আৰু ফে'চবুকত চাকৰিৰ বাবে আবেদন কৰিছিল তেতিয়া তেওঁ সেই চাকৰি পোৱা নাছিল। কিন্তু পিছলৈ গৈ ব্ৰায়নে হোৱাটছএপক জন্ম দিয়ে। যি ফে'চবুকে চাকৰি দিবলৈ মানা কৰিছিল ব্ৰায়নক, সেই ফে'চবুকে ২০১৪ চনত ১৯ বিলিয়ন ডলাৰত হোৱাটছএপক কিনিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। সেয়ে লেখকে কৈছে চিন্তা নকৰি নিজৰ কাম নিজে কৰি যাব লাগে, কাৰণ এটা সময়ত যিটো বস্তু আমাৰ বেয়া লাগে পিছলৈ গৈ সেইটোৱে আমাৰ বাবে সৰ্বশ্ৰেষ্ঠ হ'ব পাৰে। লেখকৰ মতে আধ্যাত্মিক সাধনাই হ'ল আমাৰ আনন্দৰ আধাৰশিলা। এই আধ্যাত্মিকতাই আমাক আমাৰ বেয়া দিনত পথ প্ৰদৰ্শক হিচাপে কাম কৰে আৰু আনন্দৰ সময়ত আমাক স্থায়িত্ব প্ৰদান কৰে। আধ্যাত্ম এইটো কথাত নিৰ্ভৰ কৰে যে আমি এই সংসাৰত থাকো কিন্তু ইয়াৰ নহয়। আমি আধ্যাত্মিক অনুভৱ কৰিব পৰা মানৱীয় জীৱ নহয়, মানৱীয় অনুভৱ থকা আধ্যাত্মিক জীৱ। আমাক বিভিন্ন সম্পৰ্কৰ ক্ৰম বুজি পোৱাটো নিতান্তই দৰকাৰী। প্ৰধানতঃ আমি আমাতকৈ ডাঙৰ কোনো শক্তি যেনে— ঈশ্বৰৰ লগত জড়িত হ'ব লাগে। এনে কৰ্মই আমাক বিশ্বত সুখ আৰু আনন্দ বিতৰণ কৰাৰ শক্তি দিব পাৰে। ঈশ্বৰৰ লগত জড়িত হোৱাৰ বিভিন্ন পথ আছে, আমি আমাৰ নিজৰ পথ বাছি ল'ব পাৰো। তেনেকুৱা এটা পথেই হ'ল মন্ত্ৰ উচ্চাৰণ, যাক লেখকেও গ্ৰহণ কৰিছে।

আমাৰ জীৱনক সন্তুলন কৰা দ্বিতীয় চকাটো হ'ল সম্বন্ধ। আমি আমাৰ শব্দ আৰু ক্ৰিয়াত সংবেদনশীল থাকিব লাগে। সংবেদনশীল হোৱাৰ অৰ্থ এইটো চিন্তা কৰা যে যেতিয়া আমি কিবা কওঁ বা কৰো, তেতিয়া বেলেগ লোকসকলে আমাৰ বিষয়ে কি অনুভৱ কৰে। সংবেদনশীল হোৱাৰ প্ৰথম প্ৰয়াস হ'ল আমি নিৰ্জীৱ বস্তুবোৰকো গুৰুত্ব আৰু আদৰ কৰিব লাগিব। যদি আমি তেনে কৰিব নোৱাৰো তেন্তে অসংবেদনশীলতা আমাৰ জীৱনৰ অংগ হৈ পৰে। মানুহৰ মাজত থকা শ্ৰেষ্ঠতাক বিচাৰি উলিওৱা কেতিয়াবা বৰ কঠিন হৈ পৰে, বিশেষকৈ যেতিয়া আমি তেওঁৰ ঘনিষ্ঠ হওঁ। আমি মানুহক তলত দিয়া পাঁচ ধৰণেৰে জানিব পাৰো—

১) যিসকলে কেৱল বেয়া দেখে আৰু তাক ডাঙৰ কৰি লয়।

২) যিসকলে ভাল-বেয়া দুয়োটাই দেখে, কিন্তু ভালক উপেক্ষা কৰি বেয়াত বেছি গুৰুত্ব দিয়ে।

৩) যিসকলে ভাল-বেয়া দুয়োটাই দেখে আৰু দুয়োটাৰ প্ৰতি দৃঢ়।

৪) যিসকলে ভাল-বেয়া দুয়োটাই দেখে কিন্তু ভালক গুৰুত্ব দি বেয়াক উপেক্ষা কৰে।

৫) যিসকলে ভালক দেখে আৰু তাক বৰাই-বুজাই লয়।

আদৰ্শ স্থিতি হ'ল চতুৰ্থ। এই স্থিতিত উপনীত হ'বলৈ হ'লে প্ৰয়োজন হয় নিৰন্তৰ পৰিশ্ৰম আৰু অভ্যাস।

খঙত বশৱৰ্তী হৈ কোৱা কথাই আমাৰ সম্বন্ধক নষ্ট কৰে। ইয়াৰ পৰা আমি বিৰত থাকিব লাগে। ইয়াৰ পৰা হাত সাৰিবলৈ আমি আমাৰ সম্বন্ধবোৰত প্ৰশংসা আৰু বিশ্বাস বিনিয়োগ কৰিব লাগিব। নিজক সংশোধন কৰা এটা কলা আৰু ইয়াৰ চাৰিটা সিদ্ধান্ত আছে। নিজকে প্ৰশ্ন কৰি চাওক—

১) সংশোধন প্ৰক্ৰিয়াৰ বাবে মই শুদ্ধ ব্যক্তি হয়নে?

২) মোৰ ওপৰত সংশোধন প্ৰক্ৰিয়া প্ৰয়োগ কৰাৰ প্ৰয়োজন আছেনে?

৩) সংশোধন প্ৰক্ৰিয়াৰ শুদ্ধ উপায় মই জানোনে?

৪) এই কামৰ বাবে এইটো শুদ্ধ সময় হয়নে?

এই চাৰিটা সিদ্ধান্তক সুচাৰুৰূপে পালন কৰিবলৈ সময় লাগে কাৰণ অসংবেদনশীল হৈ সংশোধন প্ৰক্ৰিয়া পালন কৰা বহু লোকৰ বাবে কষ্টকৰ। আমাৰ বিভিন্ন সম্বন্ধবোৰত আমাৰ ক্ষমাশীল মনোভাৱ আৰু সংগতিয়ে এক বিশেষ ভূমিকা পালন কৰে।

আমাৰ জীৱনক সন্তুলন কৰা তৃতীয় চকাটো হ'ল কাম-কাজ আৰু জীৱন। অনুচিত প্ৰতিযোগিতাৰ দুটা কাৰণ আছে প্ৰথমটো হ'ল কাৰোবাৰ প্ৰতি হিংসা আৰু দ্বিতীয়টো হ'ল অনিয়ন্ত্ৰিত উচ্চাকাংক্ষা। আমি জীৱনত সেই ব্যক্তিসকলৰ লগত প্ৰতিযোগিতা কৰো, যিসকলৰ প্ৰতিভা আৰু দৃষ্টিকোণে আমাৰ দৰেই হয়। যেতিয়া আন ব্যক্তিৰ প্ৰতিভা আৰু দৃষ্টিকোণে আমাৰ জীৱনত প্ৰভাৱ নেপেলায়, তেতিয়া আমি কোনো চাপ অনুভৱ নকৰো। প্ৰতিযোগিতা জীৱনৰ প্ৰত্যেক ক্ষেত্ৰত লাভ কৰো। যেনে— খেলত, ব্যৱসায়ত, কৰ্মস্থলত। আচলতে আমি সদায় নিজৰ লগত প্ৰতিযোগিতা কৰিব লাগে,

১২ পৃষ্ঠাত

ধাৰাবাহিক উপন্যাস

# চৰিত্ৰৰ মাজত চৰিত্ৰ



অলকানন্দা দত্ত

বদলিৰ খবৰ থকা টেলিগ্ৰামখন পোৱাৰ চাৰি-পাঁচ দিনমানৰ পিছত দেৱজিৎ হাজৰিকাই (পোনাকণ) বোকাখাতত আহি যোগদান কৰিলে। সেইদিনা সৰু-ডাঙৰ মিলি সকলো ঠিকাদাৰে সন্মানেৰে যেনেদৰে আদৰ-আপ্যায়ন কৰি পিছে পিছে লাগি থাকিবলৈ ধৰিলে, যাৰ বাবে তেওঁ অতিষ্ঠ হৈ সেইদিনা নিশা ডাক-বঙলাত নাথাকি শহুৰৰ ঘৰতে থাকিবলৈ ঠিক কৰিলে। এঘন্টাৰ বাটহে, যাবলৈও একো অসুবিধাই নহ'ব। পুত্ৰক চাবলৈ নে পত্নীক লগ পাবলৈ তেওঁৰ মন ব্যাকুল হৈ আছে তেওঁ নিজেও নাজানে। মুঠতে পৰিয়ালৰ মানুহবিলাকক চাওঁ চাওঁ লাগি আছে।

এইকেইটা দিনৰ ভিতৰতে ঠিকাদাৰবিলাকে তেওঁৰ কি কি বিষয়ত ৰাপ আছে, কিহত তেওঁ আনন্দ পায়, এই সকলো গম-গতি লৈ জানিব পাৰিলে যে তেওঁৰ চাৰিত্ৰিক দোষ তেনেকৈ নাই, মাথোঁ নিজে খাই ভাল পাই আৰু মানুহক খুৱায়ো ভাল পায়, তাচ খেলাত তেওঁৰ ভীষণ নিচা আছে। তেওঁৰ কাষ চাপিবলৈ আটাইতকৈ উজু উপায়টোৱেই হৈছে তাচ খেলা। কিন্তু মানুহবিলাকে গম পোৱা নাছিল, তেওঁ সদায় সমপৰ্যায়ৰ বিষয়াৰ লগতহে তাচ খেলিবলৈ ভাল পায়, এই বিষয়ত যিমান ডাঙৰ ঠিকাদাৰেই নহওক, তেওঁ খুব কমেইহে প্ৰশ্ৰয় দিয়ে। কোনোবা এজন মধ্যবিত্তৰ অত্যুৎসাহী ঠিকাদাৰে কোনোবা এপাকত তেওঁৰ কাণ চোৱালে যে নিশালৈ আগৰজনক বিদায় দিবলৈ আৰু তেওঁক আদৰণি জনাবলৈ ডাক-বঙলাতে ভোজভাতৰ আয়োজনৰ লগতে তাচৰ আড্ডাৰ ব্যৱস্থা কৰিছে। সুবিধাবাদী মানুহৰ চৰিত্ৰবিলাক তেওঁ অতি সহজেই পঢ়িব পাৰে। তেওঁ যে কাৰো ইছাৰাত নানাচে, এই কথা জনাই দিবৰ বাবেই অতি সহজভাৱে ঘোষণা কৰি দিলে, ভোজত থাকিব পৰা হ'লে তেওঁৰ ভাল লাগিলহেঁতেন, কিন্তু ইমান দূৰৰ পৰা আহি পুত্ৰ-পৰিবাৰৰ কাষলৈ নোযোৱাকৈ নিশাটো ডাক-বঙলাত থাকিবলৈ বেয়া পালে। পিছদিনা কাঁটাই কাঁটাই দহ বজাত আহি অফিচ কৰিবহি। ঘোষণাটো শুনাৰ লগে লগে মানুহবোৰ ভেচ্‌ভেচিয়া হ'ল। তেওঁলোকে ধৰিব পাৰিলে মদ নোখোৱা মানুহজনক আগলৈ যিকোনো কথাতে সৈমান কৰাবলৈ যথেষ্ট টান হ'ব। আগৰজন— মদ আৰু নাৰী, এই দুয়োটাৰে দুৰ্বলতাৰ কথা ইতিমধ্যে তেওঁৰ সান্নিধ্যলৈ অহা মানুহে গম পাই গৈছিল। তেওঁ আছিল উদাৰ প্ৰকৃতিৰ মানুহ, সেইজন দিলদৰীয়া মানুহৰ পিছত এইজন বিষয়াৰ লগত কাম কৰিবলৈ যথেষ্ট অসুবিধা হ'ব, সেই কথা জানি গৈছে। এনেয়ে মানুহজন গোৱাৰ প্ৰকৃতিৰ, তাতে খঙাল বুলিও শুনিছে। ঠিকাদাৰবিলাকৰ ভিতৰতে কোনোবা দুজনমানে আলোচনা কৰি ভোজলৈ অনা এটা ডাঙৰ চিতল মাছ জীপ গাড়ীত উঠাই দিয়ালে আৰু ড্ৰাইভাৰকো শিকাই দিলে— 'ছাৰে সুধিলে আমাৰ কাৰো নাম নক'বি, সকলোৱে মিলি দিছে বুলি ক'বি, বুজিছ।' গোলাঘাট টাউন সোমোৱাৰ লগে লগে ড্ৰাইভাৰে ভোগেশ্বৰে এখন হাতেৰে মূৰটো খজুৱাই খজুৱাই কওঁ নকওঁকৈ ক'লে— 'ছাৰ, ঠিকাদাৰবিলাকে আপুনি ভোজ নাখাও বুলি কোৱা কাৰণে মাছ এটা গাড়ীতে উঠাই পঠিয়াইছে।'

'কি' বুলি অলপ চিঞৰৰ মৰাৰ দৰে সুধিলেহ্ন

ভোগেশ্বৰে ভয় মিহলি মাতেৰে ক'লে— 'ছাৰ, কাজিৰঙাৰ ভিতৰৰ আৰৈমাৰী বিলৰ চিতল মাছ, বৰ সোৱাদ।'

তাৰ কথাষাৰ শুনি পোনাকণৰ একপ্ৰকাৰ ক'ব নোৱাৰাকৈয়ে লোভৰ পানী ওলাই আহিছিল। লোভ বস্তুটো সম্বৰণ কৰাটো মানুহৰ পক্ষে ছাগৈ বৰ কষ্টকৰ কথা, তথাপি ক'লে— 'এস্ মোক নোসোধাকৈ এইদৰে মাছটো গাড়ীত ল'ব নালাগিছিল নহয়।'

মুখেৰে যেনেকৈয়ে নকওক, তথাপি আগছীটৰ পৰা এছতীয়াকৈ হালি পিছফালে ক'তনো মাছটো আছে নোচোৱাকৈ থাকিব নোৱাৰিলে। জীপখনৰ পিছফালে দুয়োটা ছীটৰ মাজৰ খালি ঠাইখিনিতে বস্তা এটাৰ ওপৰত এটা চিক্‌চিকাই থকা তাজা চিতল মাছ। তাৰ ফিছাখিনিৰ পৰা পেটৰ এছোৱালৈকে কজলা বৰণৰ হৈ গৈছে। গাটোত ক'লা ক'লা ফুট ফুট দুটামানো আছে। দেখিয়েই মাছ চিনি পোৱা পোনাকণে ধৰিব পাৰিছে, তেল ধৰা মাছ। অজানিতে এটা হাঁহি বিৰিঙি ওলাই আহিছিল, যিটো ড্ৰাইভাৰৰ চকুৰে চকুৰে পৰাতহে লাজ পাব লগা অৱস্থাত পৰিল।

ইফালে ড্ৰাইভাৰে ভাবিলে, চাহাব বৰ খঙাল বুলি শুনিছিল, এইবাৰলৈ তেওঁ ৰক্ষা পালে। মাছটোৰ কাৰণে যদি কিবা অঘটন ঘটিলহেঁতেন, সিনো কি কৰিব পাৰিলেহেঁতেন? অৱশ্যে সি বহু বিষয়াৰে গাড়ী চলাইছে। তেওঁলোকৰ মনবোৰো কোন স্তৰৰ সি নজনাকৈ থকা নাই। তেনে মানুহৰো চৰিত্ৰৰ প্ৰকৃতি জনা আছে। দুই-এজনে আকৌ মাছ বুলি খাবলৈ বেয়া পাই জিজি বুলি খাই থাকে, উটে বালিত মূৰ গুজি থকাৰ দৰে ভাবে তেওঁকনো কোনে দেখিছে? ডাঙৰ মানুহৰ স্বভাৱ সৰুৱে বিচাৰ কৰাটো অনুচিত। পিছে নকৰাকৈও নোৱাৰি।

শহুৰেকৰ ঘৰত পোনাকণক বিশিষ্ট অতিথিৰ দৰে উলহ-মালহেৰে সকলোৱে আদৰি আনিলে। এইবাৰ তেওঁৰ মুখত উদ্ভাসিত হৈ আছিল এটা নতুন জ্যোতি। উজনি অসমৰ ফালে এটা নিয়মেই থকাৰ নিচিনা শহুৰেকৰ ঘৰলৈ যাওঁতে মাছ নিব পৰাটো সন্মানৰ কথা। সাধাৰণতে জোঁৱায়েকবিলাকে শহুৰৰ ঘৰৰ আশা নকৰে, পাৰিলে জোঁৱায়েকেহে শহুৰৰ ঘৰৰ কিছু দায়িত্ব নিজে ল'বলৈ বিচাৰে।

এইবাৰ পোনাকণৰ মনত আনন্দই আনন্দ। শহুৰৰ ঘৰতো মূৰ তুলি কথা ক'ব পাৰিব। আগৰবাৰ শিৰনত হৈ থাকিব লগা অৱস্থা হৈছিল। এইবাৰ কথাটো সম্পূৰ্ণ বেলেগ। মাধুৰিমাই আগতে কোনোদিন গিৰিয়েকৰ এই আনন্দময় ৰূপটো দেখা নাছিল। সেই কাৰণেই প্ৰথমতে আনন্দৰ আতিশয্যাত তাইৰো কিবা লাজ লাজ লাগি গৈছিল। তাই ভাবি আছিল অকলশৰীয়াকৈ তাইক লগ পালেই কোনোবা এপাকত নিশ্চয় ক'ব— 'মাধু তোমাক মই এনেয়ে গালি দিছিলো, তোমাৰ চিঠিখনে যে ইমান কাম দিব ভাবিবই পৰা নাছিলো।'

মাধুৰিমাৰ দেউতাকেও— ডাইনিং টেবুলত বহি চাহ খাই থাকোঁতে জীয়েকৰ কীৰ্তি-কাহিনী ক'বলৈ মুখ মেলিব খুজিছিল, কিন্তু মাধুৰিমাৰ ইংগিতত মেলা মুখ মেলাতেই থাকিল। জোঁৱায়েকে শহুৰেকৰ আগত এনে ভাব প্ৰদৰ্শন কৰি দেখুৱালে, তেওঁক যেন বিভাগটোৰ ফালৰ পৰা বৰমূৰীয়াসকলে বোকাখাতলৈ পঠিয়াবলৈ আগৰে পৰা ঠিক কৰি থৈছিল। সকলোৱে উপস্থিতিত মাধুৰিমায়ো কথাবোৰ শুনি আছিল। তাইৰ মনৰ মাজত এইকেইদিন যি প্ৰবল উত্তেজনাৰ সৃষ্টি হৈছিল, সি যেন নিমিষতে জয় পৰি গ'ল। তাৰ ঠাইত উদাস ভাবে বুকুৰ ভিতৰে-বাহিৰে কঁপাই থৈ গ'ল। মানুহজনে বাৰু তাইৰ মনৰ ভাববোৰ কোনোদিন বুজিয়েই নাপাব নেকি? নে তাইৰ আগত সদায় এটা আভৰণেৰে ঢাকি ৰাখিব? বিয়াৰ পিছত স্বামী আপোন হৈ পৰিলেও মাক-দেউতাকহঁতৰ দৰে কেতিয়াও বুজি পাব নোৱাৰে নেকি? কিয় গিৰিয়েকে তাইক এবাৰো প্ৰশংসা নকৰিলে? কৰা হ'লেনো কি ক্ষতি হ'লহেঁতেন? মাক-দেউতাকৰ আগতে তাই কিমান আনন্দ পালেহেঁতেন, লগতে মাক-দেউতাকহঁতেও গৰ্ব কৰিব পাৰিলেহেঁতেন। কিয় বিশ্বাস নকৰিলে তাইৰ চিঠিখনৰ বাবেই ক্ৰেন্সফাৰ হোৱা বুলি? বিয়াৰ পিছৰে পৰা ছোৱালীজনীয়ে হ'লে স্বামীৰ সুখত সুখী, দুখত দুখী হৈ জীৱন-যাপন কৰিব লাগে, কিন্তু পত্নীগৰাকীৰ সুখ-দুখৰ ভাগি স্বামী হ'ব পাৰেনে? পত্নীৰ মনৰ চাৰিসীমা গচকিব পৰা স্বামীনো কেইজন ওলাব? তাইৰ জনেটো কোনোদিন মনৰ চাৰিসীমাৰ ওচৰ চাপিব নোৱাৰিব, এই কথা তাই জানি গৈছে। কিছু সময়লৈ তাইৰ কাৰো কথা মনত সোমোৱাই নাছিল। বেয়া লাগি লাগি গৈ আছিল। হঠাৎ তাই হাঁহে গাৰ পৰা পানী জোকৰাৰ দৰে তাইৰ ভাববোৰ জোকাৰি ছেদেলি-ভেদেলি কৰি আঁতৰাই পঠিয়ালে। অযথা মনৰ ভাবত জেঙা লগাই লোৱাৰনো কি দৰকাৰ? যিটো সত্য সেইটো মানি লৈ আনন্দ-স্ফূৰ্তি কৰিবহে জানিব লাগে। তাৰ মাজতো বিষাদ ভাব আনি মনত কালিমা সনাৰ কিবা আৱশ্যক আছে জানো? তাইৰ ভিতৰৰ মানুহজনীয়ে ক'বলৈ ধৰিলে, মাধুৰিমা যি পাইছা তাতে সুখী হ'বলৈ চেষ্টা কৰাচোন, আজি আনন্দ কৰাৰহে দিন। ভাবাচোন কেইদিনমানৰ আগলৈকে তোমাৰ মনৰ অৱস্থা কি আছিল? কোনেও গম নোপোৱাকৈ তুমি কিমান হুমুনিয়াহ কাঢ়িছিলা? সকলোৱে মৰমৰ মাজত ডুবি থাকিও তুমি পদে পদে অনুভৱ কৰা নাছিলা জানো, তুমি আগৰ জীয়াৰীকালৰ মাধু নহয়, বিয়াৰ পিছত মাকৰ ঘৰত বেছিদিন থকাটো লাজৰ কথা। তুমি জন্ম লোৱা নিজৰ ঘৰখনতেই আলহী হ'লাহি। ভাই-ভনীবিলাকক কথা কওঁতে তুমি আগৰ দৰে যিহকে মন যায় তাকে ক'ব নোৱৰা, বিবেকে বাধা দিয়ে, কাৰণ তুমি উলিয়াই দিয়া ছোৱালী। উলিয়াই দিয়া ছোৱালীৰ পূৰ্ণস্বত্ব ঘৰখনৰ পৰা বিয়া দিয়াৰ পিছৰ পৰাই হেৰাই যায়। সকলো ক্ষেত্ৰতে তাই ভাবি-চিন্তি কথা ক'ব লাগে। এয়াই পৰম্পৰাহত নীতি। সকলো ছোৱালীৰ জীৱনতে কম-বেছি পৰিমাণে খাটে। *ক্ৰমশ...*

*বিৰিঞ্চি কুমাৰ বৰুৱা আছিল মূলতঃ লোক-সংস্কৃতিৰ গৱেষক। সেইবাবে তেওঁৰ উপন্যাসখন লোক-সংস্কৃতিৰ বিবিধ উপাদানেৰে পৰিপূৰ্ণ। 'জীৱনৰ বাটত' উপন্যাসখন লোক-সংস্কৃতিৰ প্ৰভাৱেৰে সমৃদ্ধ বুলি ক'লেও অত্যুক্তি কৰা নহয়। লোকসমাজৰ বিবিধ আচৰণ, উৎসৱ-অনুষ্ঠান, ৰীতি-নীতি, বিশ্বাস-অন্ধবিশ্বাস আদি উপন্যাসখনৰ অধিকাংশ ঠাই আগুৰি আছে।*

# বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাস

*হিমাংশু ৰঞ্জন ভূঞা*

বিৰিঞ্চি কুমাৰ বৰুৱা আধুনিক অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতি জগতৰ এটি স্মৰণীয় নাম। এইগৰাকী প্ৰাতঃস্মৰণীয় ব্যক্তিৰ জন্ম হৈছিল ১৯০৮ চনৰ ১৬ অক্টোবৰ তাৰিখে। এক কথাত, অসমীয়া সামাজিক উপন্যাসক ৰসপূৰ্ণ ৰূপত দৃঢ়ভাৱে প্ৰতিষ্ঠা কৰা ঔপন্যাসিকগৰাকী হ'ল বিৰিঞ্চি কুমাৰ বৰুৱা। অৱশ্যে, উপন্যাস ৰচনাৰ কেইবাবছৰো আগতে 'বীণা বৰুৱা' এই ছদ্মনামত কথাশিল্পীৰূপে বিৰিঞ্চি কুমাৰ বৰুৱাই অসমীয়া সাহিত্য জগতত প্ৰতিষ্ঠা লাভ কৰে। স্বাধীনতা-উত্তৰ যুগত প্ৰকাশ হোৱা 'পট পৰিৱৰ্তন' আৰু 'আঘোণী বাই' গল্প সংগ্ৰহ দুখনত সন্নিৱিষ্ট হোৱা গল্পসমূহৰ সৰহভাগেই চতুৰ্থ দশকৰ বিভিন্ন আলোচনীত প্ৰকাশ হৈছিল আৰু সেই সময়ত গদ্যশিল্পীৰূপে তেওঁ পাঠক সমাজত প্ৰসিদ্ধি লাভ কৰে। উপন্যাস আৰু চুটিগল্পৰ আংগিক একে নহ'লেও, বিশ্লেষণত, পৰিস্থিতি চিত্ৰণত বা পৰিস্থিতিক সজাই-পৰাই আস্বাদনীয় কৰি তোলাত দুয়োবিধ ৰচনাৰ মাজত কিছু পৰিমাণে সাদৃশ্য নথকা নহয়। বৰ্তমান অসমীয়া সাহিত্যৰ সৰহভাগ ঔপন্যাসিকে সাহিত্য মন্দিৰত প্ৰৱেশ কৰিছে চুটিগল্পৰ দুৱাৰেদি। বিৰিঞ্চি কুমাৰ বৰুৱাও তাৰ ব্যতিক্ৰম নহয়। চুটিগল্প ৰচনাত অভিজ্ঞতা থকা বৰুৱাৰ পক্ষে উপন্যাস সাহিত্যত প্ৰৱেশ কৰিবলৈ বৰ বেছি কষ্ট কৰিবলগীয়া হোৱা নাছিল। বিৰিঞ্চি কুমাৰ বৰুৱাই ছদ্মনামেৰে দুখন উপন্যাসৰ ৰচনা কৰে। বীণা বৰুৱাৰ নামেৰে 'জীৱনৰ বাটত' আৰু ৰাস্না বৰুৱাৰ নামেৰে 'সেউজী পাতৰ কাহিনী'। বীণা বৰুৱাই ৰচনা কৰা একমাত্ৰ নাটখন হ'ল 'এবেলাৰ নাট'।

বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'জীৱনৰ বাটত' আৰু 'সেউজী পাতৰ কাহিনী' প্ৰকাশৰ ব্যৱধান প্ৰায় পোন্ধৰ বছৰৰ। 'জীৱনৰ বাটত' প্ৰকাশ হয় ১৯৪৫ চনত আৰু 'সেউজী পাতৰ কাহিনী' প্ৰকাশ হয় ১৯৫৯ চনত। দুয়োখন উপন্যাসৰ পটভূমি বেলেগ, সমাজ বেলেগ আৰু অমন কৰা নৰ-নাৰীৰ আচাৰ-ব্যৱহাৰো বেলেগ। প্ৰথমখনৰ পটভূমি অসমীয়া সমাজ আৰু চৰিত্ৰাৱলীৰ সৰহভাগেই গাঁৱলীয়া সমাজৰ অন্তৰ্ভুক্ত। কিন্তু পাছৰখন উপন্যাসৰ পটভূমি চাহ বাগান আৰু চৰিত্ৰাৱলী সৰহখিনি বাগানৰ বনুৱা। বিৰিঞ্চি কুমাৰ বৰুৱাই দুয়োখন উপন্যাসেই দুটা বেলেগ নামত ৰচনা কৰিছে। বিশ্ব সাহিত্যত একেজন লেখকে একাধিক ছদ্মনাম ব্যৱহাৰ কৰাৰ নাই। কিন্তু অসমীয়া সৃষ্টিধৰ্মী সাহিত্যত তেনে নিদৰ্শন বিৰল। 'বীণা বৰুৱা'ৰ নামত 'জীৱনৰ বাটত' উপন্যাসৰ উপৰি আন ৰচনা চুটিগল্প, নাটক আছে, কিন্তু ৰাস্না বৰুৱাৰ নামত অকল 'সেউজী পাতৰ কাহিনী'খনহে আছে।

বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'জীৱনৰ বাটত' আৰু 'সেউজী পাতৰ কাহিনী' দুয়োখনেই পুষ্ট কলেৱৰৰ ৰসোত্তীৰ্ণ উপন্যাস। এতিয়ালৈকে প্ৰকাশ পোৱা উচ্চ মানবিশিষ্ট অসমীয়া উপন্যাসৰ ভিতৰত এই দুয়োখন উপন্যাস বিশেষভাৱে লেখত ল'বলগীয়া। ঔপন্যাসিকে সমান কুশলতা আৰু দক্ষতাৰে দুয়োখন সমাজৰ পোহৰৰ লেখাবোৰ উজ্জ্বলভাৱে অংকন কৰিবলৈ সমৰ্থৱান হৈছে। অনুচিত দাৰ্শনিকতা, শূন্যগৰ্ভ ভাববিলাসিতা আৰু নীৰস সংস্কাৰকামী বক্তৃতাৰ দ্বাৰা উপন্যাস দুখনৰ ৰসময়তা ব্যাহত হোৱা নাই। জীৱনক উপলব্ধি কৰাৰ প্ৰয়াস আছে যদিও বক্তৃতাধৰ্মী দাৰ্শনিকতাত পৰিণত হোৱা নাই বা উপন্যাসখনৰ কলেৱৰ বৃদ্ধি কৰিবলৈ গৈ অপ্ৰয়োজনীয়ভাৱে ঘটনা সংযোগ কৰি ভাৰাক্ৰান্ত কৰি তোলা নাই। সেইবাবে আজিও এই উপন্যাস দুখনৰ জনপ্ৰিয়তা অকণো হ্ৰাস পোৱা নাই। নিটোল কাহিনী, জীৱন্ত চৰিত্ৰৰ অংকন, সমাজন প্ৰত্যক্ষ অভিজ্ঞতা থকা সমসাময়িক চিত্ৰ আৰু কলাত্মক ৰূপ প্ৰদান এই আটাইবোৰ গুণৰ যোগেদি 'জীৱনৰ বাটত' আৰু 'সেউজী পাতৰ কাহিনী' উপন্যাস দুখন বিৰিঞ্চি কুমাৰ বৰুৱাৰ নিপুণ শিল্পকৰ্ম হিচাপে অসমীয়া সাহিত্যত জিলিকি আছে।

বিৰিঞ্চি কুমাৰ বৰুৱা আছিল মূলতঃ লোক-সংস্কৃতিৰ গৱেষক। সেইবাবে তেওঁৰ উপন্যাসখন লোক-সংস্কৃতিৰ বিবিধ উপাদানেৰে পৰিপূৰ্ণ। 'জীৱনৰ বাটত' উপন্যাসখন লোক-সংস্কৃতিৰ প্ৰভাৱেৰে সমৃদ্ধ বুলি ক'লেও অত্যুক্তি কৰা নহয়। লোকসমাজৰ বিবিধ আচৰণ, উৎসৱ-অনুষ্ঠান, ৰীতি-নীতি, বিশ্বাস-অন্ধবিশ্বাস আদি উপন্যাসখনৰ অধিকাংশ ঠাই আগুৰি আছে। লোকজীৱনত প্ৰচলিত ছোৱালী বিয়া, ৰাহিয়োৱা চোৱা, টেকেলি দিয়া, আঙঠি পিন্ধোৱা, জোৰোণ দিয়া, আলহী-অতিথি, মিটিৰ-কুটুম্ব আদিক নিমন্ত্ৰণ তথা অভ্যৰ্থনা, দৈ-গুড়, চিৰা-পিঠা আদিৰ ব্যৱস্থা, কলপাত, পানীতোলা-সুৱাগুৰি তোলা, দৰা-কইনা, আয়তীসকল আদি বিয়াৰ অন্তৰ্গত সকলোবোৰ পৰম্পৰাকে 'জীৱনৰ বাটত' উপন্যাসত প্ৰতিফলিত কৰিছে। এইবোৰে প্ৰমাণ কৰে বিৰিঞ্চি কুমাৰ বৰুৱাৰ সংস্কৃতি চেতনা কিমান তীব্ৰ তথা গভীৰ আছিল। অকল বিয়াৰ ক্ষেত্ৰতে নহয়, জন্ম-মৃত্যু, পোছাক-পৰিচ্ছদ, বন্ধন প্ৰণালী, তিথি-পৰ্ব, বিহু, দৌল আদি উৎসৱ-অনুষ্ঠানৰ বৰ্ণনাও 'জীৱনৰ বাটত' উপন্যাসত বৰ সুন্দৰভাৱে বৰ্ণিত হৈছে। বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাসৰ পটভূমি গাঁৱলীয়া সমাজ। 'জীৱনৰ বাটত' উপন্যাসত অসমীয়া গ্ৰাম্য সমাজ আৰু 'সেউজী পাতৰ কাহিনী' উপন্যাসত চাহ বাগিচাৰ জীৱন চিত্ৰ প্ৰতিফলিত হৈছে। গ্ৰাম্য সমাজৰ পটভূমিত ৰচনা কৰাৰ বাবেই তেওঁৰ উপন্যাসত অসমীয়া সমাজৰ নিখুঁত চিত্ৰ মৰ্মস্পৰ্শী ৰূপত প্ৰকাশ পাইছে। এই প্ৰসংগত গাঁৱলীয়া দৃশ্য এটাৰ অনুপম বৰ্ণনালৈ আঙুলিয়াব পাৰি—

'পুৱাই শুই উঠি নৱদ্বীপে জীয়েকৰ সৈতে আগচোতালত ধান খেৰৰ জুই পুঁৱাইছে। ওচৰতে ঘৈণীয়েকে ফুট-ছাইৰে কাঁহী-বাটি ঘহিছে।...ছাইৰ মাজত লেটি লৈ থকা কুকুৰটোৱে অপৰিচিত আগন্তুকৰ অস্পষ্ট মাত শুনি গা জোকাৰি থিয় দি বাটলৈ মুখ কৰি ভু-উ-উ-ভু-উ-উ কৰি ভুকিলে।' গাঁৱলীয়া সমাজৰ এনে চিত্ৰ 'জীৱনৰ বাটত' উপন্যাসত সুলভ বুলিয়ে ক'ব পাৰি। এইক্ষেত্ৰত ঔপন্যাসিকৰ নিজৰ মন্তব্যও উল্লেখনীয় 'বৰ্তমান সময়ৰ কাহিনীকাৰসকলে সমাজৰ অৱহেলিত লোকসকলৰ প্ৰতি দৃষ্টিপাত কৰিবলৈ লৈছে আৰু যিবিলাকৰ অসামান্য সামাজিক তাৎপৰ্য মূল্যায়নৰ চেষ্টা কৰিছে। 'জীৱনৰ বাটত' অসমৰ গ্ৰাম্য জীৱনৰ আধাৰত ৰচনা কৰা তেনে এখন উপন্যাস।' একেদৰে, প্ৰাকৃতিক তথা নৈসৰ্গিক ৰূপৰ প্ৰতি বিৰিঞ্চি কুমাৰ বৰুৱাৰ স্বাভাৱিক দুৰ্বলতা আছিল। সেইবাবে তেওঁৰ উপন্যাসৰ ভালেমান ঠাইত অপৰূপা প্ৰকৃতিৰ বৰ্ণনা বৰ উৎসাহেৰে অংকন কৰিছে। 'মেঘ বৰণীয়া কুঁৱলী', 'লিংলিঙীয়া তামোল গছ', 'ভলুকা বাঁহৰ শাৰী', 'ধোঁৱাৰ দৰে ছাটি ধৰা কুঁৱলী', 'মাঘমহীয়া জাৰ', 'আহিনমহীয়া পথাৰ' আদিৰ বৰ্ণনাই প্ৰকৃতি জগতখন আমাৰ মানসপটত উজলাই তোলে। তেনেদৰে কেতিয়াবা প্ৰকৃতিৰ বৰ্ণনাক কাব্যিক গুণেৰে সমৃদ্ধ কৰি নৈসৰ্গিক জগতখন অৰ্থপূৰ্ণ কৰিও তুলিছে— 'বাটৰ কাষৰ আভৰণশূন্য শিমলুজোপাত ধপ কৰে শগুন পৰি পুৱাৰ বিনয়ী নিৰ্জনতা খন্তেকলৈ ভাঙিছে।' তেনেদৰে, 'বেলি পৰাৰ লগে লগে দাৰুনীহঁতে লোটা-বাটি সামৰি ঘৰলৈ উভতিবলৈ খৰ-খেদা লগালে। চৰিবলৈ দিয়া আৰু এৰালত থোৱা গৰু-ছাগলীকেইটা ল'বাহঁতে চপাই-কোঁচাই ঘৰমুৱা কৰি খেদালে। মুনিহকেইজনে উচাল মাৰি ডাঙৰিৰ ভাৰখন কান্ধত তুলিলে, কোনো কোনোজনী দাৰুনীয়ে মুৎত একোটিকৈ ডাঙৰি তুলি ঘৰলৈ খোজ লৈছে।'

ইংগিতময়তা বা প্ৰতীকী ব্যঞ্জনা বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাসৰ আন এক বিশেষত্ব। এই বৈশিষ্ট্যই তেওঁৰ ৰচনালৈ সংযমতা আনিছে। উদাহৰণস্বৰূপে 'জীৱনৰ বাটত' উপন্যাসখন আৰম্ভ হৈছে এটি লোকগীতৰ কলিৰে— 'কাম চৰাইৰ ৰঙা ঠোঁট তাতে দিলে ৰঙা ফোঁট পিতাদেউ, পিতাদেউ দূৰলৈ নিদিবি মোক।' ৰঙা ঠোঁটৰ দীঘল ফোঁটে সেন্দূৰৰ ফোঁটলৈ মনত পেলাই দিয়ে। ৰঙা ফোঁট বৈবাহিক জীৱনৰ প্ৰতীক। কিন্তু দূৰলৈ বিয়া নিদিবলৈ কৰা অনুৰোধ-আকুতিয়ে কাহিনীৰ সম্ভাব্য কৰুণ পৰিণতিৰ ইংগিত দিছে। আনহাতে, কমলাকান্তৰ বিষয়ে ঔপন্যাসিকে কৰা মন্তব্য যেনেদৰে প্ৰতীকধৰ্মী, তেনেদৰে অৰ্থপূৰ্ণও— 'কমলাকান্তও বাপেক-ককাকৰ ফুটতে উঠা ল'ৰা। যোগ আৰু পূৰ্ণৰ নিয়ম নিয়াৰিকৈ আয়ত্ত কৰিলেও, বিয়োগ আৰু হৰণৰ অংক পৰিপাটিকৈ নিশিকিলে।' সেইবাবে শেষ পৰ্যায়ত আমি দেখিবলৈ পাইছো কমলাকান্তৰ জীৱন এটা নিমিলা অংকত পৰিণত হৈছে। একেদৰে উপন্যাসখনৰ সামৰণিত যি বৰ্ণনা দাঙি ধৰা হৈছে, সেই বৰ্ণনা অকল ইংগিতধৰ্মীয়েই নহয়, গভীৰ তাৎপৰ্য বহনকাৰীও ঃ 'সোণালী যৌৱনৰ মংগল আশীৰ্বাদৰ আঙঠিটো জীৱনৰ শত শত দুখ-নিৰ্যাতন, লাজ-লাঞ্ছনা, মান-অপমানেৰে মলিন হৈ অভিশাপৰ ৰূপত উলটি আহিছে। হাতৰ টেমা-আঙঠিটোৰ লগত কমলাকান্তৰ মূৰটোও পাকঘূৰণি খাই ঘূৰিবলৈ ধৰিলে।' এয়া যেন কালিদাসৰ 'অভিজ্ঞানম শকুন্তলম'ৰ কাহিনীৰ এক কুটিল ইংগিত। সূক্ষ্ম বিশ্লেষণ তথা গভীৰ অন্তৰ্দৃষ্টি বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাসৰ এটি উল্লেখযোগ্য বৈশিষ্ট্য। দৈনন্দিন জীৱনৰ সুখ-দুখ, হাঁহি-কান্দোন, ৰং-ধেমালি, পৰিৱেশ-পৰিস্থিতি সকলোবোৰ তেওঁ পুংখানুপুংখভাৱে নিৰীক্ষণ কৰিছিল আৰু সেইবোৰক নিখুঁতভাৱে উপন্যাসত ৰূপদান কৰিছিল। অন্তৰ্দৃষ্টিৰে সিক্ত বাবেই তেওঁৰ প্ৰতিটো বৰ্ণনাই জীৱন্ত তথা আপোন বৈশিষ্ট্য সমুজ্জ্বল। উদাহৰণস্বৰূপে— 'কেনেবাকৈ মহিকান্তৰ চিঠি জেপ ফাটি মাটিত ওলাই পৰে বুলি চোলাৰ জেপত হাত সুমুৱাই বাপুৰামে লেফাফাটো টানকৈ খামুচি ধৰিলে।'

'জীৱনৰ বাটত' তথা বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাসৰ মূল চালিকাশক্তি হ'ল গভীৰ জীৱনবোধ। জীৱনৰ বাট সেন্দূৰীয়া নহয় বা ৰাজআলিৰ দৰে মসৃণ হয়। জীৱনৰ বাট একা-বেঁকা, খলা-বমা, কণ্টকময়। তগৰ চৰিত্ৰৰ মাজেৰে জীৱনৰ বাটৰ সেই মৰ্মস্পৰ্শী বেদনাৰ ইতিহাস অংকন কৰা হৈছে। কিন্তু তাৰ মাজতো তিৰবিৰাই আছে জীৱনৰ বাটৰ মোহন তৰাৱলী। তগৰ যেন জুইত পোৱা সোণ-দুগুণে জিলিকি উঠিছে কাহিনীৰ শেষত। ধৰণী, গোলাপ, ডাক্তৰ, আহিনীৰ পৰিৱৰ্তন— এইবোৰৰ যোগেদি সামগ্ৰিক জীৱন বীক্ষাৰে প্ৰকাশ ঘটিছে। সেইবাবে কোৱা হয়— 'জীৱনৰ বাটত' উপন্যাস জীৱনক উপলব্ধি কৰাৰ প্ৰয়াস।

বিৰিঞ্চি কুমাৰ বৰুৱা অসমীয়া উপন্যাস সাহিত্যৰ ইতিহাসত নিঃসন্দেহ এটি শীৰ্ষস্থানীয় তথা স্মৰণীয় নাম। এওঁৰ 'জীৱনৰ বাটত' নতুন উপন্যাসৰ সবল-দৃঢ় পদক্ষেপ বুলি ক'ব পাৰি। অসমীয়া সামাজিক উপন্যাস কাননত বীণা বৰুৱাৰ 'জীৱনৰ বাটত' উপন্যাসৰ সকলো গুণ আৰু লক্ষণেৰে সমৃদ্ধ এপাহি পূৰ্ণ বিকশিত পুষ্প। দৰাচলতে বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'জীৱনৰ বাটত' উপন্যাসখনেই স্বাধীনতা লাভৰ আগত প্ৰকাশিত অসমীয়া উপন্যাসৰ সীমা-নিৰ্ধাৰক চিহ্ন আৰু স্বাধীনতা লাভৰ পিছৰ কালৰ ঔপন্যাসিকসকলৰ বাবেও ধ্ৰুৱতাৰাস্বৰূপ। সেইবাবে ড° হীৰেন গোহাঁইদেৱে বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাসৰ বিষয়ে মন্তব্য দিবলৈ গৈ কৈছে— 'অসমীয়া উপন্যাসৰ উৎকৰ্ষ তথা পৰিপক্কতাৰ সৰ্বোৎকৃষ্ট নিদৰ্শন হৈছে বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাস দুখন।' অকল সেয়ে নহয়, গোহাঁইৰ ভাষাত— 'জীৱনৰ বাটত উপন্যাসৰ গাঢ়তা আৰু ব্যাপ্তিৰ অপূৰ্ব মিলনৰ আস্বাদ আমাৰ অগ্ৰগণ্য সাম্প্ৰতিক উপন্যাস এখনেও দিব পৰা নাই।'

চতুৰ্থ পৃষ্ঠাৰ পৰা

# পশ্চিম গুৱাহাটী অঞ্চলৰ

শৰাইঘাট সাহিত্য সভা, ৰূপালীম সাহিত্য সভা, আজাৰা সাহিত্য সভা, প্ৰজ্ঞা সাহিত্য চ'ৰা, জোনাকী সাহিত্য-সংস্কৃতি বিকাশ কেন্দ্ৰ, গাড়ীগাঁও অনুসন্ধান সাহিত্য গোষ্ঠী, সদৌ অসম ছাত্ৰ সন্থা, সদৌ অসম নবীন লেখক-লেখিকা আৰু শিল্পী সমিতিৰ জালুকবাৰী শাখা, অসম নাট্য সন্মিলনৰ পাণ্ডু মালিগাঁও শাখা, নৱজ্যোতি কলা পৰিষদ, গহুৰ নাট্য গোষ্ঠী, নতুন সাহিত্য পৰিষদৰ জালুকবাৰী পাণ্ডু শাখা, ধাৰাপুৰৰ জ্যোতিৰূপা সাংস্কৃতিক কেন্দ্ৰ, বিষ্ণুজ্যোতি সংঘ, কল্পদ্ৰুম। সাহিত্য পত্ৰিকা আদি অসংখ্য অনুষ্ঠান আছে। শান্তিপুৰ ক্লাব অঞ্চলটোৰ ক্ৰীড়াৰ ক্ষেত্ৰত অগ্ৰণী। সংস্কৃতি চৰ্চাৰ ক্ষেত্ৰত কামাখ্যা, মালিগাঁৱৰ নৱজ্যোতি কলা পৰিষদ আৰু অন্যান্য ভালেমান অনুষ্ঠানে অঞ্চলটো সজীৱ কৰি ৰাখিছে। পাণ্ডু-মালিগাঁও এসময়ত সংস্কৃতি চৰ্চাৰ অন্যতম কেন্দ্ৰ আছিল। ধাৰাপুৰৰ জ্যোতিৰূপা, গাড়ীগাঁৱৰ উদয়ন সমূহীয়া কেন্দ্ৰ, পশ্চিম গুৱাহাটী জনকল্যাণমূলক সমিতি, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, বিশ্ববিদ্যালয় চৌহদৰ চতুৰ্ভুজ একাডেমী, আজাৰা ক্লাব, কামাখ্যাৰ নীলাচল স্পৰ্টছ ক্লাব আদিৰ ভূমিকা অতি উল্লেখনীয়।

স্বাধীনতাৰ পূৰ্বৱৰ্তী কালছোৱাত অঞ্চলটোত যাত্ৰাদল, ঢুলীয়া, ওজাপালি, পুতলা নাচ আদি অসংখ্য সাংস্কৃতিক অনুষ্ঠান আছিল। বৰ্তমান ধাৰাপুৰত এটা যাত্ৰাদল, গড়চুকত এটা যাত্ৰাদল আৰু আজাৰাত এটা যাত্ৰাদল আছে।

পশ্চিম গুৱাহাটী অঞ্চলত ঐতিহ্যমণ্ডিত ভালেমান তীৰ্থস্থান আছে। তাৰ ভিতৰত নীলাচল পাহাৰৰ কামাখ্যা মন্দিৰ, ভুবনেশ্বৰী মন্দিৰ, পাণ্ডুনাথ দেৱালয়, জালুকবাৰীৰ লংকেশ্বৰ আৰু কালেশ্বৰ ধান, গাড়ীগাঁৱৰ ফকীৰপাৰাত থকা আলাউদ্দিন দৰগাহ, মালিগাঁৱৰ নামবাৰী কলনীত থকা গোটানগৰ সত্ৰ, পাণ্ডুৰ বৌদ্ধ মন্দিৰ, গাড়ীগাঁৱৰ শ্যামৰায় নামঘৰ, খাজদি আশ্ৰম মালিগাঁও নেপালী মন্দিৰ, উমাচল যৌগিক আশ্ৰম, গোসাঁইগাঁৱৰ বাংথাই, দেওছটালৰ শ্ৰীশ্ৰীভাংৰা গোসাঁইৰ থান, বৰশিলাৰ অভিশপ্ত শিল, পাটগাঁৱৰ নাগিনী গাত, ভট্টাপাৰাৰ ৰাণী চাপৰি মনসা মন্দিৰ, শিলপোতা সত্ৰ, আজাৰাৰ মছজিদ আদিয়েই প্ৰধান। উল্লেখযোগ্য যে যোৱা ১৯৯৩ চনৰ শেষৰফালে পাণ্ডুনাথ দেৱালয়ত খ্ৰীঃপূৰ্ব দশম শতিকাৰ বুলি অনুমান কৰা কেতবোৰ ভাস্কৰ্য লিপি আৰু এটি প্ৰাচীন মন্দিৰৰ ভগ্নাৱশেষ পোৱা গৈছে। উদ্ধাৰ হোৱা ভাস্কৰ্যসমূহৰ ভিতৰত আছে বিভিন্ন অৱতাৰৰ মূৰ্তি খোদিত এখন ফলক, দেৱী সৰস্বতী বুলি বিশ্বাস কৰা এটা শিলৰ মূৰ্তিৰ বাহিৰেও চিনাক্ত নকৰা আন কিছুমান মূৰ্তি আৰু স্তম্ভও আছে। ইয়াৰ উপৰি এটা শিলত খোদিত ১৬ শ শতিকাৰ লিপি এখনো উদ্ধাৰ হৈছে।

পশ্চিম গুৱাহাটীৰ অঞ্চলৰ ভাস্কৰ্যৰ ভিতৰত নৰকাসুৰে ৰাতিটোৰ ভিতৰতেই সজোৱা 'মেখেলা উজুৱা' শিলৰ খটখটি দুখন, বুৰঞ্জী প্ৰসিদ্ধ দুৱাৰ গৰিলা চকীৰ শিলালিপি, কাছ থকা পুখুৰী, বৌদ্ধস্তূপ, পদ্মপাণি বুদ্ধ আৰু ধ্যানী বুদ্ধৰ মূৰ্তি অন্যতম। তদুপৰি কামাখ্যা দেৱালয়ৰ পশ্চিম ফালৰ শিলৰ খটখটিৰে কাছ পুখুৰীলৈ যোৱাৰ পথত সন্তানক কোলাত লৈ বৰ আলফুলে মৰম কৰি থকা যিটি মূৰ্তি আছে— সেয়া পৃথিৱীৰ যিকোনো মাতৃ স্নেহ সম্পৰ্কীয় মূৰ্তিৰ অন্যতম উদাহৰণ।

পশ্চিম গুৱাহাটীৰ ঐতিহাসিক তথ্যৰ ভিতৰত বৰ্তমান ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ সন্মুখত থকা শিলালিপিখন মহাৰাজ শিৱসিংহৰ ৰাজত্বকালত ১৬৫৪ শতক প্ৰতিষ্ঠা হৈছিল। বুৰঞ্জীত এইখনকেই প্ৰাগজ্যোতিষপুৰৰ পশ্চিমৰ চকী বুলিছে। এইখনেই ঐতিহাসিক দুৱাৰ গৰিলা চকী। নীলাচল পাহাৰৰ পূবফালে কালীপুৰ আশ্ৰমত অসমৰ প্ৰাচীনতম লিপিৰ অন্যতম সুৰেন্দ্ৰ বৰ্মনৰ শিলালিপি অৰ্থাৎ নীলাচল লিপিখন অৱস্থিত। গাড়ীগাঁৱৰ ফকীৰপাৰাত থকা প্ৰাচীন দৰগাহটো, আজাৰাৰ আল্লিবৰ্লি গাঁৱত থকা তাম্ৰলিপি, জালুকবাৰীৰ কালেশ্বৰ ধামত থকা অৰ্ধনাৰীশ্বৰ মূৰ্তিয়েই ভাস্কৰ্যৰ অন্যতম নিদৰ্শন। উল্লেখযোগ্য যে শৰাইঘাটৰ যুদ্ধৰ বীৰত্ব জীয়াই ৰখাৰ নিদৰ্শনৰূপে ১৯৬৩ চনৰ ৭ জুন তাৰিখে উন্মোচন কৰা শৰাইঘাট দলংখনো পশ্চিম গুৱাহাটীতেই অৱস্থিত। বীৰ লাচিতৰ প্ৰতিমূৰ্তিটোও পশ্চিম গুৱাহাটীৰ জালুকবাৰীতেই প্ৰতিষ্ঠিত। এইখন জালুকবাৰীৰ প্ৰাগজ্যোতিষ নগৰতেই ১৯৫৮ চনত উদ্‌যাপিত হৈছিল জাতীয় কংগ্ৰেছৰ অধিৱেশনখন। ইয়াৰ পূৰ্বে ১৯২৬ চনতো তৰুণৰাম ফুকনৰ নেতৃত্বত পাণ্ডুত কংগ্ৰেছ মহাসভা অনুষ্ঠিত হৈছিল।

পশ্চিম গুৱাহাটী অঞ্চলত ভালেকেইটা মাটিৰ গড় আছে। জালুকবাৰীৰ সাতমাইলত এলানি মাটিৰ গড় আছে। ইয়াৰ উপৰি গোটানগৰ পাহাৰৰ পৰা জালুকবাৰী পাহাৰৰ গাত লগাকৈও এটা মাটিৰ গড় আছে। এসময়ত মালিগাঁৱতো দুটা গড় আছিল। বৰ্তমানৰ ললিত চন্দ্ৰ ভৰালী কলেজৰ গাতে লগাকৈ আৰু ৰে'লৱে চিকিৎসালয়ৰ সন্মুখতে এটা মাটিৰ গড় আছিল। জালুকবাৰী চক্ৰশিলা পাহাৰৰ পৰা বৰ্তমানৰ গড়পাণ্ডু আদাবাৰীতো এটা গড় আছিল। গড়ৰ কাষৰ পাণ্ডু বাবেই গড়পাণ্ডু নাম হৈছিল।

ইয়াৰ উপৰি পূব বৰগাঁৱৰ গড়চুকতো এলানি মাটিৰ গড় আছে। ধাৰাপুৰৰ পশ্চিমফালে থকা 'গড়ল'তো যে পূৰ্বতে মাটিৰ গড় আছিল সেই কথা পূৰ্বতে দোহাৰিছো। দীপৰ বিল আৰু খন্দাজান নদীয়েও পশ্চিমৰ ইতিহাসৰ সমল যোগাব পাৰে বুলি আমাৰ বিশ্বাস।

পশ্চিম গুৱাহাটী অঞ্চলতো সময়ে সময়ে আন্দোলনৰ তীব্ৰ জুই জ্বলি উঠিছিল। পশ্চিম গুৱাহাটীৰ সামাজিক পটভূমিৰ বিচাৰ-বিশ্লেষণত এই কথা দৃঢ়ভাৱে ক'ব পাৰি যে এই অঞ্চলৰ পৰাই বিশেষকৈ অসমৰ ভালেকেইটা জ্বলন্ত সমস্যাৰ সমাধানত আগভাগ লৈছিল সদৌ অসম ছাত্ৰ সন্থাই। স্বাধীনতাৰ পাছৰে পৰা ১৯৫৯ চনত হোৱা শোধনাগাৰ আন্দোলন, ১৯৬০ চনৰ ভাষা আন্দোলন, ১৯৬২ চনৰ চীনা আক্ৰমণ, ১৯৬৫ চনৰ পাকিস্তানৰ যুদ্ধ, ১৯৬৮ চনৰ তেল শোধনাগাৰ আন্দোলন, ১৯৭২ চনৰ মাধ্যম আন্দোলন, ১৯৭৪ চনৰ খাদ্য আন্দোলন আৰু ১৯৭৯ ৰ পৰা হোৱা অসমৰ বিদেশী বহিষ্কৰণ আন্দোলনত সদৌ অসম ছাত্ৰ সন্থাই অহিংস পদ্ধতিৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰাই নেতৃত্ব দিছিল।

বিদেশী বহিষ্কৰণ আন্দোলনত পশ্চিম গুৱাহাটীৰ গড়লত হোৱা ব্যক্তিসকলক আজিও শ্ৰদ্ধাৰে সোঁৱৰণ কৰে সদৌ অসম ছাত্ৰ সন্থাই।

প্ৰকৃততে চাবলৈ গ'লে পশ্চিম গুৱাহাটী অঞ্চলটো সম্প্ৰীতিৰ এক জ্বলন্ত উদাহৰণ। এই অঞ্চলৰ জনসাধাৰণৰ মাজত শান্তি আৰু সম্প্ৰীতিৰ এক বলিষ্ঠ পদক্ষেপতেই আজিকোপতি অঞ্চলটোত কোনো সাম্প্ৰদায়িকতাৰ দৰে ক্ষুদ্ৰ স্বাৰ্থই মূৰ দাঙি উঠিব পৰা নাই। অঞ্চলটোৰ গাড়ীগাঁৱত হিন্দু আৰু মুছলমান সম্প্ৰদায়ৰ মাজত ভাতৃত্বসুলভ মনোভাব আছে। পাণ্ডু-মালিগাঁৱৰ সৰ্বভাৰতীয় লোকৰ সংগমস্থলী। অঞ্চলটোৰ বিভিন্ন ঠাইত যেনে— কামাখ্যাধামত ব্ৰাহ্মণ, পাণ্ডুনাথত মাছমৰীয়া সম্প্ৰদায়, সদিলাপুৰত বৰ্মন, কলিতা, বৈশ্য, সুন্দৰবৰীত কুমাৰ, কলিতা, মুছলমান, কোচ, উত্তৰ জালুকবাৰীত মুছলমান, পদুমবৰীত কৈৱৰ্ত, তেতেলীয়াত কৈৱৰ্ত, কোচ, ৰাজবংশী, ব্ৰাহ্মণ, গোটানগৰত কুমাৰ, বৰাগাঁৱত কোচ, নেপালী, বড়ো, অন্যান্য জনজাতি, গড়চকুত বড়ো, কাৰ্বি, কোচ, কটাহবাৰীত কছাৰী গাৰো, ধীৰেনপাৰাত বিভিন্ন জনজাতি, খনামুখত ধাৰাপুৰ, ভট্টাপাৰা, মাজিৰগাঁও, গড়ল আদি, বিভিন্ন জাতি, আজাৰাত কোচ, কেওট, কলিতা, ৰাণীত বিভিন্ন জনজাতি, চকৰ্দোত কাৰ্বি, নেপালী কলিতা বৰিপাৰাত কুমাৰ, কলিতা আদি সম্প্ৰদায়ৰ উপজাতিৰ মিলনৰ থলী।

এই অঞ্চলৰ ঠাইবিশেষে বৰ্তমানেও পৰিৱেশ কলা শৈলী চৰ্চাৰ মিলনভূমি হৈ আছে। আজাৰা, কেওটপাৰাৰ ঢুলীয়া, চকৰ্দো দেওছটালৰ কাৰ্বি নৃত্যৰ মনোমোহা ভংগিমা বৰ্তমানেও বৰ্তি আছে। মাঘ বিহু, ব'হাগ বিহুৰ সময়ত দীপৰ বিল আৰু ওচৰৰ বৰহোলাত সমূহীয়া মাছ মৰা উৎসৱৰ দৃশ্যই সম্প্ৰীতিৰ জৰীডাল আৰু কটকটীয়া কৰি তোলে। বিভিন্ন ধৰ্ম, ভাষা আৰু গোষ্ঠীৰ অঞ্চলটোত ৰাজনীতিৰ বিষাক্ত বতাহ নবলালৈকে শান্তি বিৰাজ হৈ থাকিব বুলি আশা প্ৰকাশ কৰিব পাৰি। সদৌ অসম ছাত্ৰ সন্থাৰ এই অঞ্চলত থকা শাখাসমূহে সম্প্ৰীতিৰ চানেকি বজাই ৰখাত বিশেষ ভূমিকা গ্ৰহণ কৰা উচিত।

নৱম পৃষ্ঠাৰ পৰা

# জীৱনৰ অদ্ভুত ৰহস্য

আমি ইয়াক ভালদৰে পৰিচালনা কৰিব লাগিব। আমাৰ বাবে কি অৰ্থৱান হ'ব আৰু কিহৰ ওপৰত সময় দিব লাগিব ইয়াক জানিবলৈ হ'লে আমি প্ৰথমে নিজক ভালকৈ জানিব লাগিব। ইয়াক আমি আমাৰ জীৱনৰ উদ্দেশ্যৰে লাভ কৰিব পাৰো। কিন্তু ইয়াৰ বাবে প্ৰয়োজন হ'ব সমৰ্পণ আৰু ধৈৰ্য। আমাৰ জীৱনত সত্য, নিষ্ঠা আৰু চৰিত্ৰই বিশেষ ভূমিকা পালন কৰে। সৎ চৰিত্ৰই আমাৰ জীৱন পৰিৱৰ্তন কৰে। চৰিত্ৰক কৰ্মই গঠন কৰে, শব্দই নহয়। চৰিত্ৰ বিকাশৰ তিনিটা সিদ্ধান্ত আছে— ১) বিচাৰ ২) আচাৰ ৩) প্ৰচাৰ।

আমাৰ জীৱনক সন্তুলন কৰা চতুৰ্থ তথা অন্তিম চকাটো হ'ল সামাজিক যোগদান। আইচক্ৰীমৰ দৰ্শন হ'ল— গলি যোৱাৰ আগতে ইয়াৰ আনন্দ লোৱা আনহাতে মমৰ দৰ্শন হ'ল গলি যোৱাৰ আগতে বেলেগক পোহৰ প্ৰদান কৰা। সুখী হোৱাৰ বাবে আমি আমাৰ মনোভাবক আইচক্ৰীমৰ পৰা মমবাতিলৈ অগ্ৰসৰ কৰা অৰ্থাৎ স্বাৰ্থৰ পৰা স্বাৰ্থহীনতালৈ অগ্ৰসৰ কৰা। আমি এইবোৰ আহৰণ কৰিব পাৰিম সেৱাৰ জৰিয়তে। আমি আনক সহায় কৰাৰ সময়ত আমি আমাৰ জীৱনৰ সকলো চকাক সন্তুলিত কৰি ৰাখিব লাগিব। এয়া স্বাৰ্থ হৈ স্বাৰ্থহীন হৈ থকাৰ এটা সিদ্ধান্ত। প্ৰথমে আমি নিঃস্বাৰ্থ হৈ নিজৰ পৰিয়ালক সহায় কৰিব লাগিব। পাৰিবাৰিক সম্পৰ্ক অটুট ৰাখিবৰ বাবে আমাৰ দৈনন্দিন জীৱনৰ ত্যাগ এক নিঃস্বাৰ্থতা কাম। আমাৰ নিঃস্বাৰ্থতাৰ সীমা কেৱল আমাৰ পৰিয়ালৰ মাজতে সীমিত হৈ থাকিব নালাগে। আমি সেইবোৰ মানুহকে সহায় কৰিব লাগে যিসকল আমাৰ তৎকালীন মৰম বা স্নেহৰ সীমাৰ ভিতৰত নপৰে। যেতিয়া আমি আমাৰ নিঃস্বাৰ্থতাৰ সীমা বৃদ্ধি কৰো, তেতিয়া আমি আমাৰ সমাজ আৰু দেশৰ সেৱা কৰিব পাৰো। ইয়াক আমি আমাৰ দেশৰ সৈন্যৰ বীৰসকলৰ ক্ৰিয়াকলাপত দেখিবলৈ পাওঁ, যিসকলে আমাক সুৰক্ষা প্ৰদান কৰে আৰু সেইসকল সমাজসেৱকৰ মাজতো যিসকলে দেশ চলোৱাত আমাক সহায় কৰে। সেৱাৰ লগত যেতিয়া আধ্যাত্মিকতা সন্নিৱিষ্ট হৈ যায়, তেতিয়া সেৱা অধিক সন্তুষ্টিদায়ক হৈ পৰে। ঈশ্বৰৰ লগত হোৱা সম্বন্ধৰ আধাৰতে আমি আনৰ সেৱাত নিজৰ কৌশল আৰু ক্ষমতাক উপভোগ কৰো। আধ্যাত্মিক সাধনাৰ পৰাই সেৱা আহে। কোনো ব্যক্তিয়ে যদি ঈশ্বৰৰ প্ৰেম অনুভৱ কৰে, তেন্তে তাৰ পৱিত্ৰ লক্ষণ হ'ল যে তেওঁ সংসাৰত মানুহৰ দুখ আৰু কষ্টক অনুভৱ কৰে। আমি ভাল কামবোৰ শুদ্ধ প্ৰয়োজনৰ সৈতে আৰু শুদ্ধ মনোভাব লৈ কৰিব লাগে, এয়া আধ্যাত্মৰ শ্ৰেণীত পৰে।

মুঠতে এইগ্ৰন্থখনে জীৱনত উদ্দেশ্য আৰু সন্তুলন লাভ কৰাত এজন ব্যক্তিক বিশেষভাৱে সহায় কৰিব। জীৱনৰ যিকোনো পৰিস্থিতিত গ্ৰন্থখনে আপোনাক উৎসাহ আৰু প্ৰেৰণা প্ৰদান কৰিব সফলতাৰে আগবাঢ়ি যাবলৈ। শেষত কিতাপখনৰ পৰা আহৰণ কৰা নেলছন মেণ্ডেলাৰ বিখ্যাত উক্তিৰে সামৰিছো— 'আমাৰ প্ৰথম কাম হ'ল নিজৰ প্ৰতি বিশ্বাসী হোৱা। যদি আপুনি নিজক পৰিৱৰ্তন নকৰে, তেন্তে আপুনি সমাজত কেতিয়াও প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে... সকলো মহান শান্তিদূত সত্যনিষ্ঠ আৰু বিশ্বাসী হোৱাৰ লগে লগে বিনম্ৰও হয়।'

# প্ৰকৃতি থাকিব কিন্তু মানৱ জাতি ধ্বংস হ’ব



প্ৰকৃতি ইমান সৰু নহয় যে মানৱ প্ৰজাতি শেষ হ’লেও প্ৰকৃতি শেষ হ’ব। বিশ্বব্ৰহ্মাণ্ড, গোটেই

**শৈলেন কুমাৰ**

সৌৰজগতখন প্ৰকৃতি, আমি অনুমান কৰিব নোৱাৰো প্ৰকৃতি কিমান বিশাল, পাৰমাণৱিক শক্তি প্ৰয়োগ কৰিলেও এই প্ৰকৃতি ধ্বংস কৰিব পৰা নাযায়। প্ৰকৃতিয়ে নিজক পুনৰ জীৱিত কৰিব পাৰিব কিন্তু মানৱ প্ৰজাতিয়ে নিজক পুনৰ জীৱিত কৰিব নোৱাৰে। সংকট মানৱ জাতিৰ ওপৰত আহি পৰিছে। মানৱ সভ্যতা বৰ্তমান যিটো স্তৰত গমন কৰি আছে, নিজস্ব অহংকাৰৰ বলত নিজক ধ্বংস কৰাৰ পথত ধাৱমান মানৱ জাতি। বৰ্তমান সময়ত মনোৰোগৰ সংখ্যা বৃদ্ধি পাইছে যিটো আগতে বেছি দেখিবলৈ পোৱা নগৈছিল। আমি বাহ্যিক আৰু আন্তৰিক দিশৰ পৰা শেষ হৈ গৈ আছো। আমি তীব্ৰভাৱে এনে এখন জগতৰ পিনে গতি কৰি আছো য’ত সকলো মানুহ মনোৰোগী হ’ব। বাহিৰৰ পৰা দেখিলে সুস্থ যেন অনুভৱ হ’ব কিন্তু ভিতৰি ভিতৰি মনোৰোগী হ’ব। প্ৰকৃতিত মানুহ একমাত্ৰ জীৱ যাৰ অধিকাৰ আছে, নিজকে যেনেকৈ বিচাৰে তেনেকৈ গঢ় দিবলৈ, সমস্যা এইখিনিতেই সৃষ্টি হৈছে। জংঘলৰ জন্তু এটা gentleman হ’ব নোৱাৰে কিন্তু মানুহ gentleman হ’ব পাৰে। সিংহ এটাই সদায় সিংহ হৈয়ে মৃত্যুবৰণ কৰে জন্তু এটাৰ বিকল্প নাথাকে নিজক অন্যভাৱে গঢ় দিবলৈ বা অন্য ৰূপত সজাবলৈ। কিন্তু জীৱশ্ৰেষ্ঠ মানৱৰ বিকল্প আছে নিজক ওপৰলৈকে আৰু নিজক পতন বা ধ্বংস কৰাৰ, আমি জন্মৰ পৰা পশুৰ দৰে জনম লওঁ কিন্তু আৰু নিজক ওপৰলৈকে উঠাই নিজক মানুহ হিচাপে গঢ় দিবলৈ শিকিব লাগে। আমি সকলোৱে নিজক প্ৰত্যক্ষ কৰাৰ প্ৰয়োজন আমি ঊৰ্দ্ধগামী দিশত নে পতনৰ দিশত। যদি উত্থানৰ দিশত নাই বাহ্যিক আৰু আন্তৰিকভাৱে তেতিয়া আমাৰ পতন নিশ্চিত। উত্থানৰ দিশত সদায় সত্য আৰু শুদ্ধ প্ৰতিষ্ঠিত, আনৰ উপকাৰ আৰু মংগল হোৱাৰ চিন্তা কৰা, পতন হ’ল অশুদ্ধ, অসত্য, আনৰ অহিতকাৰী চিন্তা। মনত ৰখা উচিত যিটো আমি খামুচি ধৰিবলৈ যত্ন কৰি আছো কিয় ধৰি ৰাখিছো আৰু যিটো আমি নিজৰ পৰা আতৰাই ৰাখিছো কিয় আতৰাই ৰাখিছো? মনত কিহৰ প্ৰভাৱ বিস্তাৰিত হৈ আছে, লোভ, লালসা নে অজ্ঞানতা? আমাৰ সিদ্ধান্তবোৰ ক’ৰ পৰা আহি আছে? আমাৰ অজ্ঞানতাৰ পৰা নে জ্ঞানৰ, পোহৰৰ উজ্জ্বলতাৰ পৰা। যদিহে আমি নিম্নফালে গতি কৰি আছো তেতিয়া হ’লে ঊৰ্দ্ধগামী হৈ ওপৰত উঠিবলৈ বহুত কঠিন হৈ পৰে।

# বেহা


এম জি ৰোডৰ দাঁতিৰ কাষত এখন ধাবা। ধাবা মানে কাঠৰ বেঞ্চ চাৰিখনমান, টেবুল দুখন। বাহিৰৰ ফালে চাৰপাই এখন। শুকান ৰুটী-তৰকা, গাখীৰৰ চাহ আৰু লাচ্চি ধাবাৰ বিশেষ। ট্ৰাকৰ ড্ৰাইভাৰ আৰু

**ভাস্বতী শৰ্মা**

হেণ্ডিমেন ধাবাৰ প্ৰধান গ্ৰাহক। শংকৰ বহে আমজোপাৰ তলত। এই ধাবাখন শংকৰৰেই। ৰন্ধা-বঢ়া আৰু গ্ৰাহকক সোধ-পোছ কৰিবলৈ চোটু আছে। ছাঁত পৰি ৰোৱা চাৰপাইখনত মই বহাৰ লগে লগে চোটু দৌৰি আহি সোধে— দিদি চায়, ৰোটি? ক’লো—লাচ্চি।

শংকৰে আমজোপাৰ তলৰ পৰা মাজে মাজে চোটুক কাষলৈ মাতি কয়—চাহাবকো অন্দৰ লে যা।

দুই-এক গ্ৰাহকে খোৱাৰ দাম দি ভিতৰলৈ যায়। তাৰ কিছুমান নিৰ্দিষ্ট গ্ৰাহক আছে। সিহঁতে ৰুটী-চাহ খাই চোটুৱে বাট দেখুৱাই নিয়া ভিতৰলৈ যায়। ভিতৰ মানে ধাবা পাৰ হৈ আলু গুডামৰ পিছফালে তাৰ ঘৰৰ শোৱনি কোঠাত সোমায়গৈ। তাত ভোকাতুৰ ড্ৰাইভাৰ-হেণ্ডিমেনৰ বাবে স্বৰ্গপুৰী সাজু কৰি থয়। তৃপ্ত-সন্তুষ্ট হৈ ঘূৰি অহা মানুহবোৰে খমখমীয়া নোট তাৰ হাতত গুঁজি থৈ যায়। সেই টকাৰে ৰাতি শংকৰে মদ-মাংস খায়। তাৰ একমাত্ৰ লোভৰ বস্তু। আমজোপাৰ ছাঁ আৰু ফিৰফিৰীয়া বতাহজাকে দুপৰীয়াৰ সদাব্যস্ত সময়খিনিক অন্য মাত্ৰা দিছিল।



চাৰপাইখনত দেহটো এৰি ফৰকাল আকাশখনলৈ ৰ লাগি চাই ৰ’লো।

চোটু শংকৰৰ কাষ পোৱাত কিবা ক’লে কাণত। চোটুৱে পোনে পোনে মোক আহি ক’লে— দিদি ৰোটি...? অন্দৰ চলেংগীতো চলো মেৰে চাথ।

ভাবনাৰ বৰষি এৰি একেজাপে চাৰপাইৰ পৰা উঠি বেগৰ পৰা পাঁচশটকীয়া নোটকেইখনমান উলিয়াই চোটুৰ হাতত গুঁজি ততালিকে ছানগ্লাছযোৰ চকুত আৰি ল’লো। বেগটো সামৰি কোলহাপুৰী জোতাযোৰ ভৰিত সুমুৱাই বিজুলী বেগে শংকৰৰ আগেদি পাৰ হৈ যোৱা দেখি চোটুক চিঞৰিলে— চোটু, মেডামকে কিতনে এ?

চোটুৱে কি উত্তৰ দিলে মোৰ কাণত নপৰিল। খৰখেদা খোজলৈ ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত বগা বাহনখনৰ সৈতে ৰাজেন খুৰাক দেখি লাগিল তেওঁ অথনিৰে পৰা ম’বাইলত ডায়েল কৰা নম্বৰৰ পৰা কোনো উত্তৰ পোৱা নাই। ৰাজেন খুৰা আমাৰ পৰিয়ালৰে এজন। আমাৰ গাড়ীখন চলায় তেওঁ, ড্ৰাইভাৰ। মাত লগালো— ব’লক ৰাজেন খুৰা, সূৰ্যাস্ত হোৱাৰ আগতে বাগানৰ কাষেৰে ঘৰমুৱা হওঁগৈ।

অ’... ডাঙৰ মাজনী, তোমালৈ কল কৰি আছিলো। বেগত বাজি আছে যদিও তুমি গম নোপোৱা বুলি আগবাঢ়ি আহিলো।— ৰাজেন খুৰাই ক’লে।

গেলাৰীৰ পৰা ওলাই মই এইফালে কিয় আহিলো তেওঁ এবাৰো নুসুধিলে। সুধিলে কি উত্তৰ দিম মই ইতিমধ্যে সাজু কৰি ৰাখিছিলো। কিন্তু কামত নাহিল। অভিভাৱকসদৃশ ৰাজেন খুৰাৰ প্ৰতি মোৰ শ্ৰদ্ধা বাঢ়িল। গাড়ীত বহাৰ পিছত ৰাজেন খুৰাই লগোৱা কুমাৰ চানুৰ গানটো শুনি যিমানে আগবাঢ়িলো সিমানে অনুভৱ কৰিলোঁ শংকৰ-চোটুহঁতক বহু দূৰত এৰি বৰ্তমান ঘাইপথৰ দৌৰাত্ম্যত অংশ লৈছো। মাজে-সময়ে ভিৰৰ মাজত বিলীন হৈছো।

**অনুগল্প**

# বিশ্বাস

**হিমাংশু পাঠক**

কলিং বেলটোৰ কৰ্কশ শব্দই নীৰজক এক প্ৰকাৰ বিৰক্তিৰেই দুৱাৰখন খুলিবলৈ বাধ্য কৰালে। ৰাতিপুৱা ৫ বজাতেই কাৰণো সকাম ওলাল বুলি দুৱাৰখন খুলিয়েই নীৰজ হতবাক হৈ গ’ল। সন্মুখত তাৰ প্ৰেমিকা, তাইৰ দেউতাক আৰু ধৰ্ম ককায়েকজনক দেখি সপোন নে বাস্তৱ, বিশ্বাসেই হোৱা নাছিল।

যোৱা ৰাতি দহ বজালৈ হোৱা টেলিফোনিক কথা-বাৰ্তাত প্ৰেমিকাই ঘুণাক্ষৰেও নীৰজক জানিবলৈ দিয়া নাছিল যে ঘৰৰ পৰা পাঁচশ কিলোমিটাৰ আঁতৰৰ তাৰ কৰ্মস্থলীলৈ তেওঁলোক গৈ আছে।

অতি সহজভাৱে নীৰজে তাইক আৰু দেউতাকক বুজাবলৈ সক্ষম হৈছিল যে ঘৰলৈ যোৱা। মই ইয়াৰ পৰা গৈ তোমাক চিৰদিনৰ বাবে লৈ যাম মোৰ ঘৰলৈ।

আজি বিশ বছৰ পাছত নীৰজে নীৰৱভাৱে যে এটা মিছাক সি জীৱন নিদিলে। সেই টেলিফোনিক বাৰ্তালাপত যদি প্ৰেমিকাৰ সত্য নিৰূপিত থাকিলেহেঁতেন।

# পূৰৱীৰ ‘মিল্ক পাৰ্লাৰ’ মুকলি

**গুৱাহাটী ঃ** ‘পূৰৱী’য়ে গুৱাহাটীৰ পাঞ্জাবাৰীস্থিত চৌহদত সমসাময়িক ৰূপ আৰু অনুভৱৰ জোৰা মাৰিব পাৰিব পৰাকৈ নতুন বিন্যাসৰ মিল্ক পাৰ্লাৰ জনসাধাৰণৰ বাবে মুকলি কৰিছে। এই পাৰ্লাৰখন মুকলি কৰে অসম চৰকাৰৰ সমবায় মন্ত্ৰী নন্দিতা গাৰ্লোছাই। সমবায় বিভাগৰ অতিৰিক্ত মুখ্য সচিব তথা আই এ এছ বিষয়া মনিন্দৰ সিং, ‘পূৰৱী’ৰ একাংশ দুগ্ধ উৎপাদক আৰু যথেষ্টসংখ্যক গ্ৰাহকেও এই অনুষ্ঠানত অংশগ্ৰহণ কৰে। অত্যাধুনিক বিন্যাস আৰু নান্দনিক ৰূপত সজাই তোলা মিল্ক বুথটোৱে সকলো স্তৰ, সকলো প্ৰজন্ম আৰু যিকোনো বয়সৰ গ্ৰাহকৰ প্ৰয়োজনীয়তাসমূহ পূৰণ কৰিব। ইন-শ্বপ কেফেৰ চেটিং বা সংস্থাপিত বহুৰূপে সামগ্ৰী ক্ৰয়ৰ বাবে যোৱা গ্ৰাহকক সন্তুষ্ট কৰাত বহুখিনি সহায় কৰিব। এই নতুন প্ৰজন্মৰ বিপণীখনে পূৰৱী ব্ৰেণ্ডক অধিক আধুনিক আৰু পৰিপূৰ্ণ ব্ৰেণ্ডলৈ ৰূপান্তৰিত হোৱাৰ ইংগিত বহন কৰিছে। নৱপ্ৰজন্মৰ গ্ৰাহকসকলৰ প্ৰতি লক্ষ্য ৰাখি, ব্ৰেণ্ডটোৱে দুগ্ধ উৎপাদকসকলৰ আকাংক্ষাক সামৰি লৈ অধিক আকৰ্ষণীয়ভাৱে চহৰখনৰ যুৱক-যুৱতীসকলৰ বাবে তেওঁলোকৰ চাহিদা আৰু পছন্দ অনুসৰি সেৱা আগবঢ়াবলৈ আগুৱাই আহিছে।






# ৰঙিয়াত কৃতী ছাত্ৰ-ছাত্ৰীক ছাত্ৰ সন্থাৰ সম্বৰ্ধনা




**অসম ভূমি সেৱা, ৰঙিয়া ঃ** ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু মধ্য ৰঙিয়া ছাত্ৰ সন্থাৰ সহযোগত যোৱা ১৪ জুলাইত এখন সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। সভাখনত এই বছৰৰ হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক কলা, বাণিজ্য আৰু বিজ্ঞান শাখাৰ চূড়ান্ত পৰীক্ষাত ৰঙিয়াৰ বিভিন্ন শিক্ষানুষ্ঠানৰ পৰা ভাল ফলাফল দেখুওৱা কৃতী ছাত্ৰ-ছাত্ৰীসকলক ছাত্ৰ সন্থাই অভিনন্দন জনায়। সভাখনত সমুদায় ২২৮ গৰাকী ছাত্ৰ-ছাত্ৰীক ছাত্ৰ সন্থাৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। লগতে সভাখনত উক্ত শিক্ষানুষ্ঠানসমূহৰ মুৰব্বী শিক্ষকসকলকো আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনোৱা হয়। সভাখনত ৰঙিয়াৰ ভিতৰত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত শিক্ষাৰ্থীগৰাকীক কৃতী শিক্ষক জয়দেৱ শৰ্মা সোঁৱৰণী বঁটা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সৰ্বোচ্চনম্বৰপ্ৰাপ্ত শিক্ষাৰ্থীগৰাকীক ডাঃ দেৱেন্দ্ৰ চন্দ্ৰ কলিতা সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। জয়দেৱ শৰ্মা সোঁৱৰণী বঁটা কনিহাৰ জ্ঞানদীপ জাতীয় বিদ্যালয়ৰ ছাত্ৰ ইমন কলিতা আৰু ডাঃ দেৱেন্দ্ৰ চন্দ্ৰ কলিতা সোঁৱৰণী বঁটা ৰঙিয়াৰ প্ৰাগমেটিক একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰীৰ মূৰ্ছনা অগ্নিবাচ্যক প্ৰদান কৰা হয়। সভাত ছাত্ৰ-ছাত্ৰী তথা উপস্থিত লোকসকলক উদ্দেশ্যি আছুৰ উপদেষ্টা প্ৰকাশ দাসে ছাত্ৰ-ছাত্ৰীসকলক সেৱাৰ মনোভাবেৰে নিজৰ নিজৰ কৰ্মক্ষেত্ৰত আগুৱাই যাবলৈ পৰামৰ্শ দিয়ে। তেওঁ কয় যে সফলতা লাভ কৰাৰ পিছত যাতে ছাত্ৰ-ছাত্ৰীসকলে সমাজৰ প্ৰতি থকা দায়িত্ব আৰু কৰ্তব্যৰ কথা সদায় মনত ৰাখে। তেওঁ লগতে চৰকাৰী মাধ্যমৰ শিক্ষানুষ্ঠানসমূহত মাতৃভাষাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰি শৈক্ষিক দিশটোত গুৰুত্ব দিবলৈ চৰকাৰক দাবী জনায়। আনহাতে সভাখনত আছুৰ উপ-সভাপতি ধৰ্মেশ্বৰ দাসে কয় যে ভৱিষ্যৎ জীৱনত কৰ্মক্ষেত্ৰতো আগবাঢ়ি যাবলৈ হ'লে ছাত্ৰ-ছাত্ৰীসকলে অধ্যৱসায় তথা কষ্টসহিষ্ণুতাৰ ধাৰা অব্যাহত ৰাখিব লাগিব। কঠোৰ পৰিশ্ৰমৰ মাজেৰেহে উন্নতিৰ শিখৰত আৰোহণ কৰিব পাৰি। আনহাতে বৰ্তমান চৰকাৰৰ শিক্ষা নীতি সম্পৰ্কে সমালোচনা কৰি আছু নেতাগৰাকীয়ে লগতে কয়— যি সময়ত কেন্দ্ৰীয় চৰকাৰে শিক্ষাৰ্থীসকলে উচ্চ শিক্ষা পৰ্যন্ত মাতৃভাষাত গ্ৰহণ কৰাৰ পৃষ্ঠপোষকতা কৰিছে, তেনে সময়ত অসম চৰকাৰে গণিত আৰু বিজ্ঞান বিষয়ত ইংৰাজী মাধ্যমত পাঠগ্ৰহণ কৰাটো বাধ্যতামূলক কৰিছে। চৰকাৰৰ এই পদক্ষেপ গ্ৰহণযোগ্য নহয়। লগতে বৰ্তমান চৰকাৰক ক্ষুৰধাৰ সমালোচনা কৰি নেতাগৰাকীয়ে বৰ্তমান চৰকাৰী শিক্ষা খণ্ডৰ আন্তঃগাঁথনি যথেষ্ট দুৰ্বল বুলি উল্লেখ কৰে। তেওঁ কয় যে ৰাজ্যখনৰ ভৱিষ্যৎ সুৰক্ষিত কৰিবলৈ হ'লে চৰকাৰে শিক্ষা খণ্ডৰ আৰু সংস্কাৰ সাধন কৰিবই লাগিব। সভাখনত আছুৰ উপদেষ্টা প্ৰকাশ দাস, উপ-সভাপতি ধৰ্মেশ্বৰ দাস, কামৰূপ জিলা আছুৰ উপদেষ্টা হেমন্ত দাস, ৰঙিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন শিক্ষক লক্ষী মহন্ত, সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ ৰমণী ৰাজবংশীৰ লগতে আঞ্চলিক ছাত্ৰ সন্থাৰ সদস্যসকলৰ লগতে বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা অভিভাৱক আৰু শিক্ষক উপস্থিত থাকে।

### পৰেশ বৈশ্য ফাউণ্ডেচন

## শ্ৰেষ্ঠ প্ৰাথমিক বিদ্যালয় কৃতী শিক্ষকৰ বঁটা ঘোষণা

**শুৱালকুছি ঃ** শুৱালকুছিৰ সনাতন বালিকা প্ৰাথমিক বিদ্যালয়ক শিক্ষাৰ উত্তৰণৰ হকে গঠিত ন্যাস পৰেশ বৈশ্য ফাউণ্ডেচনৰ ২০২৩ বৰ্ষৰ শ্ৰেষ্ঠ প্ৰাথমিক বিদ্যালয় বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে। ১৯৪৫ চনত স্ত্ৰী শিক্ষাৰ প্ৰসাৰৰ বাবে স্থাপন কৰা এই বিদ্যালয়খনে শিক্ষাৰ্থীৰ সৰ্বাংগীণ বিকাশৰ হকে বিজ্ঞানসন্মত শিক্ষা প্ৰদান কৰি সমাজৰ প্ৰশংসা বুলিবলৈ সক্ষম হৈছে। গুণগত প্ৰাথমিক শিক্ষা প্ৰদানৰ লগতে শিক্ষাৰ্থীক জাতীয় চেতনা জাগ্ৰত কৰা, শিপাৰ সন্ধান দিয়া, পৰিবেশৰ প্ৰতি সজাগতা সৃষ্টি আৰু কলা-সংস্কৃতিৰ প্ৰতি শিক্ষাৰ্থীক আগ্ৰহী কৰাৰ বাবে বিদ্যালয়খনে পদক্ষেপ লৈ আহিছে। ইফালে পৰেশ বৈশ্য ফাউণ্ডেচনৰ ২০২৩ বৰ্ষৰ শ্ৰেষ্ঠ শিক্ষকৰ বঁটাৰ বাবে যোৰহাটৰ বনাই উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক পৰাগ শইকীয়াক নিৰ্বাচিত কৰা হৈছে। শইকীয়াই শিক্ষকতা জীৱনত শিক্ষাদানৰ ক্ষেত্ৰত ভালেমান বেষ্ট প্ৰেক্টিচ উদ্ভাৱন কৰি শিক্ষাৰ্থীৰ শিক্ষাগ্ৰহণ আনন্দদায়ক কৰি আহিছে। তেওঁৰ GO-KNOW-SHOW নাম শিকন কৌশলে ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ স্বীকৃতি লাভ কৰিছে। ইতিমধ্যে তেওঁ দীক্ষা ৰাজ্যিক বঁটা, ৰাষ্ট্ৰীয় পৰ্যায়ৰ অনুষ্ঠান সত্যভাৰতী ফাউণ্ডেচনৰ পৰা ২০২১ চনত এডুকেচনেল এচিভাৰ এৱাৰ্ড লাভ কৰিছে। তেখেতে এ এছ কে গ্ৰুপৰ পৰা গ্লোবেল টিচাৰ এৱাৰ্ড লাভ কৰিছে। এ এইচ এ এডুকেচনেল ছ'চাইটিয়ে তেওঁলৈ আগবঢ়াইছে India's Most Innovative and Engaging Online Teacher Award. তেওঁ শ্ৰীঅৰবিন্দ ছ'চাইটিৰ পৰাও নেচনেল টিচাৰ ইন'ভেচন এৱাৰ্ড লাভ কৰিছে। অহা ১৫ ছেপ্টেম্বৰত বিয়লি ৩ বজাত গুৱাহাটী প্ৰেছ ক্লাবত অনুষ্ঠিতব্য পৰেশ বৈশ্য ফাউণ্ডেচনৰ শিক্ষা সাংবাদিকতাৰ দিনত এই বঁটাসমূহ প্ৰদান কৰা হ'ব বুলি পৰেশ বৈশ্য ফাউণ্ডেচনৰ পৰিচালন ন্যাসৰক্ষী পৰেশ বৈশ্যই জানিবলৈ দিছে।



# আমিনগাঁৱত শতাধিকৰ ৰক্তদান

**অসম ভূমি সেৱা, উত্তৰ গুৱাহাটী ঃ** ৰক্তদান মহান দান। কোনো এজনৰ এটোপাল ৰক্তই জীৱন দান কৰিব পাৰে আন কাৰোবাৰ। এই উদ্দেশ্যেৰে কামৰূপ জিলাৰ আমিনগাঁওস্থিত লোকনিৰ্মাণ বিভাগৰ অতিথিশালাত যোৱা ১৪ জুলাইত এক ৰক্তদান শিবিৰ আয়োজন কৰা হয়। জালুকবাৰী বিজেপিৰ শুৱালকুছি মণ্ডলৰ দদৰা পঞ্চায়তৰ উদ্যোগত অনুষ্ঠিত হোৱা এই শিবিৰটোত শতাধিক পুৰুষ-মহিলাই ৰক্তদান কৰে। ৰাজ্যিক বিজেপিৰ কিষাণ মৰ্চাৰ উপ-সভাপতি ৰঞ্জিত ভট্টাচাৰ্য আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ সঞ্চালক কমলজিৎ তালুকদাৰে ৰক্তদান শিবিৰটো আনুষ্ঠানিকভাৱে মুকলি কৰে। এই উপলক্ষে আয়োজন কৰা এক চমু সভাত কমলজিৎ তালুকদাৰে কয়— আমি হাতে হাত ধৰি আগুৱাই যাব লাগিব। কাৰ কেতিয়া ক'ত তেজৰ প্ৰয়োজন হয় আমি কোনেও ক'ব নোৱাৰো। সেয়ে ৰক্তদানৰ লেখীয়া পবিত্ৰ অনুষ্ঠানত প্ৰতিজন নিৰোগী লোকে ৰক্তদান কৰি সমাজৰ উপকাৰ সাধন কৰা উচিত। শিবিৰটো মুকলি কৰি ভট্টাচাৰ্যই সকলোকে স্বইচ্ছাই ৰক্তদান কৰিবলৈ আহ্বান জনোৱাৰ লগতে ৰক্তদান শিবিৰটোত শুৱালকুছি মণ্ডলে দেখুওৱা আগ্ৰহক ধন্যবাদ জনায়। দদৰা পঞ্চায়তৰ ভাৰতীয় জনতা পাৰ্টিৰ নিৰ্বাচনী সমিতিৰ সভাপতি মাণিক দাসৰ নেতৃত্বত আয়োজিত শিবিৰটোত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসকসহ এটা দহজনীয়া দলে ৰক্ত সংগ্ৰহ কৰা কাৰ্য সুচাৰুৰূপে সম্পাদন কৰে।

# ছয়গাঁৱত দক্ষিণ কামৰূপ জিলা ব্ৰাহ্মণ সন্মিলনীৰ সভা

**অসম ভূমি সেৱা, ছয়গাঁওঃ** সদৌ অসমীয়া ব্ৰাহ্মণ সন্মিলনীৰ দক্ষিণ কামৰূপ জিলা সমিতিৰ এখন গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভা ছয়গাঁৰৰ চণ্ডিকা দেৱালয়ৰ সমীপৱৰ্তী ব্ৰাহ্মণ সমাজৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। সভাখনত সভাপতিত্ব কৰে দক্ষিণ কামৰূপ জিলা ব্ৰাহ্মণ সন্মিলনীৰ তদৰ্থ সমিতিৰ সভাপতি অপূৰ্ব গোস্বামীয়ে। উদ্দেশ্য ব্যাখ্যা কৰে তদৰ্থ কমিটীৰ সম্পাদক গৌতম শৰ্মাই। সভাত অংশগ্ৰহণ কৰি সন্মিলনীৰ কেন্দ্ৰীয় সভাপতি দিবাকৰ শৰ্মাই ৰাভা হাছং স্বায়ত্তশাসিত অঞ্চলত বসবাস কৰা প্ৰায় ৩৫০০ ব্ৰাহ্মণ লোকৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক দিশ কেনেকৈ শক্তিশালী কৰিব পৰা যায় তাৰ বাবে সময়ে সময়ে কৰি থকা কাম-কাজৰ বিষয়ে সভাক অৱগত কৰে। সভাত অংশগ্ৰহণ কৰি দক্ষিণ কামৰূপ জিলা ব্ৰাহ্মণ সন্মিলনীৰ তদৰ্থ কমিটীৰ সদস্য তথা সাংবাদিক বিমল শৰ্মাই বিগত চাৰে তিনিশ বছৰতকৈ অধিক কাল অসমত বসবাস কৰি অহা অসমীয়া ব্ৰাহ্মণসকল এতিয়াও বহুক্ষেত্ৰত ৰাজনৈতিক সা-সুবিধাৰ পৰা বৰ দুখ লগাকৈ বঞ্চিত হৈ থকাৰ কথা স্পষ্টভাৱে উল্লেখ কৰে আৰু এইক্ষেত্ৰত সন্মিলনীৰ নেতৃত্বই কি কি পদক্ষেপ লোৱা উচিত সেই সম্পৰ্কে পৰামৰ্শ আগবঢ়ায়। অসমীয়া মহাজাতি নিৰ্মাণত অসমীয়া ব্ৰাহ্মণসকলৰ ভূমিকা সন্দৰ্ভতো সাংবাদিক শৰ্মাই বক্তব্য ৰাখে। গুৰুত্বপূৰ্ণ সভাখনত কেন্দ্ৰীয় সাধাৰণ সম্পাদক দিব্যহাস শৰ্মা, মুখপত্ৰ নীলমণি শৰ্মা, প্ৰদীপ গোস্বামীকে ধৰি বহুসংখ্যক ব্ৰাহ্মণ সন্মিলনীৰ কৰ্মকৰ্তা উপস্থিত আছিল। এই সভাতেই ছেপ্টেম্বৰ মাহৰ দ্বিতীয় সপ্তাহত দক্ষিণ কামৰূপ জিলা ব্ৰাহ্মণ সন্মিলনীখন পূৰ্ণাংগ পৰ্যায়ত গঠন কৰিবলৈ সভাত প্ৰস্তাৱ গ্ৰহণ কৰা হয়।




# টুটুমণি নাথ মেধিক শ্বিলঙত মিডিয়া প্লাছ এৱাৰ্ড-২০২৩ প্ৰদান

**গুৱাহাটীঃ** বিশিষ্ট লেখিকা, সমাজসেৱিকা, গুৱাহাটীৰ মালিগাঁও নিবাসী টুটুমণি নাথ মেধিক (ৰুমী) তেওঁ সাহিত্য, সংস্কৃতিৰ লগতে সামাজিক ক্ষেত্ৰখনলৈ আগবঢ়োৱা অৱদানৰ বাবে যোৱা ১৫ জুলাইত মেঘালয়ৰ শ্বিলংস্থিত ৰাজ্যিক পুথিভঁৰালত 'মিডিয়া প্লাছ এৱাৰ্ড-২০২৩ বঁটা' প্ৰদান কৰা হয়। মেঘালয়ৰ ৰাজ্যিক পুথিভঁৰালত মিডিয়া প্লাছ অনুপ্ৰেৰণা আৰু ৰিটি একাডেমীৰ উদ্যোগত আয়োজিত বাৰ্ষিক সভাৰ লগত সংগতি ৰাখি অনুষ্ঠিত উক্ত অনুষ্ঠানত মেঘালয়ৰ কেইবাগৰাকীও শিল্পী, সাহিত্যিকৰ লগতে অসমৰো কেইবাগৰাকী লোকক এই বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত টুটুমণি নাথ মেধিক চলিত বৰ্ষৰ 'মিডিয়া প্লাছ এৱাৰ্ড-২০২৩"বঁটা' প্ৰদান কৰে মেঘালয় চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী পল হেংগডহ, আৰু আয়ুক্ত-সচিব এফ আৰ খাৰকংগৰে। অনুষ্ঠানত পি আই বিৰ উত্তৰ-পূব মণ্ডলৰ মাণ্ডলিক সঞ্চালক এন মনীষ সিঙকে ধৰি শ্বিলঙৰ বহুকেইজন গণ্যমান্য ব্যক্তি আৰু শ্বিলঙৰ সংবাদ মাধ্যমৰ লগত জড়িত বহু লোক উপস্থিত আছিল। ইফালে অনুষ্ঠানত টুটুমণি নাথ মেধিয়ে বিহুনৃত্য প্ৰদৰ্শন কৰি উপস্থিত সকলোকে আপ্লুত কৰে।

## গুৰুত্ব নাই বন বিভাগৰ ঃ আতংকিত ৰাইজ

# ৰঙামাটিত বনৰীয়া হাতীৰ বিচৰণ

**অসম ভূমি সেৱা, আজাৰাঃ** দক্ষিণ কামৰূপৰ ব্যৱসায়িক কেন্দ্ৰস্থলস্বৰূপ আৰু পলাশবাৰী আৰক্ষী থানাৰ অন্তৰ্গত বিজয়নগৰৰ কাষৰীয়া ৰঙামাটিৰ বিভিন্ন অঞ্চলত বনৰীয়া হাতীৰ মুক্ত বিচৰণে ৰাইজক আতংকিত কৰিছে। ৰঙামাটি অঞ্চলৰ ৰাইজে জানিবলৈ দিয়ামতে ডেৰ মাহ আগলৈকে এটা বনৰীয়া হাতী ৰঙামাটিৰ দুধকুঁৱৰী পাহাৰত আশ্ৰয়লৈ বৃহত্তৰ ৰঙামাটি অঞ্চলত খাদ্যৰ সন্ধানত মাজে-সময়ে মানুহৰ বাৰীত সোমাই কল, কুঁহিয়াৰ, কঁঠালকে ধৰি কৃষকে কপালৰ ঘাম মাটিত পেলাই কৰা আন শস্য খাই তহিলং কৰিছিল। তাৰ পাছত হাতীটো কিছু নিলগত থকা মিৰ্জা তিনিআলিৰ সমীপৰ মালিয়াটা সংৰক্ষিত বনাঞ্চলৰ পাহাৰৰ ফালে গুচি গৈছিল। কিন্তু ১৫ দিন আগতে সন্ধিয়াৰ পাছত পুনৰ হঠাতে তিনিটা বনৰীয়া হাতীয়ে অঞ্চলটোৰ বাট-পথত বিচৰণ কৰি থকাত ৰাইজ শংকিত হৈ পৰিছে। তাৰ মাজতে ৰাইজে চাৰিটা হাতী প্ৰত্যক্ষ কৰি শংকিত হৈ পৰিছে। এতিয়া চাৰিওটা হাতী আন্ধাৰ নামি অহাৰ পাছতে নিলোপৰা, ৰামপাৰা, মালিপাৰা, বাকাৰাপাৰা, বামুণ মহিলাপাৰাকে ধৰি বৃহত্তৰ ৰঙামাটি অঞ্চলৰ কেইবাটাও চুবুৰিত কেইবাঘৰ মানুহৰ ঘৰৰ চৌহদত বেৰ আৰু দেৱাল ভাঙি প্ৰৱেশ কৰি বাৰীত থকা কঁঠাল, কলগছ, কুঁহিয়াৰকে ধৰি বিভিন্ন শস্য খাই অনিষ্ট সাধন কৰিছে। এই সন্দৰ্ভত পূৰ্বতে ৰাইজে হাতীৰ উপদ্ৰৱ সন্দৰ্ভত স্থানীয় লোহাৰঘাট বনাঞ্চলিক বিষয়া কাৰ্যালয়ক অৱগত কৰিছিল যদিও পৰ্যাপ্ত বনকৰ্মী নথকাৰ অজুহাতত হাতী খেদা কাৰ্যত ৰাইজক সহযোগ কৰাৰ সলনি দুধকুঁৱৰী পাহাৰৰ নামনিত হাতী অহা-যোৱা কৰা পথত (হাতীৰ পৰা সাৱধান) বুলি দুখন ছাইনবৰ্ড লগাই দিয়েই দায়িত্ব সামৰিছে বন বিভাগে। ৰাইজে বন বিভাগক কোনো ধৰণে সংৰক্ষিত বনাঞ্চল আৰু হাতীৰ বিচৰণথলী নোহোৱা ৰঙামাটি অঞ্চলত হাতীৰ বিচৰণ আৰু উপদ্ৰৱৰ সমস্যাৰ পৰা ৰাইজক ৰক্ষা কৰিবলৈ বন বিভাগৰ ঊৰ্ধ্বতন কৰ্তৃপক্ষক দাবী জনাইছে। কিয়নো লোহাৰঘাট আঞ্চলিক বন বিষয়া কাৰ্যালয়ৰ বনকৰ্মী হাতত একোডাল লাঠী লৈ আহিয়ে দায়িত্ব সামৰা বুলি স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰিছে।



# 'ড° হিমন্তবিশ্ব শৰ্মা চৰকাৰৰ অনিৰুদ্ধ যাত্ৰাৰ দুটা বছৰ' শীৰ্ষক গ্ৰন্থ উন্মোচন



**গুৱাহাটী ঃ** গুৱাহাটী প্ৰেছ ক্লাবত তৰুণ প্ৰজন্মৰ এগৰাকী প্ৰতিশ্ৰুতিসম্পন্ন লেখক হিতেশ কলিতাৰ দ্বাৰা ৰচিত 'ড° হিমন্তবিশ্ব শৰ্মা চৰকাৰৰ অনিৰুদ্ধ যাত্ৰাৰ দুটা বছৰ' শীৰ্ষক গ্ৰন্থখন যোৱা ১৫ জুলাইত উন্মোচন কৰা হয়। উল্লেখ্য যে কামৰূপ গ্ৰাম্য জিলাৰ ছয়গাঁৱত জন্মগ্ৰহণ কৰা লেখক হিতেশ কলিতাই সুদীৰ্ঘ এটা দশক ধৰি আমেৰিকা যুক্তৰাষ্ট্ৰত ছফটৱেৰ অভিযন্তা হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। যুক্তৰাষ্ট্ৰৰ পৰা তেওঁ প্ৰজেক্ট মেনেজমেণ্ট, তথ্য আৰু প্ৰযুক্তি মেনেজমেণ্ট আৰু মাইক্ৰ'ছফটৰ বিভিন্ন প্ৰযুক্তিৰ বিষয়ত আন্তৰ্জাতিক খ্যাতিসম্পন্ন স্বীকৃতি লাভ কৰিবলৈও সক্ষম হৈছিল। অসমলৈ স্থায়ীভাৱে প্ৰত্যাৱৰ্তন কৰাৰ পাছত লেখক হিতেশ কলিতাই বিগত কেইবাবছৰো ধৰি অসমৰ কেইবাখনো কাকতত নিৰৱচ্ছিন্নভাৱে লিখা-মেলা কৰি আহিছে। বিগত বৰ্ষত কলিতাই নেতৃত্ব বিষয়ক তেওঁৰ প্ৰথমখন গ্ৰন্থ 'নেতৃত্ব' প্ৰকাশ কৰিছিল। এই দ্বিতীয়খন গ্ৰন্থত লেখকৰ সীমিত সামৰ্থ্য আৰু অভিজ্ঞতাৰে ড° শৰ্মা নেতৃত্বাধীন অসম চৰকাৰৰ বিগত দুটা বছৰৰ বিভিন্ন কাম-কাজ, আঁচনি আদিক বিশ্লেষণাত্মক দৃষ্টিৰে বিচাৰ কৰাৰ প্ৰয়াস কৰিছে। বিগত দুটা বছৰৰ বিভিন্ন সময়ত অসম চৰকাৰে গ্ৰহণ কৰা নীতি, আঁচনি, কাৰ্য আদিৰ বিষয়ে পৰ্যালোচনা কৰা প্ৰায় তিয়াল্লিশটা বিষয় এই গ্ৰন্থখনত সামৰি লোৱা হৈছে। লগতে বিগত দুটা বৰ্ষত চৰকাৰখনে বিভিন্ন সময়ত ঘোষণা দিয়া গুৰুত্বপূৰ্ণ প্ৰতিশ্ৰুতি, আঁচনি আৰু কিছু গুৰুত্বপূৰ্ণ কাৰ্যৰ সময়ানুক্ৰমে ইয়াত সন্নিৱিষ্ট কৰা হৈছে। এই প্ৰবন্ধসমূহৰ জৰিয়তে লেখকে চৰকাৰখনে গ্ৰহণ কৰা নীতি আঁচনি আদিয়ে কিদৰে ৰাজ্যখনক বিকাশৰ পথত আগবঢ়াই নিয়াৰ সম্ভাৱনা আছে তাক পৰ্যবেক্ষণ কৰাৰ প্ৰয়াস কৰিছে। চৰকাৰৰ কাৰ্য, নীতি, আঁচনি আদিত লেখকৰ দৃষ্টিত ধৰা পৰা দুই-এক আসোঁৱাহো আঙুলিয়াই দিয়াৰ প্ৰয়াস কৰা হৈছে। অসমৰ চৰকাৰৰ ডিজিটেলাইজেচন প্ৰক্ৰিয়া, শিক্ষা খণ্ডৰ বাবে উৎসৰ্গিত এখন বাজেট, অসমত সৌৰশক্তি উৎপাদনৰ নতুন প্ৰস্তাৱ, অসমত পৰ্যটন শিল্পৰ বিকাশ, অসমত আত্মসহায়ক গোটৰ উত্থান, বহিঃৰাজ্যৰ গামোচা নিষিদ্ধকৰণৰ ঘোষণা, বাল্য বিবাহ প্ৰতিৰোধৰ যথাযথ পদক্ষেপ, ভূমিলেখাৰ আধুনিকীকৰণৰ যুগান্তকাৰী পদক্ষেপ, দক্ষতা নিয়োগ আৰু উদ্যমিতা, ড্ৰাগছমুক্ত অসম, হস্তান্তৰযোগ্য উন্নয়ন অধিকাৰ আদি বিষয় ইয়াত সন্নিৱিষ্ট কৰা হৈছে। 'নিয়মীয়া বাৰ্তা' কাকতৰ সম্পাদক নৰেশ কলিতাই গ্ৰন্থখন উন্মোচন কৰি কয়— 'অধিকাংশ ৰাজনৈতিক নেতাই আচল কৰ্মভূমি আৰু সৃষ্টিশীলতাৰ ক্ষেত্ৰত নেতৃত্ব দিয়া পৰিলক্ষিত হোৱা নাই। শেহতীয়াভাৱে হিতেশ কলিতাই বিগত দুটা বছৰৰ অসম চৰকাৰৰ কাৰ্যকলাপ বিশ্লেষণ কৰাটো সঁচাকৈয়ে এক প্ৰশংসনীয় পদক্ষেপ। ৰাজ্যখনৰ এক সম্ভ্ৰান্ত তথা আগশাৰীৰ প্ৰকাশক গোষ্ঠী 'বনলতা'ই এই গ্ৰন্থখন ছপা কৰাৰ দায়িত্ব লৈ প্ৰকাশনক এক নতুন মাত্ৰা প্ৰদান কৰিছে। এনে বিষয়ক গ্ৰন্থ প্ৰকাশৰ দায়িত্ব অসমৰ বেছিভাগ প্ৰকাশক গোষ্ঠী নলয় বাবে বনলতাৰ এই পদক্ষেপ মই অন্তৰেৰে শলাগ লৈছো।' লোক সংস্কৃতিৰ গৱেষক লীলাধৰ হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত এই গ্ৰন্থ উন্মোচনী অনুষ্ঠানত বনলতা প্ৰকাশনৰ অনন্ত হাজৰিকা, দৈনিক জনমভূমি কাকতৰ জ্যেষ্ঠ উপ-সম্পাদক কিশোৰ গোস্বামী, ছয়গাঁৱৰ বিশিষ্ট সমাজকৰ্মী গৌতম বৰুৱাকে আদি কৰি ৰাজ্যখনৰ কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# পদুমবৰীত নাট কৰ্মশালা

**গুৱাহাটীঃ** যোৱা ১৫ জুলাইৰ পৰা পদুমবৰীৰ গীতাৰ্থ দাস সোঁৱৰণী মঞ্চত ক্ৰিয়েটিভ গেলেক্সীৰ উদ্যোগত অনুষ্ঠিত হৈছে পোন্ধৰদিনীয়া নাটকৰ কৰ্মশালা। এই কৰ্মশালাৰ শুভাৰম্ভ কৰে নাট সমালোচক অতুল মজুমদাৰ আৰু লোক-সংস্কৃতিৰ গৱেষক লীলাধৰ হাজৰিকাই। ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ স্নাতক অজন্তা হাজৰিকা আৰু তেওঁৰ সহযোগীসকলে ছাত্ৰ-ছাত্ৰীসকলক প্ৰশিক্ষণ দিয়ে। সভাত অৱনী কুমাৰ দাস আৰু নিৰঞ্জন দাস আদি উপস্থিত থাকে। অহা ৩০ জুলাইত কৰ্মশালাৰ সামৰণি পৰিব।




Printed by Prafulla Gogoi, Seven Stars Publications Pvt. Ltd. and published by Raghabendra Narayan Dutta Baruah , Seven Stars Publications Pvt. Ltd. on behalf of Raghabendra Narayan Dutta Baruah and printed at Seven Stars Publications Pvt. Ltd. at A.T. Road, Adabari, Near Bus Stand (Out Gate) Guwahati-781014 and published at 6, College Hostel Road, Panbazar, Guwahati-781001. Tel: 0361-2674555, E-mail: sspplghy@gmail.com

Editor: Baikuntha Nath Goswami